২

# তাৰা

ক. ক. লা.

মহাকবি ছেক্সপিয়াৰৰ ছাঁত লিখা

পাঁচ অঙ্কীয়া নাট

# তাৰা

কামৰূপ নাট্য সমিতিৰ দ্বাৰা প্ৰথম অভিনীত

COTTON COLLEGE
LIBRARY
Date .13 AUG. 1945
GAUHATI

ৰচক

শ্ৰীঅম্বিকাপ্ৰসাদ গোস্বামী বি-এল
উজান বজাৰ
গুৱাহাটী

491·

১ম তাঙৰণ
১৮৫৭ শক

প্ৰকাশক—গ্ৰন্থকাৰ
গুৱাহাটী, উজান বজাৰ

*332.85*

প্ৰিণ্টাৰ—শ্ৰীসোণাৰাম
নিউপ্ৰেছ, গুৱাহাটী।

# পাতনি

এই নাটখনি ১৯১৫ চনত মহাকবি ছেক্সপিয়াৰৰ ছিম্বেলিন বোলা নাটখনৰ ছাঁ লৈ ৰচনা কৰা হৈছিল। ১৯১৫ চনৰ পৰা কামৰূপ নাট্য সমিতিয়ে মহা উৎসাহেৰে কিছুদিন প্ৰত্যেক শনিবাৰে শনিবাৰে তেওঁলোকৰ নাট্য মঞ্চত অভিনয় কৰিছিল। সেই নাট-বিলাকৰ বেছি ভাগেই বঙালী নাটকৰ অনুবাদ—আকাৰ ইকাৰ সাললগনি কৰি অসমীয়ালৈ ভাঙনী কৰা। তাকে দেখি শ্ৰদ্ধাস্পদ ৺কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই আমাক মৌলিক অসমীয়া নাট বা অন্ততঃ ইংৰাজীৰ ছাঁ লৈ নাট লেখিবলৈ উদগনি দিয়ে। সেই উদগনিৰ ফল, মোৰ এই নাট খনি। তেখেতে অনুগ্ৰহ কৰি ৪ৰ্থ অঙ্ক ২য় দৰ্শনৰ "অমিয় অমিয়" গানটো ৰচনা কৰি দিছিল।

এই নাট খনি ১৯১৫ চনতে কামৰূপ নাট্য সমিতিয়ে প্ৰথম অভিনয় কৰে। তাৰ পিছতো বহুবাৰ এই নাট খনি তেওঁলোকে সুন্দৰ ৰূপে অভিনয় কৰে। আন ঠাইটো এই নাটখনি কেইবাৰমান অভিনীত হয়। এতিয়াও বহুতে লিখকৰ হাতে লিখা নাটখনি সময়ে সময়ে বিচাৰে। সেই কাৰণে আৰু মোৰ হিতকাঙ্খী বন্ধু কেইজন মানৰ অনুৰোধত এই নাটখনি প্ৰকাশ কৰা হল।

যি সময়ত "তাৰা" ৰচিত হৈছিল সেই সময়ত ই ৰাইজৰ যথেষ্ট আদৰ পাইছিল; কিন্তু বৰ্ত্তমান "টকী" আৰু আৰ্টৰ যুগত ৰাইজে কি ভাবে লয় কব পৰা নাই। এই নাটখনিৰ গানবোৰ মোৰ বন্ধু শ্ৰীযুত উমেশ চন্দ্ৰ চৌধুৰী ডাঙৰীয়াই ৰচনা কৰি দিয়াৰ বাবে আৰু এইখন ৰচনাত নানা প্ৰকাৰে উদগনি দিয়াৰ বাবে মোৰ বাল্য শিক্ষক আৰু বন্ধু শ্ৰীযুত ৰঘুনাথ চৌধাৰীৰ চৰণত কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ। আশাকৰোঁ ৰাইজে এই নাটখনি মোৰ প্ৰথম চেষ্টা বুলি চেনেহ চকুৰে চাব। ইতি—

গ্ৰন্থকাৰ

LIBRARY
13 AUG. 1945
GAU

# উছৰ্গা

পৰমাৰাধ্যতমা স্বৰ্গগতা স্নেহময়ী জননী
৺মাইমালা দেৱীৰ পুণ্যস্মৃতিৰ
মোৰ ভক্তি পুস্পাঞ্জলি ।

ইতি—

"গ্ৰন্থকাৰ"

# উপহাৰ ।

এই পুথিখনি

মোৰ

শ্ৰী.............

তাং

উপহাৰ দিলোঁ

ইতি—

শ্ৰী...................................

# কামৰূপ নাট্য-সমিতিত প্ৰথম অভিনয়

প্ৰধান ভাৱৰীয়া সকল ঃ—

| | |
|---|---|
| অজয় সিংহ | শ্ৰীযুত অম্বিকাপ্ৰসাদ বৰুৱা, গুৱাহাটী। |
| পালিত | " দিলীপচন্দ্ৰ দাস, শিলং। |
| ৰঘুপতি | " দেবিপদ বৰুৱা, গুৱাহাটী। |
| বিক্ৰমজিৎ | " মানিকচন্দ্ৰ চৌধাৰী, গুৱাহাটী। |
| জয় সিংহ | মৌঃ মহিবুদ্দিন আহমদ, গুৱাহাটী। |
| বিজয় সিংহ | শ্ৰীযুত কালীপ্ৰসাদ বৰুৱা বি-এল্, গুৱাহাটী। |
| দিলিৰ খাঁ | " জগৎচন্দ্ৰ বেজবৰুৱা বি-এল্, নগাঁও। |
| ৰাম সিংহ | " ৰজনীকান্ত বৰুৱা, নগাঁও। |
| চন্দন | " নীলধৰ বৰদলৈ, গুৱাহাটী। |
| বৈদ্য | " শিশিৰকুমাৰ বৰুৱা বি-এল্, গুৱাহাটী। |
| তাৰা | শ্ৰীযুত কুমুদেশ্বৰ গোস্বামী, গুৱাহাটী। |
| ৰাণী | " গিৰীশচন্দ্ৰ শৰ্ম্মা, শিলং। |

---

তৃতীয় অঙ্কৰ ষষ্ঠ দৰ্শনৰ ভীল বালক-বালিকা সকলৰ গীতটি ৰচোঁতাৰ নাম অজ্ঞাত।

# চৰিত্ৰ

## মুনিহ

| | |
|---|---|
| অজয়সিংহ | জয়পুৰৰ ৰজা। |
| পালিত | তাৰাৰ স্বামী। |
| ৰঘুপতি | সৰু ৰাণীৰ ভায়েক। |
| বিক্ৰমজিৎ | ভীল বেশী নিৰ্ব্বাসিত সেনাপতি। |
| জয়সিংহ, বিজয়সিংহ | অজয় সিংহৰ ভীলবেশী পুতেক। |
| গুৰুদয়াল | পালিতৰ বন্ধু। |
| দিলাৰখাঁ | গুৰুদয়ালৰ বন্ধু! |
| ৰামসিংহ | দিল্লীৰ সেনাপতি। |
| চন্দন | পালিতৰ বিশ্বাসী ভৃত্য |

দূত, বিদয়াসকল, কাৰাৰক্ষী, সেনাবিলাক, ভীল বালকবিলাক. সৈন্যাধ্যক্ষ, মন্ত্ৰী, ভৃত্য, বৈদ্য।

## তিৰোতা

| | |
|---|---|
| তাৰা | অজয়সিংহৰ কন্যা। |
| ৰাণী | ··· অজয়সিংহৰ দ্বিতীয় পক্ষৰ ঘৈণীয়েক। |

লিগিৰী, নাচনীয়াৰসকল, ভীল বালিকাবিলাক।

# তাৰা

## প্ৰথম অঙ্ক

### প্ৰথম দৰ্শন

ফুলনি

[ তাৰা আৰু সখীসকল ]

সখীসকল —গীত—

সাজি কাচি আছে সখী
সজাই বিলাস ঘৰ,
আহাঁ, সুন্দৰ ঈশ্বৰ!
সখীৰ আজি ভৰা যৌৱনৰূপ টলমল
সখীৰ, পৰাণ চঞ্চল,
আজি, পাতে সয়ম্বৰ।
উগুল থুগুল লাগে সখীৰ কুমলীয়া গা
কুঞ্জ দুৱাৰত আছে পালি কি আশা!
উৰু উৰু কৰে কিনো
উকণ্ঠা অন্তৰ।
নাহ বিলাহৰ বসুন্ধৰাই পাতিলে মেল
কেউফালে আবেগৰ আকুল খেলা
ননাহে আৰু সখী আলসুৱা চিত
সখীৰ দেহা কণ্টকিত
—আজি শূন্য বিলাস ঘৰ!

১মসখী—সখি, আনদিনাচোন তুমি এইদৰে মন মাৰি নাথাকা, আমাৰ লগত কিমান ৰং ধেমালি কৰা, আজিনো বাৰু কিয় এনেকৈ মন মাৰি আছা ?

তাৰা— আজি মোৰ গা বৰ ভাল নহয় ।

২য় সখী—গা নে মন ?

১ম সখী—গা বেয়া যদি বৈদ্যকে খবৰ দিওঁগৈ ?

তাৰা— নালাগে সখী, ইমান বিতত নহবা। লাহে লাহে এনেয়ে ভাল হব ।

২য় সখী—তই বৰ আকৰীঅ. ইতো যেনে তেনে অসুখ নহয় যে বৈদ্যই দৰব দিলেই ভাল হব । ই হৈছে বিৰহ বেদনা, ইয়াৰ ঔষধ হৈছে পালিত। তেওঁ আহিলে আপোনা-আপুনি ভাল হব ! (তাৰাক) নহয় নে সখি ?

তাৰা— কাৰ কথা কোৱা ? মোৰ নে তোমাৰ ? পালিতক যদি তোমাৰ ইমানে মনে ধৰিছে, তেনেহলে কোৱা, শুভকৰ্ম্ম সোন-কালে শেষ কৰি দিওঁ ?

২য় সখী—পাৰিবা নে, নোৱাৰিবা হবলা ? পালিতৰ নিৰ্ব্বাসনৰ পৰাই যে তোমাৰ মন এনেকুৱা হৈছে সেইটো আমাক বুজাব নালাগে। সখি, সৌৱা তোমাৰ মনচোৰ আহিব লাগিছে; কথা বতৰা হোৱা। আমি অলপ আঁতৰি যাওঁ।

[সখীসকলৰ প্ৰস্থান। পালিতৰ প্ৰবেশ।]

পালিত—তাৰা, আহোঁতে পলম হ'ল। বেজাৰ নকৰিবা।

তাৰা— পালিত, ইমান পলম কিয় হল ? মোৰ কথা পাহৰিছিলানেকি ?

পালিত—তাৰা, প্ৰাণেশ্বৰী, তোমাক পাহৰিম ! এনে কথাকৈ আৰু বেজাৰ নিদিবা। পালিতৰ এতিয়া তুমিয়েই ধ্যান, তুমিয়েই

জ্ঞান, তুমিয়েই সাধনা, তুমিয়েই সকলো। প্ৰাণেশ্বৰী, তোমাৰ কথা ভাবিয়েই সুখ পাওঁ। আন একোতে মন নবহে। ৰাজপুত যুৱকৰ প্ৰিয় কাম মৃগয়া আদি সকলে পৰিত্যাগ কৰি মাথোঁ তোমাৰ এই ভুবন মোহিনী ৰূপহে ধ্যান কৰোঁ। মৃগয়া কৰিবলৈ গৈ যেতিয়া পহুৰ চকু ঘুৰি দেখা পাওঁ তেতিয়াও তোমাৰ এই প্ৰাণ বিমোহিনী চকুযুৰি বুলি ভ্ৰম হয় হাতৰ তীৰ হাততেই দোঁ খায়। জীৱন থাকে মানে তোমাক পাহৰা অসম্ভৱ। যদি পাহৰোঁ তেন্তে নিশ্চয় জানিবা পালিত পশুতকৈও অধম, মানুহ নামৰ অযোগ্য।

তাৰা— পালিত! দাসীৰ প্ৰতি যেন এই অনুগ্ৰহ চিৰকাল থাকে—

পালিত—মোৰ অনুগ্ৰহ! নহয় তাৰা, তোমাৰহে অনুগ্ৰহ, নহলে ইমানবোৰ ৰূপৱান, গুণৱান ৰাজকোঁৱৰক অৱজ্ঞা কৰি, ৰঘুপতিক বিয়া নকৰাই, পিতৃ-মাতৃৰ অবাধ্য হৈ এই অনাথ যুৱকক তোমাৰ পিতাৰৰ অন্নেৰে পালিত, গুণহীন এজনক গুপুতে বিয়া কৰোৱা? কিন্তু তাৰা, বেছি সময় থাকিবৰ উপায় নাই! বিদায় দিয়া, পালিতক যেন মাজে সময়ে ভাবা! এই হাৰ ডালি লোৱাঁ। ই মোৰ স্বৰ্গগতা জননীৰ শেষ চিন। এনে প্ৰিয়তম বস্তু প্ৰিয়তমাক নিদি কাক দিম? (গলত হাৰ পিন্ধাই দিয়ে)।

তাৰা—পালিত! তোমাৰ স্বৰ্গীয়া মাতৃৰ হাৰে মোক পৱিত্ৰ কৰক। সদায় ইয়াক যতনে ৰাখিম, তোমাৰ অনুপস্থিতিত ইয়েই মোৰ শূন্য হৃদয়ত শান্ত্বনা দিব। মোৰ চিন স্বৰূপ এই আঙঠিটো হাতত ৰাখিবা যেতিয়ালৈকে তাৰাক পাহৰি আন তিৰোতাক বিয়া নকৰোৱা তেতিয়ালৈকে এইটো যেন তোমাৰ হাতত থাকে।

পালিত—( সাদৰেৰে আঙঠিটো পিন্ধি ) আন তিৰোতা ! সাক্ষী হোৱা ঈশ্বৰ, যিদিনা তাৰাক পাহৰি আন তিৰোতাক পত্নী ভাবে হৃদয়ত স্থান দিওঁ সিদিনাই ইন্দ্ৰৰ বজ্ৰ যেন মোৰ মূৰত পৰে। তাৰা, তাৰা এই আঙঠিয়েই এতিয়া মোৰ আত্মবিনোদৰ একমাত্ৰ বস্তু। প্ৰাণ থাকে মানে এই আঙঠি স্থান চ্যুত নহয়। ( তাৰাক সাৱটি ধৰি ) বিদায় তেন্তে। তাৰা ! আৰু বেছি সময় থাকিলে যাব নোৱাৰিম। তোমাক এৰি যাবৰ মন নাযায়। কিন্তু কি কৰিম, সকলো দৈববিড়ম্বনা। উপায় নাই। ৰাজ আজ্ঞাত সকলো কৰিব লাগিব। তোমাৰ বিমাতাৰ চৰ চাৰিওপিনে ঘূৰিব লাগিছে। কেনেবাকৈ ৰজা বা ৰাণীৰ কাণত পৰিলে মহা বিপদত পৰিব লাগিব। যদি ঈশ্বৰে কৰে তেন্তে আকৌ এই কুমলীয়া লতাডালিক সাৱটি ধৰিমহি, নহলে এই দেখাই জীৱনৰ শেষ দেখা।

তাৰা—আৰু অলপ সময় থাকা প্ৰাণেশ্বৰ, আৰু বা কিমান দিন তোমাক দেখিবলৈ নাপাওঁ ( পালিতৰ বুকুত মুখ লুকুৱাই কান্দে )।

পালিত—তাৰা, ( সাৱটি ধৰি ), ইচ্ছা কৰি জানো যাবলৈ ওলাইছো। নাকান্দিবা হাঁহি মুখে বিদায় দিয়া। নহলে যে যাবলৈ টান পাওঁ প্ৰিয়ে।

তাৰা—কোন্ মতে তোমাক যাবলৈ কওঁ ?

পালিত—যি হয় হওক, লাগিলে প্ৰাণকে দিম, তথাপি তোমাক কন্দুৱাই যাব নোৱাৰিম।

[ ২য় সখীৰ প্ৰবেশ ]

২য় সখী—আইদেউ, ৰজাৰাণী এই ফাললৈকে আহিব লাগিছে।

তাৰা—বিদায় প্ৰাণেশ্বৰ ! তোমাক বিপদত নেপেলাওঁ। অদিনীক

যেন মনত ৰাখা। ( পালিতে যাওঁ নাযাওঁকৈ গুচি যায় )
( আঠুকাঢ়ি ) আই ভবানী ! তুমি সকলোৰে অন্তৰ জানা।
যদি মই কায়মনবাক্যে তিৰোতাৰ অমূল্য ৰতন সতীত্ব ধৰ্ম্ম
ৰক্ষা কৰিছো তেনেহলে সেই পুণ্যৰ ফলত যেন পালিতক
সকলো বিপদৰ পৰা ৰক্ষা কৰা, দাসীৰ এয়ে প্ৰাৰ্থনা।

[ ৰজা অজয়সিংহ আৰু ৰাণীৰ প্ৰবেশ ]

অজয়সিংহ—তাৰা, তই অকলে অকলে ইয়াত কি কৰিছ ? সখী-
য়েৰইত কত ?

তাৰা— কি কৰিম পিতা, ইয়াতে অকলে আছোঁ।

ৰজা— আমাৰ কথাৰ উত্তৰ কি ? ৰঘুপতিক বিয়া কৰাবলৈ সন্মত
আছনে ?

তাৰা— পিতা, এনে পাপ কথা নকব। যি মহাত্মাৰ চৰণত মনে
মনে প্ৰাণ সমৰ্পণ কৰিছোঁ, তেওঁক এৰি অ ন এজনক
বৰিলে জানো বিচাৰিণী নহম ? এনে পাপ কথা কিয় কয়
পিতা ?

ৰজা— এতিয়াও কথা শুন। ৰঘুপতিক স্বামী বৰণ কৰ, নহলে তোৰ
নিস্তাৰ নাই। ( হাঁহি ) তোৰ সেই মহাত্মাক যদি কালি পুৱা
মোৰ ৰাজ্যত দেখা পাওঁ তেনেহলে নিশ্চয় তাৰ প্ৰাণ দণ্ড !

তাৰা— ( তলমূৰ কৰি ) পতিনিন্দা নকৰিব। আপুনি, পিতা,
আপুনি ৰজা, আপুনি গুৰু, মোক যি ইচ্ছা কৰিব পাৰে,
কিন্তু মোক পাপত পেলাবৰ অধিকাৰ আপোনাৰ নাই।
পালিতৰ নিৰ্ব্বাসন আপোনাৰেই ৰাজঅনুগ্ৰহৰ চিন।

ৰজা— কথা শুন, সেই বাটৰ ভিকহুৰ কথা ভাবি থাকিলে তোৰ
মঙ্গল নহব।

তাৰা— পিতা, শিয়ালক এৰি সিংহৰ কথা কোনে নাভাবিব।

ৰজা— তাৰা তই দেখোন বৰ অবাধ্য হলি!

তাৰা— দিও আপোনাৰ অনুগ্ৰহ। কাৰ অনুগ্ৰহত মই পালিতক ভাল পাওঁ। আপুনি যদি শিশু কালৰ পৰা এনে ৰূপৱান, গুণৱান এজনক মোৰ সঙ্গী কৰি নিদিলেহেঁতেন, তেন্তে জানো মই তেওঁক মনে মনে প্ৰাণ মন সমৰ্পন কৰিব পাৰো!

ৰজা— তাৰা তই বলিয়া হলি নেকি!

তাৰা— বলিয়া হবৰনো আৰু বাকী কি? হায় (তলমূৰ কৰি) মই যদি এজনী সামান্য ভালৰ ছোৱালী হলোঁ হেঁতেন, আৰু পালিত যদি এজন ভালৰ লৰা হলহেঁতেন!

ৰজা— খঙেৰে তই বৰ লাই পাইছনে? ৰাণী, তোমাৰ হাতত এইক গটালোঁ। এইক এইৰ শোৱা কোঠালীত বন্দী কৰি থোৱাগৈ।

[প্ৰস্থান]

ৰাণী— তাৰা, বুঢ়া পিতাৰাক অনৰ্থক কষ্ট দিয়া কিয়? ৰঘুপতিক বিয়া কৰোৱা। মই তোমাৰ ভালৰ বাবেই কৈছোঁ। তোমাক মই নিজৰ ছোৱালীৰ দৰে ভাল পাওঁ, তুমি জানো মোক আন মাহীমাকৰ দৰে হিংসাকুৰীয়া বুলি ভাবা? মই তেনে নহওঁ। বুঢ়া পিতাৰাৰ কথা ৰাখা, সৌৱা চন্দন আহিছে।

[চন্দনৰ প্ৰবেশ]

চন্দন— আই দেউ, পালিতক বাটত ৰঘুপতিয়ে হঠাৎ আক্ৰমণ কৰিছিল।

ৰাণী— কাৰ কি হল?

চন্দক— কাৰো একো হবলৈ নাপালে গৈ। কেইজন মান বিয়য়াই এৰুৱাই দিলে।

তাৰা— কি মহান্! কি বীৰত্ব! তই তেওঁক এৰি আহিলি কিয়?

ৰাণী—বস্তুৰিকে চন্দন বৰ বিশ্বাসী, পালিতক বৰ ভাল পায়।
তাৰা, আহা যাওঁ গৈ। ৰজাই দেখিলে খং কৰিব।

[ তাৰা আৰু ৰাণীৰ প্ৰস্থান ]

চন্দন—হয় মহাৰাণী! ( অকলে অকলে আনফালে চাই ) বৰ বিশ্বাসী সেই বাবেই মই তোমাৰ চকুৰ হুল। বাৰু, চাওঁচোন, কৰ পানী কলৈ যায়। [ প্ৰস্থান ]

## দ্বিতীয় দৰ্শন

### আলিবাট

[ দুজন বিষয়া আৰু ৰঘুপতিৰ প্ৰৱেশ ]

১ম বিঃ—ডাঙৰীয়া, ইস্ গোটেইটো গা তেজেৰে ৰাঙলী হৈছে! সোণকালে এইবোৰ কাপোৰ সলাওক গৈ।

ৰঘু—এৰা, ঠিক কথা, তাক বৰকৈ খুন কৰিলোঁনেকি?

১ম বিঃ—কিনো খুন কৰিব? তাৰ গোটেইটো গা এখন বৰ ডাঙৰ খুন। নিৰ্ব্বাসন দণ্ডই এতিয়া তাৰ প্ৰাণ পখীটোকো খুন কৰিব; বৰ বেছি নকৰি ভালকে কৰিলে। তাৰ ওপৰত আপোনাৰ পক্ষে তৰোৱাল দণ্ডাও অপমানৰ কথা।

২য় বিঃ—( স্বগত ) খুন নহয়, এবাৰ চুব পৰা হলে!

ৰঘু—নপলোৱা হলে আৰু বপুৰিয়ে ইমান কষ্ট কৰি বিদেশলৈ যাব নালাগিল হেতেন

১ম বিষয়া—তাৰ বিহে সাহ, আপুনি তৰোৱাল ধৰা দেখিয়েই সি পলাই পত্ৰং!

২য় বিষয়া—(স্বগত) হয় পলাই পলাই তেওঁ আহি এওঁ মহাবীৰৰ গাৰ ওচৰ পালেহি, আৰু এওঁহলে বীৰদৰ্পে পাছফাললৈহে আগুৱাব ধৰিলে। নহলে তেওঁৰ আইধাই।

ৰঘু—আপোনালোক নহা হলে—?

১ম বিঃ—তেওঁৰ ধ্ৰুব মৃত্যু।

২য় বিঃ—(স্বগত মই হলে যেতিয়ালৈকে এওঁ এই গাধৰদৰে সুন্দৰ দেহটি কিমান দীঘল, মাটিত পৰি জুখিলেহেতেন তেতিয়ালৈকে আঁৰ হৈ এওঁৰ বীৰত্ব অৱলোকন কৰি চৰিতাৰ্থ হলোঁহেঁতেন।

ৰঘু—তাৰা নো কি মূৰ্খ। মোক হলে তাইৰ মনে নধৰে মোৰ দৰে সাহসী মানুহ এই ৰাজ্যত দ্বিতীয় নাই, ৰজাই যুদ্ধ বিগ্ৰহ এখন লাগিলেই মোক সেনাপতি পদত বৰণ কৰোঁ বুলিছে।

১ম বিঃ—আপুনিয়েই ৰাজ্যত সেনাপতি পদৰ একমাত্ৰ যোগ্য পাত্ৰ। আপুনি থকা হলে ৰজাৰ পিতাকে ৰণত ঘাটি মোগলৰ কৰতলীয়া নহলহেঁতেন।

২য় বিঃ—(স্বগতঃ) এনেকুৱা বীৰ সেনাপতি এজন হলে শত্ৰুৰো মঙ্গল, সৈন্যবোৰৰো মঙ্গল। এওঁৰদৰে বীৰ এজন সৈন্যৰ পাছফালে থাকি, পাছফাললৈ আগুৱাবলৈ আদেশ দিলে, সৈন্যবোৰৰো প্ৰাণ ৰক্ষা, শত্ৰুৰো বিনা যুদ্ধে কাৰ্য্য সিদ্ধি।

ৰঘু—মই ৰাজপুৰীলৈ যাওঁ, আপোনালোক সকলো আহক বহুত কথা আছে।

উভয়ে—আমাৰ পক্ষে সি অনুগ্ৰহৰ কথা।

[ সকলোৰে প্ৰস্থান ]

## তৃতীয় দৰ্শন

### গুৰুদয়ালৰ ঘৰ

( নৰ্ত্তকীসকল, গুৰুদয়াল, দিলীৰ খাঁ আৰু পালিত । )

COTTON COLLEGE LIBRARY Date 13 AUG. 1945 GAUHATI

নৰ্ত্তকী —গীত—

পিয় পিয় নাগৰীয়া
জীৱন অমিয়া
অনন্ত যৌৱন ৰূপ মদিৰা
ৰূপে ফুলে গৌৰী সুকোমল অঙ্গ
লম্বিত চাৰু কেশ চুম্বি নিতম্ব
লাস্য ৰোমাঞ্চে ললিত বিহঙ্গে
উল্লস বস ৰতি নিগড়ি হিয়া
উৎসৱ ৰঙ্গ উথলে তৰঙ্গ
নয়ন ঢুলেঁ। ঢুলেঁ। লুলে অনঙ্গ
ধাৰে পাপীয়া ধাৰে সখীয়া
ঢাল মদিৰা
জীৱন অমিয়া

দিলীৰখাঁ—ডাঙৰীয়া, আপুনি অহাৰ কাৰণে, বন্ধু গুৰুদয়ালে আপোনাৰ সন্তোষৰ কাৰণে ইমান আয়োজন কৰিছে; তথাপি কিন্তু আপোনাৰ মুখত আনন্দৰ চিন নেদেখিলোঁ। এনেয়ে ডাঙৰ ভোজ, তাৰ পাছত সুন্দৰী নৰ্ত্তকী সকলৰ মধুৰ সঙ্গীত, ইয়াতোনো কাৰবাৰ আনন্দ নহব পাৰেনে ?

পালিত—মোৰ কথা এতিয়াও আপুনি ভালকৈ বুজিব পৰা নাই ! মোৰ দৰে অভাগাক একমাত্ৰ মৃত্যুৱেহে আনন্দ দিব পাৰে !

দেশত মোৰ একমাত্ৰ আনন্দদায়িনীক এৰি আহিছো। মোৰ অভাৱত তেওঁ মনত কিমান দুখ পাইছে সেই কথা মনত পৰিলে মোৰ এনেকুৱা অৱস্থা হয় যে মই শত চেষ্টা কৰিও মোৰ মন প্ৰফুল্লিত কৰিব নোৱাৰোঁ।

গুৰুদয়াল—বন্ধুৱে এনেয়ে বেজাৰ কৰি থাকে। সেইবোৰ কথা উলিয়াই তেওঁক আৰু বেজাৰ নিদিবা। পালিত, সেইবোৰ কথা পাহৰিবলৈ অলপ চেষ্টা কৰা।

পালিত—ডাঙৰীয়া, কি কয়! এই জন্মত সেই কথা পাহৰা অসম্ভৱ।

দিলীৰখাঁ—ডাঙৰীয়া, আপুনি উদাৰ প্ৰেমিক। আপুনি তিৰোতাৰ চৰিত্ৰ এতিয়াও বুজিব পৰা নাই। সিহঁতৰ মুখত এক কথা পেটত আন কথা। আজি আপোনাৰ আগত কব "নাথ, আপুনিয়েই অধীনীৰ জীৱন সৰ্ব্বস্ব। আপোনাক দেখা নাপালে মোৰ পক্ষে গোটেই জগত আন্ধাৰ"। আপুনি পিছ দিলে এজন নতুন মন মিলা মানুহ পালে পুনৰায় সেই কথাকে কব মই বহুতো প্ৰেমলীলা খেলি, এই অভিজ্ঞতা লাভ কৰিছোঁ। আপুনি এতিয়া যাৰ কথা ভাবি ভাবি মনৰ আনন্দ হেৰুৱাইছে, তেওঁ হয়তো এতিয়া আন এজন বুদ্ধিমান ৰাজপুৰুষৰ আগত সেইবোৰ কথাকেই কব লাগিছে।

পালিত—ডাঙৰীয়া, আপুনি মোৰ তাৰাৰ কথা নাজানে। তেওঁ সতী সাবিত্ৰী। তেওঁৰ পক্ষে এনে আচৰণ মই ভাবিবই নোৱাৰো। নাৰী চৰিত্ৰৰ ওপৰত এনে দোষাৰোপ বাস্তৱিকে অমাৰ্জ্জনীয়।

দিলীৰ—(খং কৰি) মাৰ্জ্জনীয় নে অমাৰ্জ্জনীয় দেখা যক। বাৰু আপোনাৰ সতী সাবিত্ৰী কেনে, পৰীক্ষা হক। যদি তেওঁক সতী

বুলি ভাবে তেনেহলে বাজি ৰাখক। মই গুৰুদয়ালৰ হাতত দহ হাজাৰ টকা থওঁ, আপুনিও সিমানেই থওক। মই তালৈ গৈ যদি সতীত্ব হৰণ কৰিব নোৱাৰোঁ, তেন্তে সেই টকা আপোনাৰ। যদি মই কৃতকাৰ্য্য হব পাৰোঁ তেন্তে সেই টকা আটাইখিনি মোৰ। কেৱল মোৰ হাতত তেওঁলৈ এখন চিঠি দি মোক তেওঁৰ লগত দেখা কৰিবলৈ সুবিধা কৰি দিব। সন্মত আছেনে?

পালিত—বাৰু, সন্মত হলোঁ, কিন্তু মোৰ হাতত যে এতিয়া ইমান টকা নাই।

দিলীৰ—আপোনাৰ হাতৰ আঙঠিটো বহুমূলীয়া যেন লাগিছে। সেই টোকে বন্ধক থওক।

গুৰু—বন্ধুসকল! ক্ষান্ত হওক। এনেকুৱা কথাত বাজি ধৰা উচিত নহয়।

পালিত—এইটো আঙঠি বন্ধক থম? অসম্ভৱ। প্ৰাণ গলেও নহয়।

দিলীৰ—কিয়? ইয়াৰ মূল্য কিমান?

পালিত—মূল্য? মোৰ মনত ইয়াতকৈ বহুমূলীয়া বস্তু সংসাৰত নাই, ই মোৰ পত্নীৰ প্ৰেম-স্মৃতি।

দিলীৰ—এইখিনিতে বুজিলোঁ আপোনাৰ পত্নীৰ সতীত্বৰ ওপৰত আপোনাৰ কিমান অটল বিশ্বাস। নহলে নিশ্চয় এইটো বন্ধক থলেহেঁতেন। সঁচাকৈয়ে আপুনি বৰ বিবেচক। ধন্য আপোনাৰ বিবেচনা শক্তি। আপুনি জানে আপোনাৰ অনুপস্থিতত কোনোবা বুদ্ধিমান ৰাজকৰ্ম্মচাৰীয়ে আপোনাৰ সতীৰ গুপ্ত-প্ৰণয়ৰ সুখ উপভোগ কৰিছে।

পালিত—কি দিলীৰখাঁ ইমান দূৰ!! আহাঁ বাৰু, এই আঙঠিকে বন্ধক থম। কিন্তু সাৱধান দিলীৰ, জুইৰ লগত খেলা নকৰিবা।

যদি তোমাৰ অসৎ অভিপ্ৰায় পূৰ্ণ নহয়, তেনেহলে তেওঁক মনে মনে অপমান কৰাৰ বাবেও এই তৰোৱালেৰে তোমাৰ পাপ জীৱন নাশ কৰিম ।

দিলীৱৰ্মা—আহাঁ এতিয়া, সেইটো পাছে দেখা যাব ।

[ পালিত আৰু দিলীৱৰ প্ৰস্থান । ]

গুৰু—কি আচৰিত ! কথাই কথাই ইমান হব বুলি নাভাবিছিলোঁ।

[ প্ৰস্থান । ]

## চতুৰ্থ দৰ্শন

### প্ৰমোদ উদ্যান

[ ৰাণী আৰু বৈদ্য । ]

ৰাণী—বৈদ্য, মই কৈ পঠিওৱা দৰববোৰ আনিছানে ?

বৈদ্য—হয় মহাৰাণী, আপোনাৰ আদেশ মতে মই সেইবোৰ তৈয়াৰ কৰি আনিছো । ( এটা সৰু পেৰা দিয়ে )

কিন্তু দোষ নধৰিব, এটা কথা সোধোঁ । কি বাবেনো আপুনি এই তীব্ৰ বিষবোৰ আনিব দিছে, যাক পৰমাণু এটিৰ পৰিমাণে খালেও মানুহৰ জীৱনৰ আশা নাথাকে ।

ৰাণী—তোমাৰ কথা শুনি মই বৰ আচৰিত হলোঁ । তোমাৰ ওচৰত মই ছাত্ৰীৰূপে ইমান দিন কিমান বিষয় শিকিলোঁ, পাহৰিলা নেকি ? তোমাৰ গুৰিতে বহু বিধ তেল আৰু আঁতৰ কৰিব শিকা নাইনে ? যাৰ বাবে ৰজাই মোক এতিয়াও প্ৰশংসা

আৰু আদৰ সাদৰ কৰে। তুমি সেই দৰববোৰৰ শক্তি মই প্ৰথমে কুকুৰ মেকুৰীবোৰৰ ওপৰত পৰীক্ষা কৰিম তাৰ পাছে ইয়াৰ প্ৰতিকাৰৰ চেষ্টা কৰিম।

বৈদ্য—মহাৰাণী, এইবোৰ নিষ্ঠুৰ কাম কৰি আপোনাৰ হৃদয় কঠোৰ কৰিব খুজিছে মাথোন আৰু নিৰীহ প্ৰাণীবোৰৰ ভীষণ মৃত্যু দৃশ্য দেখি কিনো আনন্দ পাব খুজিছে?

ৰাণী—এই বিষয়ত তোমাৰ মূৰ ঘমাবৰ কোনো আৱশ্যক নাই। ভাল বেয়া বুজিবলৈ মোৰ যথেষ্ট শক্তি আছে। (স্বগত) সৌৱা ৰঘুপতিৰ শত্ৰু পালিতৰ বিশ্বাসী ভৃত্য আহিব লাগিছে। ইয়াৰ ওপৰতে এইতীব্ৰ বিষবোৰৰ শক্তি পৰীক্ষা কৰিম। [চন্দনৰ প্ৰবেশ।] কোন অ'? চন্দন? বৈদ্য, তুমি এতিয়া যাব পাৰা।

বৈদ্য—(স্বগত) মহাৰাণী, তোমাক হলে মই অলপ অবিশ্বাস কৰোঁ। কিন্তু যেনে-কুকুৰ তেনে টাঙোন দিম। বিহ নোহোৱা সাপৰ দৰে তোমাৰো কামোৰে কাৰো অন্যায় নকৰিব।

ৰাণী—চন্দন, এটা কথা শুন।

চন্দন—কি কথা মহাৰাণী? (স্বগত) আজিচোন মোৰ প্ৰতি এওঁৰ বৰ অনুগ্ৰহ!

বৈদ্য—(স্বগত) এওঁক হলে মই বৰ ভাল পোৱা নাই। "শঠে শাঠ্যং সমাচাৰেৎ।" তুমিও যেনে ময়ো তেনে। তোমাৰ মনৰ ভাৱ হলে মই অলপ গম পাইছোঁ। তুমি ভাবিছা সেইবোৰ বৰ বিষাক্ত দৰব, কিন্তু সি নহয়, ইয়াক খালে এপৰ মানলৈ মাথোন মানুহ জন নিতত হৈ থাকিব, তাৰ পাছত কিন্তু

আগতকৈও ভালহে হব। শৰীৰৰ সকলো কষ্ট নোহোৱা কৰিব। এনেকুৱা নিৰ্দ্দয় মানুহক বিশ্বাস কৰি তেনে তীব্ৰ বিষ দিয়া উচিত নহয়। অৱশ্যে কুকুৰ মেকুৰীৰ ওপৰত এই বোৰৰ শক্তি পৰীক্ষা কৰিব, কিন্তু লাহে লাহে যে মানুহৰ ওপৰত হাত নিদিব তাৰেই বা নিশ্চয়তা কি ?

ৰাণী—বৈদ্য, এতিয়া যোৱা। আৱশ্যক হলে মতাই আনিম।

বৈদ্য যি আদেশ মহাৰাণী। [ বৈদ্যৰ প্ৰস্থান। ]

ৰাণী—তাৰাই এতিয়াও পালিতৰ কথাকে ভাবি আছেনে ?

চন্দন—হয় মহাৰাণী।

ৰাণী—তই যদি তাৰাই ৰঘুপতিক বিয়া কৰোৱা কৰি দিব পাৰ, তেনেহলে মই তোক ৰাজ্যৰ ভিতৰত এজন গণ্যমান্য মানুহ কৰি দিম। তই জান ৰজা মোৰ হাতৰ মুঠিত, দুদিনৰ পাছত ৰঘুপতি ৰজা হব, মই যি ইচ্ছা তাকে কৰিব পাৰোঁ। তই যদি এইটো কাম কৰিব পাৰ তেনেহলে তোক পালিততকৈও গণ্যমান্য কৰিম। পালিতে তোৰ কি উপকাৰ কৰিব ? সি নিজেই নিৰ্ব্বাসিত, বাটৰ ভিকহু। উভটি অহাৰ কোনো আশা নাই। আহিলেও প্ৰাণদণ্ড। [ ৰাণীয়ে দৰবৰ পেৰাটো মাটিত পেলাই দিয়ে আৰু চন্দনে তুলি লয়। ]

ল, কিন্তু কেনে বহুমূলীয়া বস্তু তাৰ ভিতৰত আছে তই নাজান। এই দৰব মই নিজেই তৈয়াৰ কৰিছোঁ, গুণত ই অমৃতৰ দৰে। ইয়াৰ বলতে ৰজাই পাঁচ বেলি মৃত্যুৰ মুখৰ পৰা সাৰিছে। [ চন্দনে দুৰাই দিব খোজে ] ল, ইয়াতকৈও ভৱিষ্যতে ভাল বস্তু পাবি। তই তাৰাক ভালকৈ বুজাই দিবি যে এতিয়া তাইৰ পক্ষে ৰঘুপতিক বিয়া কৰোৱাই মঙ্গল।

ভৱিষ্যতে তাইৰ জীৱনত বহু সুখ হব তাকো তাইক ভালকৈ বুজাই দিবি। কিন্তু মই কব দিয়া বুলি নকবি। তাই মোক ভাল নাপায়, তই নিজ বুদ্ধিৰে কোৱাকৈ কবি। বাক, এতিয়া যা।

[ চন্দনৰ প্ৰস্থান। ]

ৰাণী—ধূৰ্ত্ত শিয়াল, যা তই সোণকালে সুখৰ সপোন চিৰকাললৈ চাগৈ। তই মৰিলে তাৰাৰ আৰু বিশ্বাসী ভৃত্য এই ৰাজপুৰীত নাথাকিব। মই বহু চেষ্টা কৰিও তোক আঁতৰ কৰিব পৰা নাছিলোঁ বাৰু যমেই তোক হাত কৰিব। তই গলে লাহে লাহে তাই পালিতকো পাহৰিব। [ প্ৰস্থান। ]

## পঞ্চম দৰ্শন

### তাৰাৰ শোৱনি ঘৰ

[ তাৰা। ]

তাৰা—কিমান নো কষ্ট সহিম ? বিমাতা নিৰ্দ্দয়, পিতা বিৰূপ। যদিও গুপুতে পালিতৰ লগত মোৰ বিয়া হৈছে, তথাপি নৃপ ৰঘুপতিয়ে তালৈ বিয়া সোমাবৰ বাবে মোক বিৰক্ত কৰিব লাগিছে। পালিত, পালিত, হৃদয়েশ্বৰ ; তুমি নিৰ্ব্বাসিত ! তোমাৰ নিৰ্ব্বাসনেই সদায় মোৰ বুকুখন তুঁহ জুইৰ দৰে পুৰিব লাগিছে। যদি ভাই দুজনৰ দৰে সৰুতে মোকো চুৰ কৰি নিলেহেঁতেন, তেন্তে আৰু ইমান কষ্ট সহিব নালাগিলহেঁতেন। কিন্তু, সকলো বিধিৰ বিধান। বৰ দুখীয়া হলেও সেইবোৰ মানুহেই সুখী, তাৰ সদিচ্ছা যথা সময়ত পূৰ্ণ হয়—এওঁনো কৰ মানুহ ?

[ দিলীৰখাঁ আৰু চন্দনৰ প্ৰবেশ। ]

চন্দন---আইদেউ, এওঁ দিল্লীৰ এজন সম্ভ্ৰান্ত মানুহ, দেউতাৰ এখন চিঠি লৈ আহিছে।

দিলীৰ—ৰাজকুঁৱৰী, চিন্তা দূৰ কৰক। প্ৰিয়বন্ধু পালিত নিৰাপদে আছে আৰু এয়া চিঠি দিছে। ( চিঠি দিয়ে )

তাৰা— ডাঙৰীয়া, বৰ সুখী হলোঁ। চিঠি পঢ়ে )

দিলীৰ--( স্বগত ) এনেকুৱা সুন্দৰীতো আৰু কতো দেখা নাই। এওঁৰ বাহ্যিক সৌন্দৰ্য্য যেনে অনুপম পৱিত্ৰ, অন্তৰো যদি তেনে হয়, তেনেহলে এৱেঁই স্বৰ্গৰ অপ্সৰা, আৰু ময়ো বাজিত বাটিলোঁ। দুঃসাহ ! এতিয়া মোঁৰ সহায় হ। পাপ! ভৱিৰ পৰা মূৰলৈ মোক আগুৰি ধৰ। যদিও মনোবাঞ্ছা সিদ্ধি হোৱাৰ আশা নাই তথাপি চেষ্টা কৰাত দোষ কি ? এনেয়ে পলাই যোৱাতকৈ যুদ্ধত প্ৰাণ দিয়াই শ্ৰেয়।

তাৰা—ডাঙৰীয়া, পালিতে আপোনাৰ বিষয়ে লিখিছে। "এওঁ এজন দিল্লীৰ সম্ভ্ৰান্ত মানুহ, আৰু ৰাজ কৰ্ম্মচাৰী। বহু দয়াৰ বাবেই মই তেওঁৰ ওচৰত ঋণী। মোৰ কথা মনত কৰিও এওঁৰ লগত ভাল ব্যৱহাৰ কৰিবা"। ডাঙৰীয়া, আপোনাৰ মই কি কৰিব পাৰোঁ ?

দিলীৰ—ৰাজকুঁৱৰী, আপোনাৰ অনুগ্ৰহৰ বাবে মই ঋণী। ( মনে মনে ) মানুহবোৰ পগলা নেকি ? প্ৰকৃতিয়ে কেৱল এওঁৰ মাধুৰ্য্য উপভোগ কৰিবৰ কাৰণেহে এই চকু দিছেনে ? কি আচৰিত ! সেই চকুৰে হলে কোনটো ভাল কোনটো বেয়া ঠিক কৰিব নোৱাৰি।

তাৰা— ডাঙৰীয়া, কি ভাবিছে ?

দিলীৰ—সেই মানুহবোৰে ঘৃণিত অদম্য উপভোগ ইচ্ছা শক্তিত অভিভূত হৈ ৰাজহংসক এৰি কাউৰীৰ সঙ্গসুখ উপভোগ কৰিবৰ নিমিত্তে ব্যস্ত হয়।

তাৰা—আপোনাৰ গা ভাল ?

দিলীৰ—চন্দন ! মোৰ ঘৰলৈ গৈ মোৰ লগুৱাটোক লৈ আহাঁগৈ। সি নতুন মানুহ, একোকে নাজানে।

[ চন্দনৰ প্ৰস্থান। ]

তাৰা আপুনি আহোঁতে পালিতক সুখী দেখিছিল নে ?

দিলীৰ—বৰ সুখী ! তাত থকা সকলো বিদেশী মানুহতকৈ তেৱেঁই বেছি সুখী।

তাৰা— কিন্তু ইয়াত হলে তেওঁ সদায় মন মাৰি আছিল।

দিলীৰ—কিনো কম, বাক শুনক। তাত তেওঁৰ এজন বিদেশী সঙ্গী আছে। তেওঁ সদায় তেওঁৰ পত্নীৰ কথা ভাবি ভাবি থাকে। তেওঁৰ তেনে অৱস্থা দেখি পালিতে হাঁহি হাঁহি আমাক কয়, "দেখিছানে এওঁ কেনে অদ্ভুত মানুহ। এওঁৰ কথা ভবিলেই এওঁলৈ মোৰ বৰ পুতৌ হয়। তিৰোতাৰ দুশ্চৰিত্ৰৰ কথা জানিও সদায় ঘৈণীয়েকৰ কথা ভাবি ভাবি সকলো সুখ পৰিত্যাগ কৰা উচিত নহয়। আমি যথা ইচ্ছা উপভোগ কৰিব পাৰোঁ।

তাৰা—মোৰ স্বামীয়ে এনে কথা কবনে ?

দিলীৰ—হয় তেওঁৰ মুখতে এনে কথা শুনো। ৰাজকুঁৱৰী, সচাকৈ কবলৈ গলে ইয়ালৈ আহি যদিও মোৰ হৃদয় আশ্চৰ্য্যৰে পূৰ্ণ হৈছে তথাপি আনফালে পুতৌ নকৰি নোৱাৰোঁ।

তাৰা— কাকনো পুতৌ কৰে ?

দিলীৰ—দুজনক।

তাৰা— আপোনাৰ মনৰ কথা ভাঙি কওক।

দিলীৰ—সুন্দৰী, আপোনাৰ যদি শুনিবলৈ ইমানেই ইচ্ছা, তেনেহলে নিশ্চয় কম। কবলৈকে ইমান কষ্ট কৰি ইমানখিনি বাট

আহিছোঁ। পালিতক পুতৌ কৰোঁ। কাৰণ সি হতভাগাই আপোনাৰ দৰে ৰূপে গুণে অনুপমা তিৰোতাৰ স্বামী হৈও কাউৰীৰ দৰে কুৎসিৎ দুশ্চৰিত্ৰা বেশ্যাৰ প্ৰণয়ত মুগ্ধ। আপোনাকো পুতৌ কৰোঁ—কাৰণ আপুনি জানি শুনিও সেই চৰিত্ৰহীন স্বামীৰ অনুগতা। আপোনাৰ নাই কি? ৰূপ, যৌৱন, ধন মান সকলো আপোনাৰ হাতৰ মুঠিত। যেতিয়াই ইচ্ছা আপোনাৰ মনোবাঞ্ছা পূৰণ কৰিব পাৰে। তেনেকুৱা স্বামীৰ ওপৰত প্ৰতিশোধ লওক। কিয় এনে অমূল্য যৌৱন এনেয়ে দলিয়াই পেলাব? সময় থাকোঁতেই উপভোগ কৰক। আনন্দিত মনে মই আপোনাক প্ৰতিশোধ লোৱাত সহায় কৰিম।

তাৰা—আপুনি কি কৈছে? যদিওবা মোৰ মহান স্বামীৰ ইমান অধঃপতন হৈছে তথাপি তেওঁ মোৰ স্বামী—মই তেওঁৰ দাসী। দাসী হৈ স্বামীৰ ওপৰত কি উপায়ে প্ৰতিশোধ ল'ম।

দিলীৰ—শুনা তেন্তে সুন্দৰী। তোমাৰ স্বামী যেতিয়া তোমাক পাহৰি ঘৃনিত বেশ্যাত অনুৰক্ত হৈছে, তুমি কিয় তেওঁৰ অনুগতা থাকিবা? প্ৰকৃতিয়ে যৌৱন উপভোগ কৰিবলৈ দিছে, দলিয়াই পেলাব দিয়া নাই। যৌৱন শেষ হলে বৃদ্ধ কালত উপভোগ শক্তি নাথাকিব। কিয় তোমাৰ এই গোলাপ ফুলৰ দৰে সুকোমল জীৱন বৃথাই নষ্ট কৰিবা। আহাঁ সুন্দৰী, আলিঙ্গন দিয়া! এই উপায়েৰে তোমাৰ স্বামীৰ ওপৰতো প্ৰতিশোধ লবা, নিজৰ ৰূপ বাশিৰো সদ্ব্যৱহাৰ কৰিবা, লগে লগে অপদাৰ্থ এই প্ৰাণীকো কৃতাৰ্থ কৰিবা।

তাৰা—দূৰ হ নৰাধম! দূৰ হ পিশাচ! তোৰ ইমান সাহ। হায় বিধাতা, সি জন্মত অভাগিনীয়ে কি পাপ কৰিছিল যে, তাৰ

বাবে এই ঘৃণিত কুকুৰৰ কথা শুনি নিজক কলঙ্কিত কৰিলোঁ। চন্দন! চন্দন! ৰ নৰাধম! এতিয়াই ইয়াৰ উপযুক্ত শাস্তি পাবি। গহ্বৰত আহি নিদ্ৰিত সিংহিনীক জগালি। পিতাৰ আগত কৈ নিশ্চয় তোক ইয়াৰ উপযুক্ত শাস্তি দিয়াম। তোৰ মুখ দেখিলেও পাপ হয়। ধূৰ্ত্ত, নাজাননে হিন্দু ৰমণীৰ স্বামীয়েই সৰ্ব্বস্ব, সতেই হওক, অসতেই হওক তেওঁক এৰি আনক সেৱা নকৰে। [ যাব খোজে। ]

দিলীৰ—( আঠুকাঢ়ি ) ৰাজকুঁৱৰী, ক্ষমা কৰক। আপোনাৰ মনৰ ভাব আৰু মোৰ বন্ধু পালিতৰ প্ৰতি আপোনাৰ অনুৰাগ জানিবৰ বাবেহে আজি এই পৰীক্ষা কৰিলোঁ। আজি আপোনাৰ নিচিনা সতীৰ মুখ দেখি মোৰো পুণ্য হল। পালিত ধন্য তুমি। বন্ধু, এইখিনিতে তোমাৰ ওচৰত হাৰ মানিলো। এনে পত্নী সকলোৰে ভাগ্যত নিমিলে। আপুনিয়েই তেওঁৰ যোগ্য পত্নী। আপোনাৰ পেট পাবলৈহে মই এইখিনি মিছা কথা কলোঁ। তেওঁৰ চৰিত্ৰ নিষ্কলঙ্ক। ৰাজকুঁৱৰী, মোৰ অপৰাধ মাৰ্জ্জনা কৰিব।

তাৰা—বিদেশী! সতী ৰমণীৰ সন্মুখত পৰীক্ষা কৰিবলৈ হলেও এনে কথা কোৱা অনুচিত। তোমাক মই মোৰ স্বামীৰ বন্ধু বুলি মাৰ্জ্জনা কৰিলোঁ, নহলে ইয়াৰ সমুচিত দণ্ড পালেহেঁতেন।

দিলীৰ—ৰাজকুঁৱৰী, শান্ত হওক। আপোনাৰ স্বামীৰ কথা কি কম? ৰূপেগুণে তেওঁ যেনিবা এজন শাপভ্ৰষ্ট দেৱকুমাৰহে। তেওঁৰ নিচিনা সুপুৰুষ সহজতে পোৱা নাযায়। তেওঁক মই ভাইৰ দৰেহে মৰম কৰোঁ, সেই নিমিত্তেই আপোনাক পৰীক্ষা কৰিলোঁ। মোৰ মনৰ সঙ্গ ইচ্ছালৈ চাই যেন অপৰাধ যেন মাৰ্জ্জনা কৰে।

তাৰা—বাৰু, যি হল হল, সেই বিষয়ে আৰু একোকে নকব। আপোনাৰ মই কি উপকাৰ কৰিব পাৰোঁ ?

দিলীৰ—( অলপ ভাবি স্বগত ) বাৰু আন উপায়ে পৰীক্ষা কৰি চোৱা যাওক। ( প্ৰকাশ্যে ) ঠিক মনত পৰিল। পাহৰিছিলোঁৱেই।

তাৰা—কি ?

দিলীৰ—মোৰ হাতত এটি বৰ বহুমূলীয়া বস্তু আছে। সেইটো আমি মোগল বাদশ্বাকে নজৰ দিওঁ বুলি আনিছো। তাত আপোনাৰ স্বামীৰো যোগ আছে। যদি অনুগ্ৰহ কৰি আপুনি বস্তুটি থৈ দিয়ে তেন্তে নিশ্চিন্ত হব পাৰিলোহেঁতেন।

তাৰা—আদৰেৰে ৰাখিম। মোৰ স্বামীৰো অংশ আছে। মোৰ শোৱনি ঘৰত থৈ দিম।

দীলিৰ—( স্বগত ) তেনেহলে নিশ্চয় কাৰ্য্য সিদ্ধি হব। ( প্ৰকাশ্যে ) মই এজন বন্ধুৰ ঘৰত থাকিম। পেৰাটো লগুৱাটোৰ হাতত দি পঠাওঁগৈ। কালিপুৱাই ইয়াৰ পৰাই যাম। পালিতলৈ কিবা চিঠি দিয়ে যদি লিখি থব।

তাৰা—কালিপুৱাই আপোনাৰ ওচৰলৈ চন্দনৰ হাতত দি পঠাম।

দিলীৰ—তেন্তে এতিয়া আহোঁহে। [ প্ৰস্থান। ]

তাৰা—আজি বহুত দিনৰ মূৰত স্বামীৰ খবৰ পাই বৰ সুখ পালোঁ। কিন্তু মানুহজনৰ দুষ্ট অভিপ্ৰায় দেখি বিচুৰ্তি হৈছোঁ, ইয়ে বোলে পালিতৰ বন্ধু। প্ৰকৃত বন্ধুনে? ইয়াৰ ওপৰত সন্দেহ জন্মিছে। পালিতৰতো একো অমঙ্গল হোৱা নাই। প্ৰাণেশ্বৰ! কেতিয়া তোমাক দেখা পাম? এই ৰাজপুৰীতনো আৰু কিমান কষ্ট সহিম ?

ঐক্যতান

# দ্বিতীয় অঙ্ক

## প্ৰথম দৰ্শন

### আলিবাট

[ ৰঘুপতি আৰু দুজন বিষয়া। ]

ৰঘু—মই তাচেই খেলোঁ বা পাশাই খেলোঁ, জুৱা খেলাত জিকোৱেই বা হাৰোঁৱেই, তাত এই কুকুৰবোৰৰ কি হল? সিইঁতৰতো বাপেকৰ ঘৰৰ সম্পত্তি নষ্ট কৰিবলৈ মই যোৱা নাই?

১ম বিঃ—হয় ডাঙৰীয়া, তাত আপোনাৰ ন্যায্য অধিকাৰ আছে। ইইঁতকনো কোনে এই বিষয়ে মুখৰ খজুৰতি মাৰিব দিছে?

২য় বিঃ—(স্বগত) কাৰ ঘৰৰনো সম্পত্তি নষ্ট কৰিবলৈ গৈছে, নিজৰ ভিনিহীয়েকৰ ঘৰৰহে তেও। এওঁৰ তাৰ ওপৰত নায্য অধিকাৰ আছে। এনেয়ে জানো ভনীয়েকজনীক মহাৰাজলৈ দিছে?

ৰঘু—কি জঞ্জাল! মই বৰ উচ্চ বংশৰ। মোৰ ভনীজনী হল মহাৰাণী। তেওঁক ভয় কৰি কোনেও মোৰ লগত যুঁজ কৰিবলৈ সাহ নকৰে। হায়! সম্ভ্ৰান্ত হোৱা বৰ দুখৰ কথা। মই কাৰো লগত যুঁজ কৰিব নোৱাৰাও হলোঁ। তৰোৱাল দাঙিলেই পলায়। মোৰ তৰোৱাল এতিয়া খাপতে মামৰে ধৰিব। মই ইমান সম্ভ্ৰান্ত নোহোৱা হলে ইইঁতক এটা এটা কৰি বৈতৰিণী পাৰ কৰালোহেঁতেন।

১ম বিঃ—হয় ডাঙৰীয়া, সম্ভ্রান্ত হোৱা বৰ দুখৰ কথা। আমাৰ সৌভাগ্য যে আমি সম্ভ্রান্ত নহলোঁ।.

২য় বিঃ– (স্বগত) সেই বাবেইতো তুমি ইমান দিনে তোমাৰ সেই মগজু নোহোৱা গোবৰেৰে ভৰা মূৰটো ভাৰ বৈ কষ্ট পাব লাগিছা।

ৰঘু—কি ভাবিছা?

২য় বিঃ—কিনো ভাবিম? অপোনাৰ দুৰবস্থাৰ কথাকে ভাবিছোঁ। কিন্তু সকলোৰে ওপৰত তৰোৱাল দাঙি নিজৰ অৱমাননা কৰা উচিত নহয়।

ৰঘু— মই মোৰ তলতীয়াবোৰক অপমান কৰা মোৰ কৰ্ত্তব্য। নহলেনো মোৰ বাহাদুৰী থাকিল কত?

২য় বিঃ—(স্বগত) কি বিবেচনা! (প্রকাশ্যে) হয় ডাঙৰীয়া, সেইটো আপোনাৰেই কৰ্ত্তব্য। আপোনাৰ দৰে উৰ্ব্বৰ মগজুত হে এনে কথা খেলায়। আমাৰ ভেবাবাগসকলৰ হলে সাত দিন সাত ৰাতি মূৰ খজুৱাই ভাবিলেও এনে কথা মনত নপৰে।

১ম বিঃ—শুনিছো বোলে দিল্লীৰ পৰা এজন সম্ভ্রান্ত মানুহ আহিছে। ডাঙৰীয়া, কিবা কব পাৰেনে?

ৰঘু— ক'ৰ পৰা কোন মানুহ আহিল সেইবিলাক ৰাণীৰ ভায়েকৰ আৱশ্যক কি?

১ম বিঃ—তেওঁ বোলে পালিতৰ বন্ধু, সেই বাবেহে সুধিলোঁ।

ৰঘু সেই কুকুৰৰ বন্ধু। ইও নিশ্চয় তাৰ লগৰে এটা কুকুৰ। আপোনাকনো কোনে খবৰ দিলে?

১ম বিঃ—এজন দূতৰ মুখত শুনিলো।

ৰঘু—বাৰু আপোনালোকক এটা কথা সোধোঁ। ৰাণীৰ ভায়েকৰ পক্ষে জানো ইয়াৰ লগত দেখা কৰা অপমানজনক নহব?

১ম বিঃ—সহজে নহয়।

ৰঘু — ময়ো তাকেই ভাবোঁ।

২য় বিঃ—(স্বগত) তই নিজেই মূৰ্খ, তোৰ কামবোৰো যুক্তিহীন। তাত আৰু ভাল বেয়া কি আছে?

ৰঘু —তাক দেখা কৰাই উচিত, আপোনাসকলো আহক।

[ সকলোৰে প্ৰস্থান। ]

## দ্বিতীয় দৰ্শন

### শোৱনি ঘৰ

[ তাৰা শুই থাকে, দিলীৰ খাঁ লাহে লাহে পেৰাৰ পৰা ওলাই আহে। ]

দিলীৰ—খোদাৰ মেহেৰবানীত মনৰ ইচ্ছা পূৰ্ণ হল! সুন্দৰী! এতিয়াতো তুমি মোক বাধা দিব নোৱাৰিবা। [ তাৰাৰ ফালে আগুৱাই আৰু বিস্ময়েৰে উলটি আহে। ] জীৱনত বহুতো বেয়া কাম কৰিলোঁ, কিন্তু কেতিয়াও মন এনে সঙ্কুচিত হোৱা নাই; আজি মোৰ হল কি? প্ৰতিজ্ঞা কৰি আহিছিলোঁ যে বাজিত জিকিম, কিন্তু এওঁৰ ফালে চালে কিয় মোৰ বুকু কঁপি উঠে। এওঁৰ সকলো পবিত্ৰ, মুখত স্বৰ্গীয় জ্যোতি, যেন কোনোবা পৰীৰ আগতহে থিয় দি আছোঁ; যি ভাব লৈ আহিছিলোঁ, সকলো মনৰ পৰা আঁতৰি গল. (অলপ পৰ মনে মনে থাকি) এই দৰে থাকি কি হব? পালিতৰ মনত সন্দেহ লগাবলৈ দিহা কৰিব লাগিল। নহলে মই বাটৰ ভিকহু হব লাগিব। এওঁৰ শোৱনি ঘৰটো ভালকৈ চাই লওঁ। এই

ছবিবোৰ কাৰ? এইবোৰেৰে কি হব? এই হাৰডালিয়ে বহুত কাম দিব, ইয়াকে লৈ যাওঁ। [ তাৰাৰ গলৰ পৰা হাৰ সোলোকাই লয়। ] বাঃ বুকুৰ ঠিক মাজতে এটা তিল। বাৰু! এইক কলঙ্কিত নকৰাকৈয়ে কাম 'ফতে' হল। এই হাৰডালিয়ে আৰু এই তিলটোৱেই মোৰ উদ্দেশ্য সফল কৰিব। ইয়াত আৰু বেছি সময় থকা উচিত নহয়। সাৰ পালে সকলো বিফল হব। আকৌ সেই পেৰাতে সোমাওঁ গৈ। [ লাহে লাহে বাকচত সোমায় ]

## তৃতীয় দৰ্শন

### তাৰাৰ শোৱনি ঘৰৰ সম্মুখ

[ ৰঘুপতি। ]

ৰঘু—বেলি দুপৰ হল। এতিয়ালৈকে তাৰাৰ দেখাদেখিয়েই নাই। নাচনীবোৰ এতিয়ালৈকে নাহিল। বাইদেৱে কয় বোলে খং উঠা তিৰোতাক সন্তুষ্ট কৰিবলৈ একমাত্ৰ উপায় হৈছে, সিহঁতক ভাল ভাল গান শুনোৱা, আৰু ভাল ভাল গহনা দিয়া। সেই বাবে এই ৰাজ্যৰ যিবোৰ ভাল নাচনীয়াৰ সিহঁতকে মাতি আনিছোঁ। আহা! নৰ্ত্তকীসকলৰ কেনে সুন্দৰ ৰূপ! কেনে সুন্দৰ গায়। কেনে সুন্দৰ নাচে! লগে লগে প্ৰাণ মতলীয়া কৰি উকৰাই নিয়ে। বাইদেৱে হলে সদায় কয় বোলে তাৰাক বিয়া কৰাব পাৰিলে ৰজা হোৱাৰ আশা আছে। নহলে সিহঁতৰে এজনী বিয়া কৰালোঁহেঁতেন।

[ নাচনীসকলৰ প্ৰবেশ। ]

নাচনী— —গীত—

ৰূপহী, পিয়ালা কি ৰূপ-মদিৰা!
যৌৱনৰ মৌ-পুৰীত
সপোনৰ আলি-জালিত
কিহৰ মোহিনী ৰচিলা?
চৌদিশে দেখোঁ প্ৰিয়া, তোমাৰে ৰূপ ৰাশি
চৌপাশে শুনো মাথোঁ তোমাৰে আকুল বাঁহী
কি ৰাগীত মতলীয়া
হৃদয় বলিয়া
সম্বৰো কিমতে প্ৰিয়া।
হৃদয় উৰুঙা হে যিটি অজীন আশা
যুগে যুগে কান্দি বয় যিটি করুণ ভাষা
সি যে অতৃপ্তি সুমধুৰ
অনন্ত কবিতা সুৰ
জ্বলন্ত অনল শিখা।

[ ৰজা আৰু ৰাণীৰ প্ৰবেশ। ]

ৰজা— কি ৰঘুপতি! অকলে অকলে ইয়াত কি কৰিছা? তাৰা উঠা নাই নেকি?

ৰঘু—তাৰাক এটা গান শুনালো। তেওঁৰ হলে দেখাদেখি-- য়েই নাই।

ৰজা—ভয় নাই। সময়ৰ লগে লগে তেওঁ তোমাৰ হব। পালিতৰ নিৰ্ব্বাসন তাই এতিয়াও পাহৰিব পৰা নাই।

ৰাণী—ৰজাই তোমাক কিমান মৰম কৰে চোৱা, তেওঁ তোমাক কিমান সুবিধা দিছে। হতাশ নহবা, লাহে লাহে তাই

নিশ্চয় তোমাক বৰণ কৰিব। সদায় তেওঁক সন্তুষ্ট ৰাখিবা তোমাৰ ওপৰত খং কৰিলেও তুমি খং কৰা যেন নেদেখুৱাবা।

[ দূতৰ প্ৰবেশ। ]

দূত—মহাৰাজ! মোগল সম্ৰাটৰ দূত ৰামসিংহ ৰাজসভাত উপস্থিত হৈছেহি। মন্ত্ৰীয়ে আপোনাক সংবাদ দিবলৈ পঠাইছে।

ৰজা—এওঁক মই ভালকৈ চিনি পাওঁ। এওঁ ডাঙৰ বংশৰ, বিশেষতঃ মোগল সম্ৰাটৰ দূত। এওঁৰ লগত আমি মোগল বাদশ্বাহৰ মৰ্য্যাদা অনুসৰি ব্যৱহাৰ কৰিব লাগিব। ৰঘুপতি, তাৰাৰ লগত দেখা হলেই তুমি ৰাজসভালৈ আহিবা। মই তোমাৰ ওপৰত তেওঁৰ শুশ্ৰূষাৰ ভাৰ দিলোঁ! এনে গুৰু ভাৰ আনৰ হাতত দি নিশ্চিন্ত হব নোৱাৰিম। আহা ৰাণী। [ ৰজা, ৰাণী আৰু দূতৰ প্ৰস্থান। ]

ৰঘু—তাৰা যদি উঠিছে মই তেওঁৰ লগত কথা হম। যদি নাই উঠা তেনেহলে বাৰু বিছনাত শুই শুই সপোনকে দেখক, মযো অলপ হয়াতে থাকো। এও মোক যেনে ঘিণ কৰে কিজানি নাহেহ। বাৰু এওঁৰ কোনোবা লিগিৰীক অলপ ভেটি-ভুটাদি কিবা উপায় কৰিব পাৰোঁনে নোৱাৰোঁ। চাওঁ। টকাইনো কি কৰিব নোৱাৰে? ইয়াৰ শক্তিতো কম নহয়। ইয়াৰ লোভত বহুত ডাঙৰ মানুহেও কৰ্ত্তব্য পাহৰে, সামান্য লিগিৰীৰ কথা কি? বাৰু এওঁৰ লিগিৰী জনীকে মাতোঁ। ( দুৱাৰত চপাঁৰিয়াই ) লিগিৰী! লিগিৰী!

[ লিগিৰীৰ প্ৰবেশ। ]

লিগি—কোন তুমি?

ৰঘু—লিগিৰী, চিনি পোৱা নাইনে? মই ৰঘুপতি।

লিগি--অ বুজিছোঁ, বুজিছোঁ, নহলেনো ইমান পুৱাই লোকৰ দুৱাৰ মুখত পহৰা দি থাকেনে? কিয়বা মাতিছিল?

ৰঘু---তাৰা উঠিছেনে? তেওঁৰ লগত যদি সাক্ষাৎ কৰাব পাৰা (হাতত টকা গুজি দিয়ে) আৰু দিম।

লিগি—কি মোহৰ! দেউতা, মোক হলে তেনেকুৱা নাভাবিব। সোৱা আইদেউ এই ফাললৈকে আহিব লাগিছে। [ প্ৰস্থান। তাৰাৰ প্ৰবেশ। ]

ৰঘু---ৰাতিপুৱাৰে পৰা ইমান সময় তোমালৈ বাট চাই বহি আছোঁ।

তাৰা---এইখিনি সময় ইয়াত এনেকৈ বহি নকটাই আন সৎকামত ব্যয় কৰিব পাৰিলেহেঁতেন।

ৰঘু—কিন্তু মই হলে তোমাক বৰ ভাল পাওঁ।

তাৰা—কিন্তু মই হলে তোমাক কোনোমতে ভাল পাব নোৱাৰোঁ।

ৰঘু—ই কোনো উত্তৰ নহয়।

তাৰা---তেনেহলে মোৰ আৰু কোনো উত্তৰ নাই। ৰঘুপতি, তোমাক কাবৌ কৰিছোঁ, মোক বিৰক্ত নকৰিবা। তোমাৰ নিচিনা জনা-শুনা মানুহৰ পক্ষে এনে কাম উপযুক্ত নহয়।

ৰঘু--বলিয়াক বলিয়ালি বুজাই দিয়া জ্ঞানীৰ কাম।

তাৰা—মূৰ্খবোৰ জানো বলিয়া নহয়?

ৰঘু--কি! তুমি মোক গালি পাৰিলা?

তাৰা—হয় পাৰিলোঁ। পাগলীৰ সকলোকে গালি পাৰিবলৈ অধিকাৰ আছে। শুনা ৰঘু, তুমিও মোক আমনি নকৰিবা; মইও মোৰ বলিয়ালি এৰি দিম। শেষ কথা কওঁ শুনা, মই তোমাক ভাল নাপাওঁ, আৰু পাবও নোৱাৰোঁ। মানুহে যিদৰে মৰাশ এটাক ঘিণ কৰে মইও তোমাক সেইদৰে ঘিণ কৰোঁ। মোক

আৰু বিৰক্ত নকৰিবা। মই তোমাত কেতিয়াও বিয়া নোসোমাওঁ, কাৰণ পালিতেই মোৰ পতি। তেওঁৰ লগত মোৰ গন্ধৰ্ব্ব বিবাহ হৈ গৈছে।

ৰঘু – গন্ধৰ্ব্ব বিবাহ! সি আগৰ দিনৰ কথা। আজিকালি তাৰ প্ৰচলন নাই। এতিয়াও সময় আছে, মোক বিয়া কৰাই তোমাৰ বুঢ়া পিতাৰক সন্তুষ্ট কৰা। কিয় পিতাৰৰ অবাধ্য হোৱা? পালিত তোমাৰ যোগ্য নহয়। সি ভিকহ তোমাৰ পিতাৰৰ অন্নদাস, জানাইচোন। তাৰ জন্ম, তাৰ বাপেক মৰাৰ পাহত। যাৰ বাপেকৰেই ঠিক নাই, সি জানো তোমাৰ উপযুক্ত? সি জানো জয়পুৰৰ ৰাজসিংহাসনৰ উপযুক্ত?

তাৰা—পিশাচ! দূৰ হৈ যা। এনে কথা যদি আৰু কৱ, তেনেহলে তোৰ সেই কথা কোৱা মুখত মই বাওঁ ভৰিৰে লতিয়াম। তেওঁ স্বৰগৰ দেৱতা, তই নৰকৰ কীট। তোৰ কি বংশ মৰ্য্যাদা! তেওঁৰ বাওঁ ভৰিৰ নখো মোৰ মনত তোৰ দৰে শত শত ৰঘুপতিতকৈ শ্ৰেষ্ঠ। [চন্দনৰ প্ৰবেশ।]

কি চন্দন?

ৰঘু— বাওঁ ভৰিৰ নখ! ইমান অপমান?

চন্দন—আইদেউ, কি হৈছে? কিয় এনে খং কৰিছে?

তাৰা—চন্দন, এই অধমমূৰ্খটোৱে মোক বৰ বিৰক্ত কৰিব লাগিছে। তই মোৰ নিগিবীহতক মোৰ হাৰডাল ভালকৈ বিচাৰিবলৈ দে গৈ। কত হেৰুৱালোঁ, একো কব নোৱাৰোঁ। মোৰ মনত পৰে, ৰাতিও সেইডালি মোৰ ডিঙিত আছিল। পুৰাও দেখোঁ দেখোঁ যেন মনত পৰে। যাবৰ সময়ত মোক সেই ডালি পালিতে দিছিল।

চন্দন—ৰাজপুৰীৰ পৰা কোনে নিব ? কৰবাত পৰি থাকিব পায়। বাৰু মই ভালকৈ বিচাৰি চাওঁগৈ। [ প্ৰস্থান । ]

ৰঘু—তুমি মোক অপমান কৰিছা ? বাওঁ ভৰিৰ নখৰ লগত তুলনা কৰিছা ?

তাৰা—হয়, তোমাক অপমান কৰিছোঁ। গোচৰ কৰিব খোজা যদি মই তোমাৰ পক্ষে সাক্ষী হ'ম।

ৰঘু—মই তোমাৰ পিতাৰৰ আগত কৈ দিমগৈ।

তাৰা—কেৱল পিতাৰ আগত কিয় ? মোৰ ৰঘৰৰ মাহীআইৰ আগতো কবা গৈ। এতিয়া তেনেহলে মই আহোঁহে। তোমাৰ সেই দিগ লগা মুখখনি দেখুৱাই যেন মোক আৰু আমনি নকৰা। [ প্ৰস্থান। ]

ৰঘু—ইয়াৰ প্ৰতিশোধ লব লাগিব। ইমান অপমান! বাৰু দেখিম। [ প্ৰস্থান। ]

## চতুৰ্থ দৰ্শন

### গুৰুদয়ালৰ ঘৰ

[ পালিত আৰু গুৰুদয়াল। ]

পালিত—বন্ধু, একো ভয় নকৰিবা। ধূৰ্ত্ত দিলীৰ খাই কোনো উপায়ে তেওঁৰ সতীত্ব হৰণ কৰিব নোৱাৰে। তেওঁৰ সতীত্বৰ ওপৰত মোৰ যিমান বিশ্বাস যদি ৰজাৰ সন্তোষৰ ওপৰতো তেনে হলহেঁতেন।

গুৰু— তেওঁক সন্তুষ্ট কৰিবলৈনো কি দিহা কৰিছা ?

পালিত—কি দিহা কৰিম ? বোধকৰোঁ সময়ৰ লগে লগে মোৰ ওপৰত তেওঁৰ ক্ৰোধ দূৰ হব। যদি নহয় তেনেহলে কি কৰিম ? মোৰ কপালৰ দোষ।

গুৰু — ইমান দিনে চাগৈ মোগলৰ ৰাজদূত ৰামসিংহ আপোনালোকৰ ৰাজধানী পাইছেগৈ। আপুনিনো কি ভাবে ? ৰণকে কৰিব নে কৰ দি মোগলৰ কৰতলীয়া হৈয়ে থাকিব ?

পালিত—আমাৰ সৈন্যবোৰ যেনে নতুন শিক্ষাৰে শিক্ষিত, ৰজা আৰু প্ৰজা যেনে স্বাধীনতা-প্ৰিয়, সেনাপতি যেনে কৰ্ম্মদক্ষ ৰজাই যে পুনৰায় সম্ৰাটক কৰ দি তলতীয়া হৈ থাকিব, তেনেকথা হলে মোৰ মনে নধৰে। সম্ভৱ যুদ্ধ হব।

গুৰু— সৌৱা দিলীৰ খাঁ আহিছেই। [ দিলীৰ খাঁৰ প্ৰবেশ। ] বন্ধু, তোমাৰ মঙ্গলনে ?

পালিত—বন্ধু, তুমি বৰ সোণকালে আহিলা। আশা কৰোঁ তোমাৰ ঘৃণিত উদ্দেশ্য সিদ্ধি নোহোৱাৰ বাবেই আমি ইমান সোণকালে তোমাক দেখা পালোঁ।

দিলীৰ—বন্ধু, তোমাৰ প্ৰণয়িনীয়ে হলে ৰূপত মই দেখা সকলো তিৰোতাকে চেৰ পেলাইছে।

পালিত—আশা কৰোঁ গুণতো ?

দিলীৰ—এয়া তোমাৰ চিঠি। ( চিঠি দিয়ে। )

পালিত—বোধকৰোঁ ইয়াৰ মৰ্ম্ম ভাল ? ( চিঠি পঢ়ে। )

দিলীৰ—আশা কৰোঁ।

গুৰুদঃ—তুমি তাত মোগল ৰাজদূতক লগ নাপালানে ?

দিলীৰ—ৰাজধানী পোৱাগৈ নাই।

পালিত—(হাতৰ আঙঠি খুলি লৈ) দিলীৰ খাঁ, খবৰ কি ? এই আঙঠি তোমাৰ নে মোৰ ?

দিলীৰ—মোৰ।

পালিত—ঠাট্টা নকৰিবা, ইয়াক লাভ কৰা তেনে সহজ নহয়।

দিলীৰ—নহয় কিয় ? তোমাৰ তিৰুতা যিমান সহজ।

পালিত—ই ধেমালিৰ সময় নহয়। দিলীৰ! বোধকৰো আমাৰ বন্ধুত্ব ইমানতে চিঙিব।

দিলীৰ কেতিয়াও নহয়, যদি পূৰ্ব্বপ্ৰতিজ্ঞা অনুসৰি কাম কৰা, মই মোৰ কাৰ্য্য নিৰ্ব্বিঘ্নে সম্পাদন কৰিছোঁ। এতিয়া তুমি তোমাৰ প্ৰতিজ্ঞা পূৰণ কৰিবলৈ সাজু হোৱা।

পালিত—অসম্ভৱ। বাৰু যদি তুমি তেওঁৰ প্ৰণয় লাভ কৰাৰ বিশেষ প্ৰমাণ দিব পাৰা, তেনেহলে এই আঙঠি তোমাৰ, যদি নোৱাৰা তেন্তে মোৰ পত্নীৰ ওপৰত তোমাৰ অসৎ অভিপ্ৰায় আৰু চৰিত্ৰত কলঙ্ক আৰোপ কৰাৰ বাবেও প্ৰাণ নাশ কৰিম। তুমি নিশ্চয় জানিবা এই সংসাৰত আৰু আমাৰ দুয়ো জনৰে একেলগে ঠাই নাই।

দিলীৰ—যথেষ্ট প্ৰমাণ দিম। কেনে প্ৰমাণ দিলে তোমাৰ বিশ্বাস হব ? বাৰু শুনা—তোমাৰ তাৰাৰ প্ৰত্যেক শোৱনি ঘৰৰ প্ৰত্যেক খিড়িকি আৰু দুৱাৰৰ ওপৰত আগ্ৰাত তৈয়াৰী বহুমূলীয়া পৰ্দ্দাবোৰ আছে আৰু—

পালিত—এনেকুৱা প্ৰমাণে কোনো কাম নিদিব। এইবোৰ তুমি মোৰ মুখত বা আন কাৰো মুখত শুনিব পাৰা।

দিলীৰ—তেওঁৰ শোৱনি ঘৰৰ প্ৰত্যেক দেৱালৰ ওপৰত সীতা-সাবিত্ৰী আদি সতীসকলৰ চিত্ৰ অঙ্কিত আছে।

পালিত—ই অতি সামান্য কথা।

দিলীৰ—ধৰা ভেন্তে। চোৱা ( কাপোৰৰ তলৰ পৰা এডালি হাৰ উলিয়াই দিয়ে ) কি! মুখ শেঁতা পৰিল যে? এইডালি হাৰকে তোমাৰ পত্নী য় আহিবৰ সময়ত মোৰ ডিঙিত প্ৰণয়ৰ চিন স্বৰূপে পিন্ধাই দিছিল। ( ঠাট্টা কৰি ) এই হাৰডালিৰ লগতে তোমাৰ সেই আঙঠিটি বিয়া দিম। কেনে, সুন্দৰ, হবনে?

পালিত—হায় বিধাতা! চাওঁ আৰু এবাৰ চাব দিয়া। এইডালিকে আহিবৰ সময়ত মই তাৰাৰ ডিঙিত পিন্ধাই দিছিলোঁ নহয়নে?

দিলীৰ—মোৰ কপাল বৰ ভাল, এতিয়াও তেওঁক মোৰ মনত পৰে। আহিবৰ সময়ত কান্দি কান্দি এই হাৰডালি মোৰ ডিঙিত পিন্ধাই দি কৈছিল, "এই হাৰডালি এসময়ত মোৰ আদৰৰ বস্তু আছিল, কিন্তু সি অতীতৰ কথা, এতিয়া আৰু মোৰ এই বস্তুৰ ওপৰত মোহ নাই। মই বৰ ভাগ্যৱতী যে আপোনাৰ নিচিনা উপযুক্ত পাত্ৰক উপহাৰ দিবলৈ পালো, অধিনীক যেন চিৰ দিনলৈ মনত ৰাখে।"

পালিত—সাৱধান মোগল! ফাঁকি নিদিবা; কিজানি তেওঁ এইডালি মোলৈ পঠিয়াই দিছে।

দিলীৰ—( বিদ্ৰূপ কৰি ) হবও পাৰে, তোমাৰ চিঠিত জানো সেই বিষয়ে কিবা লিখিছে?

পালিত—নাই; তোমাৰ কথাত মই সম্পূৰ্ণ বিশ্বাস কৰিছোঁ। সঁচা—তুমি যি কৈছা সকলো সঁচা—ধৰা, ধৰা এই আঙঠিটোও নিয়া, এতিয়া ই মোৰ পক্ষে বিহৰ তুল্য, দেখিলেই মোৰ হৃদয় ঘৃণাৰে পূৰ্ণ হয়। হায় হায় তিৰোতাক যেন কোনেও

বিশ্বাস নকৰে। সিহঁতৰ সতীত্ব, সিহঁতৰ বিশ্বাস সকলো মিছা, সকলো মৰিচিকাভ্ৰম। উস্ ইহঁতেই অবিশ্বাসিনী!

গুৰুদয়াল—শান্ত হোৱা, এওঁ এই হাৰ চুৰ কৰিও আনিব পাৰে।

পালিত—ঠিক, ঠিক। মোৰ তাৰা কেতিয়াও এনে নহয়। পূবৰ সূৰ্য্য পশ্চিমে উদয় হলেও এনে হব নোৱাৰে। দিয়া, ঠিক প্ৰমাণ দিয়া। এনে প্ৰমাণ দিয়া দিলীৰ, যে মই বিশ্বাস নকৰি নোৱাৰোঁ।

দিলীৰ—চন্দ্ৰ, সূৰ্য্য সকলো সাক্ষী হবা; গছ লতা সকলোৱে শুনিবা; মই কেতিয়াও চুৰ কৰি অনা নাই। (আঙঠিটো পালিতক দিব খোজে)।

পালিত—শুনা গুৰুদয়াল, ঈশ্বৰৰ নাম লৈ শপত খাইছে, নালাগে আঙঠিটো ৰাখা। মই নিশ্চয় জানো ৰাজপুৰীৰ পৰা চুৰ কৰা অসম্ভৱ। তেওঁৰ লিগিৰীবোৰ বৰ বিশ্বস্ত। নিশ্চয় তেৱেঁই এওঁক দিছে। এয়ে তাৰ প্ৰমাণ।

গুৰু—অস্থিৰ হৈছা কিয়? ইয়াৰ দ্বাৰা কেতিয়াও সেইটো প্ৰমাণ হব নোৱাৰে।

দিলীৰ—তেন্তে এনে প্ৰমাণ দিম যাক তুমি বিশ্বাস নকৰি নোৱাৰা। তাৰাৰ বুকুৰ ওপৰত এটা তিলৰ দাগ আছে, মনত আছেনে? লাগিলে শপত খাই কব পাৰোঁ।

পালিত—শপত—নালাগে শপত খাবলৈ, যথেষ্ট হৈছে। যদি তুমি শপত খোৱা তেনেহলে জানিম তুমি মিছা কথা কৈছা আৰু ততালিকে তাৰ প্ৰতিশোধ লিম! উস্!!

দিলীৰ—একো অস্বীকাৰ নকৰোঁ।

পালিত—তাৰা! তাৰা! তই মোৰ সৰ্ব্বনাশ কৰিলি। ইয়াতে গোৱা

হলে তোৰ হাত ভৰি ছিডি শিয়াল কুকুৰক দিলোঁহেঁতেন। উস্! কি কৰিম? কি কৰিলে মোৰ হৃদয় শাঁত হব? কলৈ যাম? জয়পুৰলৈ? অসম্ভৱ! নহয়—অসম্ভৱ নহয়। নহয়,—উস্ বিচাৰিণী, তোক তোৰ পিতাৰৰ আগতে খণ্ড খণ্ড কৰিম। প্ৰতাৰণা! উস্. কি মোৰ প্ৰতাৰণা-- [ বেগেৰে প্ৰস্থান। ]

গুরু—হায় হায় মোৰ বন্ধু পগলা হল। দিলীৰ, তুমিয়েই সকলো অনৰ্থৰ মূল। আহাঁ, বন্ধু কলৈ গল চাওঁ।

[ উভয়ৰে প্ৰস্থান। ]

## পঞ্চম দৰ্শন

### নদীৰ পাৰ

[ পালিত। ]

পালিত—পুৰুষৰ ৰমনী অৰ্দ্ধাঙ্গিনী, নহলেনো সংসাৰৰ সৃষ্টি-প্ৰৱাহৰ আন কোনো উপায় নাইনে? আমি সকলো জাৰজ! কোন মোৰ পিতা? যাক দেৱী স্বৰূপা বুলি ভাবোঁ সেই গৰ্ভধাৰিণী জননীৰ পতিয়েইনে? অথবা মই তেওঁলোকৰ গুপ্ত প্ৰণয়ৰ চিহ্ন মাত্ৰ। তিৰোতাৰ সতীত্ব, তিৰোতাৰ বিশ্বাস, সি মাত্ৰ বায়ুৰোগগ্ৰস্ত কবিৰ কল্পনা। ৰমনী, কিয় তোক বিধাতাই প্ৰকৃতিৰ সুন্দৰ কলঙ্ক কৰি সৃজন কৰিছে? নাৰী, কিয় তোক বিধাতাই এনে ভুবনমোহিনী শক্তি দিলে? তাৰা, তাৰা, তই মোৰ সৰ্ব্বনাশ কৰিলি। তোক সহধৰ্ম্মিনী ৰূপে পাই ভৱিষ্যতৰ কত সুখ, কত আনন্দ আশা কৰিছিলো

কিমান সুখৰ সপোন দেখিছিলো, পাপীয়সী! তই সকলোকে চুৰমাৰ কৰি পেলালি। জীৱনত আৰু মায়া মোহ নাই। সংসাৰ মোৰ পক্ষে মৰুভূমি, হৃদয় শক্তিহীন! শান্তি? কত পাম শান্তি? (অলপ ভাবি) আত্মহত্যা—নহয়, কেতিয়াও নহয় কাপুৰুষৰ দৰে প্ৰাণ নেৰো। প্ৰতিশোধ, প্ৰতিশোধ। তোৰ প্ৰাণ নাশ ভিন্ন মোৰ শান্তিৰ আশা নাই। তোৰ মৃত্যুয়েই শ্ৰেয়ঃ। তই জীয়াই থাকিলে আৰু বহুতৰ অন্যায় কৰিবি মোৰ এই উত্তপ্ত হৃদয়ৰ শোকাগ্নি নুমাবৰ একমাত্ৰ উপায়······তেজ······তেজ·· ···তেজ······তেজ।······

[ পগলাৰ দৰে বেগেৰে প্ৰস্থান। ]

ঐক্য তান

—:০:—

# তৃতীয় অঙ্ক

## প্ৰথম দৰ্শন

### ৰাজসভা

[ মন্ত্ৰী, সভাসদসকল আৰু ৰজা অজয়সিংহ। ]

ৰজা—সভাসদসকল ! তোমালোকে বীৰৰ দৰে যুদ্ধ কৰি জয়পুৰৰ স্বাধীনতা ৰাখিবানে পুনৰায় কৰদি দাসত্ব শৃঙ্খল ডিঙিত পিন্ধিবা ? মই হলে প্ৰাণ থাকে মানে মোগলৰ কৰায়ত্ব নহওঁ। হয় যুদ্ধ কৰি জয়পুৰৰ স্বাধীনতা ৰাখিম নাইবা ৰণভূমিত বীৰৰ দৰে ৰণশয্যাত শয়ন কৰিম।

মন্ত্ৰী—মহাৰাজ ! আপোনাৰ মতেই আমাৰো মত। আমাৰ ৰাজ্য এতিয়া যেনে সুৰক্ষিত, সৈন্যবল যেনে বেছি, প্ৰজাবোৰ যেনে ৰাজভক্ত, মোগলৰ বিৰুদ্ধে যে আমি ৰাজ্য ৰক্ষা কৰিব পাৰিম তাত অলপো সন্দেহ নাই।

সভাসদ—ৰজাৰ মতেই সকলোৰে মত।

[ ৰঘুপতি আৰু ৰামসিংহৰ প্ৰবেশ। ]

ৰজা—আপোনাক দেখি আমি বৰ সন্তোষ পালোঁ। দিল্লীশ্বৰৰ আদেশ কি ?

ৰামসিংহ—মহাৰাজ ! যেতিয়া আপোনাৰ পিতাকৰ দিনত মোগলে জয়পুৰ ৰাজ্য অধিকাৰ কৰে তেতিয়া তেখেতে বছৰি এক লাখ

মোহৰ কৰ দিওঁ বুলি প্ৰতিজ্ঞা কৰিছিল। সেই অঙ্গীকাৰ মতে আপোনালোকে কৰ দি আহিছে। কিন্তু যোৱা বছৰৰ পৰা মহাৰাজে কৰ দিয়া বন্ধ কৰিছে, সেই বাবে প্ৰবল প্ৰতাপশালী ভাৰতেশ্বৰে ইয়াৰ কাৰণ জানিবলৈ পঠিয়াইছে। আৰু সুধিছে যে কৰ দি ৰাজ্যৰ ভিতৰত মিত্ৰতা দৃঢ় কৰিব নে আপোনাৰ সকলো ৰাজ্য তেওঁৰ ক্ৰোধাগ্নিত আহুতি দিব ?

ৰজা---ৰাজদূত ! যেতিয়া মোগলে আমাৰ ৰাজ্য আক্ৰমন কৰে তেতিয়া গৃহবিবাদে আমাক শক্তিহীন কৰিছিল। ভীলবোৰ বিদ্ৰোহী হোৱাত, সিইঁতক দমন কৰোঁতে আমাৰ বহুতো অৰ্থ আৰু সৈন্য নষ্ট হৈছিল, সেই নিমিত্তে মোৰ স্বৰ্গীয় পিতৃদেৱতাই পৰাজয় আশংকা কৰি কৰ দি শাধাই সন্ধি স্থাপন কৰিছিল। কিন্তু ভীলবোৰ আজি আমাৰ হাতৰ মুঠিত, ৰাজ্য-শৃঙ্খলা পূৰ্ণ অসীম সাহসী সৈন্যৰে সুৰক্ষিত। প্ৰজাবোৰ ৰাজভক্ত, প্ৰজাসকলৰ এই পৰাধীনতা শৃঙ্খল ছিঙিবৰ মন, এই বাবে আৰু আমি মোগলক কৰ নিদিওঁ। এই কথাত অসন্তুষ্ট হৈ যদি মোগলে আমাক আক্ৰমণ কৰে, তেনেহলে এইবাৰ ৰাজপুতৰ বীৰত্ব দেখা পাব।

ৰঘু---আমি মোগলক কিয় কৰ দিম ? নিজৰ ঘৰত বহি নিজৰ কষ্টেৰে অৰ্জ্জা ভাত খাম, তাত আকৌ কৰ কিহৰ ? যদি কৰ নিদিয়াৰ বাবে আপোনাৰ বাদশ্যাহে জয়পুৰৰ আকাশৰ পৰা চন্দ্ৰসূৰ্য্য আঁতৰাই নিব পাৰে তেনেহলে তেওঁক আমি পোহৰ দিয়াৰ বাবে কৰ দিব পাৰোঁ, অন্যথা নহয়।

ৰজা---ঠিক কথা। এতিয়াও ৰাজপুতৰ বাহুত নিজৰ ৰাজ্য আৰু

ধৰ্ম্মৰক্ষা কৰিবৰ বাবে তৰোৱাল লৈ যুদ্ধ কৰিবৰ নিমিত্তে যথেষ্ট শক্তি আছে। নিজৰ জন্মভূমিৰ বাবে হাঁহি মুখে জীৱন দিবলৈ যথেষ্ট সাহ আছে। ৰাজপুত ৰমনীয়ে এতিয়াও পতিপুত্ৰৰ মৃত্যু দেখি হাঁহি মুখে জলন্ত চিতাত উঠি জহৰ ব্ৰত কৰিব। আমি কৰ নিদিওঁ।

ৰামসিংহ—মহাৰাজ অজয়সিংহ! মোৰ আপুনি পিতৃ বন্ধু; বৰ দুখেৰে মই মোগল বাদশ্যাহক আপোনাৰ শত্ৰু বুলি ঘোষণা কৰিবলৈ বাধ্য হলোঁ। সেই প্ৰবল প্ৰতাপী মোগলৰ প্ৰতাপ বোধ-কৰোঁ শুনিছে; কিন্তু এই বাৰ নিজ চকুৰে দেখিব।

ৰঘু—ৰাজদূত, দুদিন থাকি আমাৰ দেশৰ গাওভুঁইবোৰ ভালকৈ চাই নাযায় কিয়? যদি আমাক পৰাজয় কৰে তেনেহলে এইবোৰ আপোনাসকলৰ; যদি নোৱাৰে তেন্তে আপোনাসকলৰ মৰাশবোৰ খাই খাই আমাৰ দেশৰ শিয়াল কুকুৰে তৃপ্তি লাভ কৰিব। সিহঁতে আজি বহু দিন নৰমাংস খাব পোৱা নাই।

ৰজা—ৰাজদূত, মই আপোনাৰ ৰজাৰ শত্ৰুৰূপে পৰিণত হলোঁ, কিন্তু আপোনাৰ লগত মোৰ কোনো শত্ৰুতা নাই বিশেষতঃ ৰাজদূত মাননীয়। এতিয়া আপোনাৰ কি উপকাৰ কৰিব পাৰোঁ?

ৰামসিংহ—মহাৰাজ! আপোনাৰ সদ্ব্যৱহাৰত মই বৰ কৃতাৰ্থ। কিন্তু দুখৰ বিষয় এয়ে আমি পুনৰায় যুদ্ধক্ষেত্ৰত শত্ৰুৰূপেহে সাক্ষাত হম। এতিয়া মোক বিদায় দিয়ক।

ৰজা—ৰঘুপতি! তোমাৰ ওপৰত এই ভাৰ দিলোঁ। সাদৰেৰে উপযুক্ত অনুচৰ লৈ এওঁক আমাৰ ৰাজ্যৰ সীমা পৰ্য্যন্ত আগবঢ়াই থৈ আহাঁ।

ৰঘু  যি আদেশ। [ৰামসিংহ আৰু ৰঘুপতিৰ প্ৰস্থান। ]

ৰজা—মন্ত্ৰী! ৰাজদূত গৈ পালেই মোগল সৈন্যই আমাৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰিব। ভীল ছৰ্দ্দাৰসকলক মোৰ পক্ষে সাহায্য খুজি পঠিৱা আৰু সেনাপতিক গিৰিশঙ্কটবোৰত আৰু ৰাজ্যৰ সীমাত সেনা স্থাপন কৰিবলৈ মোৰ নামে আদেশ দিয়া। ভৱানীৰ কৃপাত নিশ্চয় আমাৰ মঙ্গল হব। আজি ইমানতে সভা ভঙ্গ হ'ল। [ সকলোৰে প্ৰস্থান। ]

## দ্বিতীয় দৰ্শন

### তাৰাৰ শোৱনি ঘৰ

[ চন্দনৰ হাতত চিঠি লৈ প্ৰবেশ। ]

চন্দন—ব্যভিচাৰ—তাৰা ব্যাভিচাৰিণী? পালিত! প্ৰভো! কোন ৰাক্ষসে তোমাৰ কাণত, এই সন্দেহ-বিহ ঢালি দিলে, যি বিহে মানুহক পশুতকৈও অধম কৰে। অবিশ্বাসিনী? নহয় তোমাক ভাবিয়ে দিনে ৰাতিয়ে তেওঁ অশেষ যন্ত্ৰণা ভোগ কৰিব লাগিছে। সৰুৰে পৰা যাক নিজৰ ছোৱালীৰ দৰে যতন কৰিছোঁ, বিশেষতকৈ তোমাৰ আগত প্ৰতিজ্ঞা কৰিছিলো যে প্ৰাণপণেও তেওঁক সকলো বিপদৰপৰা ৰক্ষা কৰিম। এতিয়া—কেনেকৈ তেওঁক হত্যা কৰোঁ? বিষম সমস্যা! এপিনে প্ৰভুৰ আদেশ আনপিনে নাৰীহত্যা! নিশ্চয় জানো তাৰাৰ গাত একো দোষ নাই (চিঠি-পঢ়ে)। "শীঘ্ৰে হত্যা কৰ। তেওঁলৈ মই যি চিঠি দিছো সেই চিঠিয়েই তোক বিশেষ সুবিধা দিব যদি তাৰাৰ

দৰে তই বিশ্বাসঘাতক নহয়, তেনেহলে আদেশ পালন কৰি চিন দি পঠাবি, অদ্ভুত সন্দেহ ! কি কৰোঁ ? দয়াময় হৰি ! এই সমস্যাৰ মোক এটা উপায় দিয়া। [ তাৰাৰ প্ৰবেশ । ]

তাৰা—কি চন্দন ?

চন্দন—আইদেউ, দেউতাৰ পৰা এইখন চিঠি আহিছে ।

তাৰা—চন্দন, চাওঁ। [ চিঠিখনিত চুমা খাই ] কি লিখা আছে নাজানো, তথাপি ই মোক কিমান আনন্দ দিছে । [ পঢ়ে ] মই এতিয়া জয়পুৰ ৰাজ্যৰ সীমাত থকা ৰাজগড় ভীল গাঁৱত ছদ্মবেশেৰে আছোঁ । তালৈ গলে মোৰ প্ৰাণদণ্ড সেইবাবেই তুমি শীঘ্ৰে ইয়ালৈ আহিবা । তোমাক লৈ এই দেশ পৰিত্যাগ কৰিম । হায় ! মনৰ দৰে যদি বেগগামী ঘোৰা এটা পালোঁহেতেন । চন্দন ! এই ভীল গাওঁখনি চিননে ? কিমান দূৰ ? ইয়াৰ পৰা কেনেকৈ পলাই যাম ? ক, বাৰু ঘণ্টাত কিমান ক্ৰোশ যাব পাৰিম ?

চন্দন—দিনত দহ ক্ৰোশ কৰি যাব পাৰিলেও আপোনাৰ পক্ষে যথেষ্ট ।

তাৰা—দহ ক্ৰোশ মাত্ৰ ! শুনত দিবলৈ নিয়া মানুহেও চোন ইয়াতকৈ বেছি যাব পাৰিব, তেনেহলে মই ইয়াতকৈও বেছি যাবলৈ নিশ্চয় পাৰিম । মোৰ বৰ আনন্দ হৈছে । বাৰু যা, আজি ৰাতিয়েই ইয়াৰ পৰা পলাই যাম, আৰু গাঁৱলীয়া তিৰোতাই পিন্ধা সাজ এযুৰি মোৰ কাৰণে যোগাৰ কৰিবি ।

[ চন্দনৰ প্ৰস্থান । ]

গধূলি হল ! ৰাতি হবলৈ বেছি সময় নাই । ৰাতিটো কেনেকৈ কটাম ? মোৰ এনে ইচ্ছা হয় যেন এতিয়াই উৰি গৈ পালিতৰ ডিঙিত সাবটি ধৰোঁগৈ । বাৰু যাওঁ, পলাবলৈ দিহা কৰোঁগৈ ।

[ প্ৰস্থান । ]

# তৃতীয় দৰ্শন

## পৰ্ব্বতৰ গহ্বৰ

[ভীলবেশী বিক্ৰমজিৎ, জয়সিংহ আৰু বিজয়সিংহ এজন এজন কৰি গহ্বৰৰ পৰা ওলাই আহে।]

চয়—　　—গীত—

(আহা) শিৰত ৰবি নওঁ ৰাতুল চৰণ,
(তুমি) সুন্দৰ সত্য শিৱ সনাতন;
হিয়াত উদয় হোৱা জগত জীৱন
আনন্দময় প্ৰভু দীপ্ত তপন!
চিত্ত উপচি পৰে, পুলক চকুলো জৰে,
আনন্দে নধৰে মোৰ দীন ভবন;
ক্ষুদ্ৰ হৃদয় বোৰ বাজে তযু জয় ভেৰি
জয় জয় জগদীশ জগমোহন
আনন্দময় প্ৰভু দীপ্ত তপন।
তযু যশধ্বজা উঠে আকাশ জিনি
পূণ্য প্ৰভা জ্বলে জগত জিনি;
প্ৰশস্তি গীতে তযু ৰিণিকি ৰিণি
ধ্বনিছে নিৰন্তৰে বিশ্বভুৱন।

বিক্ৰম—চোৱা বোপাহঁত, পূব ফালে সোৱা সূৰ্য্যই কেনে সুন্দৰ আকাৰ ধৰিছে, চালেই চকু জুৰায়। কিন্তু সেই সূৰ্য্যই নাহে নাহে এনে উগ্ৰমূৰ্ত্তি ধৰিব যে মানুহৰ আৰু সেই ফাললৈ চকু ঘূৰাবৰ সাধ্য নহব। চালেই চকু পুৰিব। সেই উগ্ৰমূৰ্ত্তিয়ে

গধূলি সময়ত নিস্তেজ হৈ পশ্চিম আকাশত মাৰ যাব। মানুহৰ অৱস্থাও তেনে। ধন, মান, ৰূপ সম্পদ জীৱন যৌৱন একো চিৰস্থায়ী নহয়। সকলো অৱস্থাৰেই গধূলি আছে। আহাঁ, এই সূৰ্য্যক প্ৰণাম কৰি দৈনিক কামত প্ৰবৃত্ত হওঁগৈ।

সকলোয়ে - ( প্ৰণাম কৰে ) ওঁ জবাকুসুম সঙ্কাশং কাশ্যপেয়ং মহাদ্যুতিং ধ্বান্তাৰিং সৰ্ব্বপাপঘ্নং প্ৰণতোঽস্মি দিবাকৰং।

বিক্ৰম—বোপা, তোমালোকে ডেকা লৰা সৌ পৰ্ব্বতৰ ফাললৈ যোৱা। মই তোমালোকক আগেয়ে কৈছিলোঁ যে ৰাজধানী ছলচক্ৰান্তেৰে পূৰ্ণ। সুসভ্য ৰাজকৰ্ম্মচাৰীবিলাকতকৈ সৰলতা আদি গুণত এই নিৰ্জ্জন গুহাবাসী অসভ্য বৰ্ব্বৰ ভীলবোৰ সহস্ৰ গুণে শ্ৰেষ্ঠ। বিলাসিতাৰে পৰিপূৰ্ণ ৰাজধানীত বাস কৰাতকৈ নিৰ্জ্জন গুহাৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰাই যে বহুগুণে শ্ৰেষ্ঠ তাক বেচকৈ আলোচনা কৰিবা। লগে লগে যুদ্ধৰ কৌশল, কেনেকৈ আক্ৰমন কৰিলে কেনেকৈ আত্মৰক্ষা কৰিব লাগে এইবোৰ সদায় চৰ্চা কৰিবা। যদি বাটত যাওঁতে কিবা চিকাৰ পোৱা তেন্তে শিঙা বজাবা। মই তোমালোকক সহায় কৰিম।

জয়—কিন্তু পিতা, আপুনি যিবোৰ কথা কলে সেইবোৰ কেনেকৈ প্ৰত্যক্ষ কৰিম? আপুনি বহুত দিন ৰাজধানীত বাস কৰিছে। তাৰ ছল চক্ৰান্তৰ লগত নিৰ্জ্জন বনবাস ৰিজাই ইয়াৰ শ্ৰেষ্ঠত্ব অনুভৱ কৰিছে। বাহু যুদ্ধ কৰি বহুত মানুহক দেখি, বহুত অভিজ্ঞতা লাভ কৰিছে। কিন্তু পাখি নগজা চৰাই পোৱালীৰ দৰে আমি এতিয়ালৈকে একো দেখা নাই। আমাক সকলোৱে দস্যু বুলি ঘৃণা কৰে।

ৰজাৰ সৈন্যই আহি বান্ধি নিব বুলি ভয়ে ভয়ে হাবিৰ বাহিৰ নোলাওঁ।

বিজয়—যেতিয়া আপোনাৰ দৰে বুঢ়া হম, চিকাৰ কৰি সময় কটাব নোৱাৰাত পৰিম, তেতিয়ানো কি কথা কৈ আমি সময় কটাম? শীত কালত যেতিয়া কুৰঁলীয়ে চাৰিওপিনে আগুৰি ধৰিব তেতিয়ানো কি কথা কৈ আমি সময় কটাম? আমি এই পৰ্ব্বতৰ বাহিৰে একো দেখা নাই। আমি পশুৰ দৰে থাকোঁ। চিকাৰৰ সময়ত আমি শিয়ালৰ দৰে ধূৰ্ত্ত, সিংহৰ দৰে বলী! আমাৰ বাহুবল, আমাৰ বীৰত্ব, আমাৰ সাহ, বনৰীয়া জন্তু চিকাৰ কৰাতকৈ আন ভাল কামত নালাগে। সজাৰ মাজত বন্দী কৰি থোৱা চৰাইৰ দৰে আমিও সদায় এই গহ্বৰত দিন নিয়াওঁ।

বিক্রম—বোপাইঁত, তোমালোকৰ কথা শুনি বৰ আচৰিত হলোঁ। যদি তোমালোকে এবাৰ ৰাজধানীৰ ছল চক্রান্ত প্রত্যক্ষ কৰিলা-হেঁতেন তেনেহলে আৰু নিৰ্জ্জন হাবি এৰি তালৈ যাবলৈ ইচ্ছা নকৰিলাহেতেঁন। যুদ্ধ! কি ভীষণ! এজন ৰজাৰ গৌৰৱ আৰু বিজয় লালসাৰ অগ্নিত ক'ত সহস্র সহস্র প্রাণীয়ে নিজৰ জীৱন আহুতি দিয়ে তাক চাই কি সুখ পাবা? এজনা মনৰ কামনা পূৰণ কৰিবৰ নিমিত্তে কিমান মানুহে হিংস্র জন্তুতকৈও ভীষণ হৈ ইজনে সিজনক কেনেকৈ কুকুৰ মেকুৰীৰ দৰে হত্যা কৰে! এনে পাশৱিক দৃশ্য চাবলৈ ইমান হেপাহ কৰা কিয়? এজনৰ ৰাজ্য বিস্তাৰৰ কামনাৰ বাবেই দিনে দিনে যে কত নিৰ্দ্দোষী লৰা ছোৱালী পিতৃ-মাতৃহীন, নিঃসহায় হৈ কান্দি কান্দি ফুৰে, কত সতী তিৰোতাই স্বামীপুত্রহীনা হৈ

হাহাকাৰ কৰি ফুৰে ! কত বুঢ়া মাক-বাপেকে পুত্ৰকন্যা হেকৰাই নিৰুপায় হৈ চকুলো টুকি টুকি অনাহাৰে প্ৰাণ এৰে, তাৰ সীমা-সংখ্যা নাই । কি নিষ্ঠুৰতা ! এনে নৃসিংহ ঘটনা ভাবিলেও বুকু কঁপি উঠে ! আৰু শুনা, ৰাজ-অনুগ্ৰহ সি কচুপাতৰ পানীৰ দৰে চঞ্চল । এদিন মযো ৰজাৰ প্ৰিয়পাত্ৰ আছিলোঁ, মোৰ বীৰত্বৰ কথা প্ৰজাসকলৰ মুখে মুখে ; মই যেন ফলফুলেৰে ভৰা এজুপি গছহে । কিন্তু এদিনতে সকলো শেষ হল । এৰাতিৰ ভিতৰতে ধুমুহা বতাহে উভালি পেলোৱা গছৰ দৰে বাগৰি পৰিলোঁ । এদিনতে সকলোৱে পাহৰিলে । এদিন এজনে ৰজাৰ আগত লগালে মই বিশ্বাসঘাতক, মই ৰজাৰ বিৰুদ্ধে মোগলৰ লগত ষড়যন্ত্ৰ কৰিছোঁ ; সেই দিনাই সকলো শেষ হল । পৰ্ব্বতৰ ওখ টিঙৰ পৰা গভীৰ গুহাত বাগৰি পৰিলোঁ৷ ৰজাই মোক নিৰ্ব্বাসিত কৰিলে । বুজিলোঁ বিচাৰ, বুজিলোঁ ন্যায়! বুজিলোঁ ৰাজ-অনুগ্ৰহৰ ফল ।

জয়, বিজয়—ৰাজ-অনুগ্ৰহ অনিশ্চিত !

বিক্ৰম—যোৱা এতিয়া বদ উঠি আহিল । পলম কৰিলে ঢিকাৰ নিগিলিব । [ জয় আৰু বিজয়ৰ প্ৰস্থান । ] উস্ স্বভাৱৰ শক্তি লুকাই থোৱা কি কঠিন! ছাইৰে আবৰি থকা জুই যেনেকৈ এডালি খেৰ বা কুটাৰ আশ্ৰয় পালেই ভমক্ কৰে জ্বলি উঠে, ইহঁতৰ স্বভাৱো ঠিক তেনে । ইহঁতে নাজানে যে ইহঁত ৰাজপুত্ৰ। তথাপি ইহঁতৰ সাহ বিক্ৰম, কথাবাৰ্ত্তা, অঙ্গী-ভঙ্গী সকলো ৰজাৰ দৰে । যুদ্ধৰ কথা কলে, ইহঁতৰ বুকু নাচি উঠে, হৃদয় উৎসাহেৰে পূৰ্ণ হয় । যদিও ভীলৰ দৰে আছোঁ, তথাপি ইহঁতক ৰাজোচিত সকলো বিদ্যাকে শক্তি অনুযায়ী শিক্ষা দিছোঁ।

ইন্দিৰা! তুমিয়েই এই গুহাত ইহঁতক নিজৰ সন্তানৰ দৰে পালন কৰিছিলা। এতিয়াও ইহঁতে তোমাৰ সমাধি ঠাই ডোখৰলৈ গৈ ফুল দি কান্দি কান্দি তোমাক পূজা কৰে। [শিঙা বাজে] সেয়া শিঙা বাজি উঠিছে—বোধকৰোঁ চিকাৰ পাইছে। যাওঁ সহায় কৰোঁগৈ। [প্ৰস্থান।]

## চতুৰ্থ দৰ্শন

### ৰাজ গাঁওৰ ওচৰৰ এখন হাবি

[সামান্য তিৰোতাৰ বেশেৰে তাৰা আৰু চন্দনৰ প্ৰবেশ।]

তাৰা—এতিয়া বেলি দুপৰ হল, তথাপি পালিতক দেখা নাপালোঁ। (চন্দনৰ ফাললৈ চাই) তোৰ কি হৈছে? কিবা অসুখ হল নেকি? মোৰ ফালে চাই ৰলি দেখোন? তোৰ মনৰ ভাব কি ক। [চন্দনে চিঠি এখনি দিয়ে।] কি সেইখন? কাৰ চিঠি? ভাল বাতৰি যদি মুখ বিকটালি কিয়? যদি ভাল নহয় মুখেৰে ক।

চন্দন—আইদেউ, নিজে পঢ়ি চাওক।

তাৰা—(পঢ়ে) "চন্দন, তোৰ আইদেউ, মোৰ পত্নী তাই ব্যভিচাৰিণী। তাই ভ্ৰষ্টা। যদি তয়ো তাইৰ দৰে মোক পৰিত্যাগ কৰা নাই, তেন্তে ততালিকে তাইক হত্যা কৰিবি, তাৰ চিন স্বৰূপে মোলৈ তাইৰ কাপোৰ এখনি তেজত তিয়াই দি পঠাবি। তাকে চাই যেন মোৰ অপমানৰ প্ৰতিশোধ লব পাৰোঁ। ইয়াৰ লগতে পঠিওৱা চিঠিখনে তোৰ কামত সুবিধা দিব। ইতি পালিত।" (পঢ়ি তলমূৰ কৰে।

চন্দন— ( স্বগত ) চিঠি পঢ়িয়েই মৰাৰ নিচিনা হল। সন্দেহ, তই ৰাক্ষস। তই যাৰ ওপৰত এৰাৰ আধিপত্য কৰিছ তাক বুদ্ধিহীন নকৰি নেৰ। ( প্ৰকাশ্যে ) আইদেউ, শোক নকৰিব।

তাৰা— মই ভ্ৰষ্টা ! ঈশ্বৰ ! তুমি সাক্ষী। যদি সদায় কায়মনো বাক্যে স্বামীৰ চৰণ চিন্তা কৰাই ভ্ৰষ্টা নাৰীৰ লক্ষণ, যদি পতিৰ মঙ্গলৰ বাবে সদায় প্ৰাৰ্থনা কৰাই আৰু তেওঁৰ অমঙ্গলৰ সপোন দেখি টোপনি নহাই ভ্ৰষ্টাৰ কাম, তেনেহলে মই নিশ্চয় ভ্ৰষ্টা—ব্যাভিচাৰিণী। পুৰুষৰ সন্দেহ ! ই কি ভয়ানক. এওঁলোকে কিমান সতী তিৰোতাৰ কাল হৈছে—কিমানক সমাজত ঘৃণিতা কৰিছে। দিলীৰ খাঁ! তয়েই এই অনৰ্থৰ মূল। ঈশ্বৰ ! তুমিয়েই হতভাগিনীৰ একমাত্ৰ আশ্ৰয়ৰ স্থল। মোৰ চৰিত্ৰৰ ওপৰত সন্দেহ ! ( থুটাই ) চন্দন ! তই তোৰ প্ৰভুৰ আদেশ পালন কৰ। এই তৰোৱাল লৈ ইয়াৰে মোৰ বুকু ফালি চা, ইয়াত পালিতৰ বাহিৰে আন মানুহৰ কিবা প্ৰতিকৃতি দেখনে। পালিতক কৰি, মই অবিশ্বাসিনী হয় নে নহয়। ধৰ, কঁপিছ কিয় ? তই সদায় প্ৰভুভক্ত, আজি কিয় তেওঁৰ আদেশ অৱজ্ঞা কাৰবি ? ( তৰোৱাল হাতত তুলি দিয়ে। )

চন্দন— ( দলিয়াই পেলাই ) তই মোৰ হাত কলঙ্কিত কাৰব নোৱাৰিবি।

তাৰা—মোৰ মৃত্যুই শ্ৰেষ্ঠ। নিজেই এই ঘৃণিত জীৱন শেষ কৰিলোঁহেতেন, কিন্তু আত্মহত্যা মহাপাপ। চন্দন ! তোৰ আদেশ পালন কৰ। তোক মই দোষ নিদিওঁ। কিন্তু প্ৰভু ! যি দুৰ্বৃত্তই মোৰ এই সৰ্ব্বনাশ কৰিছে, সি যেন ইয়াৰ প্ৰতিফল পায়। আৰু পালিত ! নাথ ! তুমিও এদিন ইয়াৰ বাবে অনুতপ্ত হবা। যেতিয়া জানিবা যে তাৰাই তোমাৰ নিমিত্তে

শত সহস্ৰ ৰাজপুত্ৰৰ প্ৰণয় উপেক্ষা কৰিছিল —নিজনে পিতাকৰো অবাধ্য হৈ তোমাক মনে মনে বৰিছিল, সেই তাৰা সাধাৰণ তিৰোতা নহয়। তেতিয়া জ্বলি পুৰি মৰিবা। কিন্তু প্ৰাণেশ্বৰ! কি কৰিম? উপায় নাই। তোমাৰ আদেশ সদায় শিৰোধাৰ্য্য। চন্দন, পলম নকৰ। মই সাজু আছোঁ।

চন্দন—আইদেউ, লাজ নিদিব। এই চিঠি পোৱাৰ পৰা মোৰ চকুৰ টোপনি আৰু মনৰ শান্তিয়ে চিৰকালৰ নিমিত্তে বিদায় লৈছে।

তাৰা—মোক বধি টোপনি আৰু শান্তি লাভ কৰগৈ।

চন্দন—অসম্ভৱ। প্ৰভুৰ আদেশত অনায়াসে জ্বলা জুইত জাপ দিব পাৰোঁ। বিষধৰ সাপ গলত মেৰিয়াই লব পাৰোঁ কিন্তু ভৃত্য হলেও নাৰী হত্যা ৰাজপুত্ৰক নোশোভে।

তাৰা—তেন্তে মিছাতে ইমান দূৰ কিয় আনিলি?

চন্দন—আপুনি আৰু ঘুৰি যোৱাৰ কোনো আৱশ্যক নাই।

তাৰা—অৱশ্যে তই মোক হত্যা কৰিলে উভতি যাবৰ কোনো কাৰণ নহব

চন্দন—অধীৰ নহব। আগেয়ে মোৰ অভিপ্ৰায় শুনক। মোৰ মনেৰে নিশ্চয় কোনোবা ধূৰ্ত্ত মোগলে তেওঁৰ মনত সন্দেহ জন্মাইছে।

তাৰা—নহয়, কোনোবা সুন্দৰী মোগল কঢ়াইছে।

চন্দন—তেনে হব নোৱাৰে। পালিতক মই ভালকৈ জানো। আপোনাৰ গাৰ বিহাখনি কুকুৰৰ তেজেৰে ৰাঙলী কৰি তেওঁলৈ দি পঠাম। তেওঁ ভাবিব যে মই আপোনাক হত্যা কৰিছোঁ— কাৰণ তেওঁ চিন খুজিছে।

তাৰা—ইয়াত মই কি কৰিম? কত থাকিম?

চন্দন মোগল দূত কালি পুৱাতে এইখিনি পাবহি, তেওঁৰ লগত

আপুনি দিল্লীলৈ যাব। তাত সদায় পালিতৰ ওচৰত গুপ্ত ভাৱে থাকি তেওঁৰ সন্দেহৰ কাৰণ ভালকৈ জানি লব।

তাৰা—পালিতক চাই থাকিম! ইয়াৰ বাবে মই তিৰোতাৰ একমাত্র অলঙ্কাৰ লাজকো বিসৰ্জ্জন দিবলৈ প্রস্তুত আছোঁ।

চন্দন—এই জোলোঙাত মই উপযুক্ত সাজপাৰ আনিছো, তাকে পিন্ধক। ৰাজদূত আহিলে, তেওঁৰ ওচৰত বিনীত ভাৱে উপস্থিত হৈ এটা চাকৰি প্রার্থনা কৰিব।

তাৰা—চন্দন, তই মোক এই বিপদৰ পৰা উদ্ধাৰ কৰিলি। কেতিয়াবা যদি সুদিন হয় ইয়াৰ উপযুক্ত পুৰস্কাৰ পাবি।

চন্দন—আইদেউ, এতিয়া মই বিদায় মাগোঁ। একে সময়তে দুয়ো ৰাজপুৰীত উপস্থিত নাথাকিলে মোকো সন্দেহ কৰিব। মই আপোনাৰ লগত যাব নোৱাৰোঁ, কাৰণ মই আপোনাৰ মঙ্গলৰ বাবেই ৰাজপুৰীত থকা উচিত। আইদেউ, এই টেমাটো লওক। এইটো মোক ৰাণীয়ে উপহাৰ দিছিল। ইয়াত বৰ ভাল ঔষধ এপালি আছে। যদি কেতিয়াবা অলপ অসুখ যেন পায় ইয়াৰে এপালি খালে বৰ ভাল পাব। সৌ জোপা গছৰ ছাঁলৈ গৈ আপোনাৰ সাজপাৰ পিন্ধক। মই এতিয়া বিদায় হওঁ। আপোনাক ঈশ্বৰে সকলো বিপদৰ পৰা উদ্ধাৰ কৰিব।

[ প্রস্থান। ]

তাৰা—ময়ো যাওঁ। [ প্রস্থান। ]

———

## পঞ্চম দৰ্শন

### ৰাজকক্ষ

[ ৰজা, ৰাণী, আৰু ৰঘুপতি। ]

ৰজা—ৰাণী, তোমালোকৰ উপদেশমতে যুদ্ধ কৰা হল। গুপ্তচৰৰ মুখে শুনিলো বোলে অলপতে মোগল সৈন্যই আমাৰ ৰাজ্যৰ সীমা পাব। আমিও প্ৰস্তুত। ৰাজ্যলৈ সোমোৱা বাটপথবোৰ সুৰক্ষিত কৰি থোৱা হৈছে। মঠৰ ও ৰত আমাৰ যে জয় হব তাত কোনো সন্দেহ নাই।

ৰাণী—ভৱানীৰ কৃপাত নিশ্চয় জয়ী হব।

ৰজা 'ৰাণী, আজি দুদিন তাৰাক দেখা পোৱা নাই, তাইৰ কি হৈছে? সদায় পুৱা উঠিয়েই তাই মোৰ পদ-বন্দনা কৰে। আজি দুদিন হল দেখা নাই। তাই কিজানি আমাৰ ওপৰত খং কৰি বোহঘৰত পৰি আছে। মই তাইৰ কাষলৈ যাওঁ।

ৰাণী—মহাৰাজ পালিতৰ নিৰ্ব্বাসনৰ পৰা তাই সদায় অকলে অকলে থাকি ভাল পায়। কোনো ভয় নাই। সময়ৰ লগে তাই সকলো পাহৰিব। তাই নিচেই আজলী। তাই আহিলে যেন গালিশপনি নাপাবে: [ ৰজাৰ প্ৰস্থান। ]

ৰাণী—ৰঘুপতি, ৰজাৰ লগে লগে যা।

ৰঘু—আজি চন্দনকো দেখা পোৱা নাই।

ৰাণী—যা, তাক বিচাৰ গৈ।

ৰঘু—বাৰু [ প্ৰস্থান। ]

ৰাণী--চন্দন, তই যেন আৰু এই সংসাৰত নাই। মই দিয়া উপদেশেই কাম কৰিছে। কিন্তু তাৰা কলৈ গল? হতাশ হৈ পলাই গল হবলা! ৰাজপুৰীৰ বাহিৰ হৈছে যেতিয়া মৃত্যু বা কলঙ্ক এবিধ নিশ্চয় হব। এবিধ হলেই মোৰ কাৰ্য্য সিদ্ধি। তেনেহলে মই যাকে ইচ্ছা তাকে ৰাজপাটত বহুৱাব পাৰোঁ। [ ৰঘুপতিৰ প্ৰবেশ। ] কি ৰঘুপতি?

ৰঘু—তাৰা যে পলাইছে ই নিশ্চয়। যোৱা এতিয়া, মহাৰাজক শান্ত কৰাগৈ। খঙতে অস্থিৰ হৈছে, কোনেও কাষলৈ যাব নোৱাৰে।

ৰাণী--[ স্বগত ] ভাল, কালি প্ৰভাতৰ সূৰ্য্যই যেন এওঁকো পৃথিৱীত দেখা নাপায়। [ প্ৰস্থান। ]

ৰঘু--তাৰা দেখিবলৈ বৰ ধুনীয়া। সেই বাবে তাইক মই বৰ ভাল পাওঁ। ঘৃণাও কৰোঁ, কাৰণ তাই মোক ভাল নাপায়--আৰু ভাল পায় মোৰ প্ৰধান শত্ৰু ভিকহু পানিতক। এইক এবাৰ বিয়া কৰাব পৰাহেঁতেন এই ৰাজ্যৰ ৰাজসুখ ভোগ কৰিব পাৰিলোহেঁতেন। কোন অ' সেইটো চন্দন নেকি? হেৰ, তই তাত কি টোপোলা বান্ধিব লাগিছ? সোণকালে মোৰ আগলৈ আহ, নহলে একে লাথিয়ে তোৰ মূৰ ভাঙিম।

[ চন্দনৰ প্ৰবেশ। ]

চন্দন-- ( কঁপি ) দেউতা ঈশ্বৰ!

ৰঘু--তাৰা কত আছে ক। এচৰলৈ আহ নহলে পেট ফালি নাড়ী-ভুৰু বাহিৰ কৰিম। পানিতৰ তালৈ গৈছে নেকি?

চন্দন—কেনেকৈকেনো তেওঁৰ এচৰলৈ যাব? তেওঁ আছে দিল্লীত। তাৰানো কোন দিনাৰ পৰা নোহোৱা হৈছে? মই দুদিন ইয়াত নাছিলোঁ। আইদেউৰ আদেশ লৈ গোসাইদেউহঁতৰ তালৈ গৈছিলোঁ।

ৰঘু--যমৰ ঘৰলৈ নগলি কিয় ? তই একোকে নাজান গোটেই পনী-কেচুৱা। সকলো অনৰ্থৰ মূল তয়েই। দেউতা দেউতা বুলিলে নহব। কি জান ক, নহলে তোৰ মৃত্যু।

চন্দন—তেনেহলে তেওঁৰ বিষয়ে মই বি জানো এইখন চিঠিতে সকলো আছে।

ৰঘু—চাওঁ দে, লাগিলে তাইৰ পাছে পাছে দিল্লীলৈ যম। (চিঠি পঢ়ে।)

চন্দন—(স্বগত) যাবও পাৰিবি মৰিবও পাৰিবি। এইখন চিঠিত যি লিখা আছে তাৰে আইদেউৰ একো অনিষ্ট নহব।

ৰঘু—এইখন চিঠি সঁচা নে জাল ?

চন্দন--সঁচা দেউতা।

ৰঘু--সঁচা ? পালিতৰ আখৰ মই ভালকৈ চিনি পাওঁ। [ চিঠি পঢ়ে। ] বাৰু চন্দন, তই মোৰ এটা কাম কৰি দিবিনে?

চন্দন--নকৰিলেতো আৰু উপায় নাই। ইস্ দেউতা আপোনাৰ কামনো মই নকৰিম কিয় ?

ৰঘু—বাৰু যা, পালিতৰ এযোৰ পোছাক লৈ আহ।

চন্দন—যি আদেশ। [ প্ৰস্থান। ]

ৰঘু—ৰাজগড়—সিটো ভীল গাঁৱৰ ওচৰতে। ছিঃ ছিঃ! কথা এটা সুধিব পাহৰিলোঁ। বাৰু, এইবাৰ সুধিম। পালিতৰ ভালৈ গৈ মই তোক তাৰাৰ আগতে হত্যা কৰিম। পালিত, তোৰ কাপোৰ পিন্ধিয়েই তোৰ তাৰাক মই হৰণ কৰিম। তাই মোক বিনান কষ্ট আৰু অপমান দিছে তাৰ শোধ তুলিম। তাইৰ আগতে তোক চিৰিলা চিৰিলি কৰিম।

[ এযোৰ পোছাক লৈ চন্দনৰ প্ৰবেশ। ]

ৰঘু—এয়ে নেকি ?

চন্দন--হয় দেউতা।

ৰঘু--তাই এতিয়া কিমান দৰ পাইছে।

চন্দন--তেওঁ চাগৈ এতিয়াও ৰাজগড় পোৱাগৈ নাই। ঘোৰাৰে গলে আপোনাৰ দুখোজৰ বাটেই নহয়, তেওঁক অলপতে লগ ধৰিব পাৰিব।

ৰঘু—বাৰু তই মোৰ কথা কাৰো আগত নকবি। এইবোৰ মোৰ ঘৰলৈ লৈ যা। [ প্ৰস্থান। ]

চন্দন--যোৱা বোপাই, তাৰা ইমান পৰে নিশ্চয় দিল্লীৰ ওচৰত। যোৱা তোমাৰো ৰাজ্যৰ ভৱিষ্যৎ সুখ-ভোগ ইমানতে খতম। ভৱানীৰ কৃপাত যেন দুনাই ঘৰলৈ উভতি আহিব নালাগে।

[ প্ৰস্থান। ]

## ষষ্ঠ দৰ্শন

### ভীল গাঁৱৰ একাংশ

[ ভীল বালক-বালিকাবোৰ ]

—গীত—

মতা— জঙ্গল জঙ্গল ফুৰোঁ আমি চিকাৰ কৰি
মত্ত মত্ত ভালুক বাঘ গঁড়াৰ মাৰি।
তিৰোতা—মিঠা চিৰাব খায়ে লে, যত পাৰ আজি
জঙ্গল ভিতৰ চলিয়ে যা বীৰ সাজে সাজি।
মতা— দে, দে, দে, বঢ়িয়া চিৰাব পৰাণ ভৰি
জবৰৰ জবৰৰ পহু আজি আনিম ধৰি
জঙ্গল ২ ... ... ... গঁড়াৰ মাৰি।

১ম তিঃ— হামাৰ লাগি একটা চিড়িয়া আনবি।
১ম মঃ— কুচ পৰোৱা নাই জান ! তুঁ চিড়িয়া পাবি !
২য় তিঃ—হামাৰ লাগি একটা গিৰগিটি আনবি
২য় মঃ—আৰে ফুৰ্ত্তি কৰি থাক সব কুচ পাবি।
মহাবোৰে— চলৰে ভাই সব ! চল চল চল চিড়িয়া ধৰি
ছাড়া জঙ্গল পাট পাট কৰিয়ে ঘূৰি
জঙ্গল ২ গুহাৰ মাৰি [ প্ৰস্থান।।
তিৰোতা—ভেৰা যেবা ভালুক শিয়াল পছ গণ্ডাৰ
বৰ্ষা-তীৰ দিয়ে মৰ্কে হাজাৰ হাজাৰ।
ধাং ধুং ধাং বাজিয়ে মাদল নাচিম ঘূৰি
সাধ পুৰিয়ে খাইয়ে আজি গিৰগিটি পুড়ি
আইয়ে বইন ! চলিয়ে, আয় চিকাৰ খেলা দেখি
ফুৰ্ত্তি কৰিয়ে মিঠা ছৰাব বনায়ে ৰাখি।
[ প্ৰস্থান ]

## পট পৰিবৰ্ত্তন

### বিক্ৰমজিতৰ গহ্বৰৰ সন্মুখ

[ তাৰাৰ প্ৰবেশ। ]

তাৰা— এইপিনেই গান গোৱা যেন শুনিছিলো নহয়নে ? ক'তা, ইয়াত চোন কোনো নাই ! মানুহৰ জীৱন কি কষ্টৰ। মোৰ ভাগৰ লাগিল। আজি তৰাতি গছৰ তলেই মোৰ শয্যা, বাহুৱেই মোৰ গাৰু, চন্দ্ৰই মোৰ চাকি, নীল আকাশেই মোৰ চন্দ্ৰতাপ হৈছে। পালিতক দেখিবলৈ মোৰ অদম্য উৎসাহ নোহোৱা হলে বোধকৰোঁ ইমান দিনে মই মৰিলোঁ-

হৈছেন। চন্দনে যেতিয়া মোক পৰ্ব্বতৰ পৰা ৰাজগড় দেখুৱায় তেতিয়া ওচৰতে যেন পালোঁ। আজি দুদিন হল ৰাজগড় নাপালোঁ। বাটত দুজন হোজা মানুহক সুধিলো, সিহঁতে দেখুৱাই দিয়া বাটে বাটে আহিছোঁ হয়—কিন্তু গৈ গৈ হলে ওৰ নাপাওঁ। মিছা কলে নেকি? দুখীয়া মানুহে কিয় মিছা কথা কব? আচৰিতেই বা কি? ধনী মানী মানুহেও মিছা কথা কব লাজ নাপায়। সৌটো চোন গহ্বৰ যেন দেখিছোঁ। এইটোৱেই তালৈ যোৱা বাট হব পাৰে। উস ভোকে, পিয়াহে, ভাগৰে মোক অস্থিৰ কৰি পেলাইছে। চাৰিওফালে এন্ধাৰ দেখোঁ, চকুৰে ভালকৈ মনিবও নোৱাৰো বোধকৰো কেনোবা অসভ্য ভীলৰ গহ্বৰ। কোন আছে এবাৰ মাতিমেই নেকি? মাতিবও সাহ নজন্মে। জানোচা অত্যাচাৰ কৰে। দেখোতেহে মই মতা মানুহ, কিন্তু শক্তিত হলে দুৰ্ব্বলা নাৰী—নামাতিলেও নোৱাৰো। ভোকে পিয়াহে প্ৰাণ যায়। বাৰু মাতোঁ, কপালত যি আছে সেয়েই হব—"কোন আছা খাবলৈ দি প্ৰাণ ৰক্ষা কৰা।" ইকি! একো সম্বিধান নাই—সোমায়েই যাওঁচোন। যোৱাৰ আগেয়ে তৰোৱালখনকে খাপৰ পৰা উলিয়াই লওঁ, যদিহে মোৰ দৰে কোনোবা ভীৰু হয় তেনেহলে তৰোৱাল দেখি পলাব। আই ভৱানী! দাসীক এই বিপদৰ পৰা ৰক্ষা কৰা। [গহ্বৰত সোমায়।

* * * ভীলবেশী বিক্ৰমজিৎ আৰু জয় বিজয়ৰ প্ৰবেশ।]

**বিক্ৰম**—আজি তুমিয়েই আমাৰ ৰজা, বিজয় আৰু মযে ভাত ৰান্ধিম পানী আনিম। আহাঁ আগেয়ে অলপ ফল মূল খাই সুস্থ হওঁ। পৰিশ্ৰমী মানুহৰ পক্ষে সকলো সোৱাদ।

জয়—(মাটিত বহি) মোৰ হলে বৰ ভাগৰ লাগিছে, উঠিবৰে মন যোৱা নাই।

বিজয়—(বহি) মোৰো ভাগৰ লাগিছে, লগে লগে ভোকো লাগিছে।

জয়—বাতিয়েই ৰন্ধা কিছুমান মংহ আছে। আগেয়ে তাকে খাওঁ আহাঁ। অলপ সুস্থ হৈ ৰান্ধি বাঢ়ি খাম।

বিক্রম—(গহ্বৰৰ ফালে চাই) বাছাইঁত, যতে আছা ততে থাকা এই ফালে নাহিবা; কিহবাই ৰঘা মাংসবোৰ খাব লাগিছে।

জয়—কিনো হব, মোৰ মেকুৰীটোৱে হব পায়।

বিক্রম—নহয় কোনোবা মানুহহে।

[তাৰা গহ্বৰৰ পৰা ভয়ে ভয়ে ওলাই আহে।]

তাৰা—ডাঙৰীয়াসকল! মোৰ কোনো অন্যায় নকৰিব। ভোকত থাকিব নোৱাৰিহে খাইছোঁ। আগতে অপোনালোকক মাতিছিলোঁ। মই হলে একো চুৰ কৰা নাই—নকৰোঁও। আপোনাসকলৰ গহ্বৰ যদি ধন-সোণেৰে ভৰি আছে তথাপি মই তাক হাতেৰে ছোৱা নাই। এয়া আপোনাসকলৰ মংহৰ বেচ। আপোনাসকল নহা হলে ইয়াতে থৈ গলোঁহেঁতেন।

জয়—কি আমাক ধন দিব খুজিছা, ই বৰ লাজৰ কথা। আমাক তেনে বুলি নাভাবিবা।

তাৰা—বাৰু দোষ কৰিছোঁ। যদি ক্ষমা খুজিছোঁ। আপোনাসকলৰ খং উঠিছে? আপোনাসকলৰ নোখোৱা হলে মই ইমানপৰে মৰিলোঁহেঁতেন।

বিক্রম—তুমি কলৈ যাবা?

তাৰা—দিল্লীলৈ।

বিক্রম—তোমাৰ নাম কি?

তাৰা—( অলপ ভাবি ) মোৰ নাম অমিয়া। মোৰ এজন আপোন মানুহ দিল্লীলৈ যাব। তেওঁক ৰাজগড়ত লগ ধৰোঁ বুলি আহিছোঁ। লোকত তৰ্ব্বণি নাপই এই অপৰাধ কৰিছোঁ।

বিক্ৰম—তুমি আমাক অসভ্য বৰ্ব্বৰ বুলি নাভাবিবা। আমাৰ মন এই গহ্বৰৰ দৰে সঙ্কীৰ্ণ নহয়। ঠিক সময়তে লগ পালা। এতিয়া ৰাতি হৈছে, আজি ৰাতি তুমি ইয়াতেই থাকা।

জয়—অমিয়, যদি তুমি ছোৱালী হলাহেঁতেন, মই তোমাক বিয়া কৰালোঁহেঁতেন।

বিজয়—মই তোমাক সকু ভাইটৰ দৰে মৰম কৰিম। দাদা, তুমি যেনেকৈ মোক মৰম কৰা।

তাৰা—[স্বগত] যদিহে এওঁলোক মোৰ নিজা ভাই হলহেঁতেন।

বিক্ৰম—এওঁৰ কিবা দুখৰ কথা মনত পৰিছে।

জয়—মই মৰিও যদি এওঁক সুখী কৰিব পাৰিলোঁহেঁতেন।

বিক্ৰম—বোপাইঁত, এটি কথা কওঁ শুনা। [মনে মনে কথা কয়।]

তাৰা—আহা এওঁলোকৰ কেনে দয়া, মন কেনে ওখ! যদিও অসভ্য ভীলৰ দৰে গহ্বৰত বাস কৰিছে তথাপি ভদ্ৰ ব্যৱহাৰত বহুত ৰাজকোৱঁৰকো চেৰ পেলাইছে। [স্বগত] পানিতে মোক অবিশ্বাস কৰিছে যেতিয়া, মই মানুহ হোৱা হলে এওঁলোকৰ লগতে থাকিলোঁহেঁতেন।

বিক্ৰম—বাৰু সেয়ে হব, আহাঁ এতিয়া অলপ কিবাকিবি খাই চিকাৰত পোৱা পহুটো কটা ছিঙা কৰোঁগৈ। অমিয়, ভিতৰলৈ আহাঁ।

তাৰা—বলক। [সকলোৱে গহ্বৰত প্ৰবেশ।]

ঐক্যতান

—:০:—

# চতুৰ্থ অঙ্ক

## প্ৰথম দৰ্শন

### ভীল গাঁৱৰ ওচৰ

[ ৰঘুপতিৰ প্ৰৱেশ। ]

ৰঘু—যদি চন্দনে মিছা কথা কোৱা নাই, তেনেহলে ইয়াতেই পালিতৰ লগত তাৰাৰ সাক্ষাৎ হব। বাঃ! ইয়াৰ কাপোৰখিনি মোৰ গাত কেনে শুৱাইছে। যি ঈশ্বৰে তাৰ গাৰ কাপোৰ কৰা দৰ্জ্জীজনক স্ৰজন কৰিছে, সেই ঈশ্বৰেইতো তাৰ প্ৰণয়িণী জনীকো স্ৰজন কৰিছে। তেনেহলে তাই কিয় মোৰ কোলাত নুশুৱাব? মইনো কি গুণত তাতকৈ হীন? ৰূপে গুণে সি কোন প্ৰকাৰে মোতকৈ শ্ৰেষ্ঠ? তাৰ দৰে মযো সকলো কামতে পটু, যুদ্ধত বিচক্ষণ। তেনেহলে তাৰাইনো তাক কিয় ভাল পাব? আৰু মোকেইনো কিয় ঘিণাব? পালিত! এতিয়া যি মূৰে তোৰ কান্ধৰ ওপৰত শোভা পাইছে, সি এক মুহূৰ্ত্তৰ ভিতৰতে স্থানচ্যুত হব। তোৰ কাপোৰ পিন্ধি তোৰ আগতে তোৰ প্ৰণয়িণীক হৰণ কৰিম, এই কাপোৰবোৰ কাটি ছিডি পেলাম। তাৰ পাছত গতিয়াই গতিয়াই তাইক বাপেকৰ ওচৰলৈ লৈ যাম, সেই বাবে তেওঁ অলপ খং কৰিলেও কৰিব পাৰে, কিন্তু তথাপি তেওঁ বাইদেউৰ হাতৰ মুঠিতহে। এইবোৰেই লাহে লাহে মোৰ প্ৰশংসা

হব মোৰ ঘোৰাটো সৌ গহ্বৰ তলত ভালকৈ বান্ধি থৈছোঁ, পলাই যাবৰ ভয় নাই। তৰোৱাল! এট নির্দয় কামৰ নিমিত্তে খাপৰ পৰা বাহিৰ হ। সোণকালে তই তেজৰ পিয়াহ পলুৱাই পালিতৰ তেজেৰে ৰাঙলী হবি। ঠিক এই ডোখৰেই ঠাই। চন্দনে মোক মিছা কৈ সাৰিব নোৱাৰে।

[ প্ৰস্থান ]

## দ্বিতীয় দৰ্শন

### বিক্ৰমজিতৰ গহ্বৰৰ সন্মুখ

[ বিক্ৰমজিৎ, বিজয়, জয় আৰু তাৰা এজন এজন কৰি গহ্বৰৰ পৰা বাহিৰ ওলায়। ]

বিক্ৰম—তোমাৰ গা ভাল নহয়। ইয়াতে থাকা। আমি মৃগয়াৰ পৰা অতি সোণকালে আহিম।

বিজয়—ভাই, আজি আৰু তুমি যাব নালাগে। কেইদিনমান ইয়াতে জিৰণি লোৱা। বাৰু আমি জানো তোমাৰ ভাই নহওঁ?

তাৰা—নিশ্চয় আমি ভাই। মোৰ গা বৰ অসুখ কৰিছে।

জয়— তোমালোক যোৱা। মই এওঁৰ লগতে থাকোঁ।

তাৰা—মোৰ তেনে টান নৰিয়া হোৱা নাই। আপুনি মোৰ নিমিত্তে বন্ধ হৈ থাকিব নালাগে। বাটৰ কষ্টৰ বাবে কি অলপ অসুখ হৈছে সি আপুনি গুচিব।

জয়—মই তোমাক বৰ ভাল পাওঁ। এনেকি পিতাতকৈও তোমাক বেছি ভাল পাওঁ।

বিক্রম—কি কোৱা মোতকৈও বেছি ?

বিজয়—যদি তেনে কথা কোৱা পাপ তেনেহলে দাদাৰ লগতে
মযো সেই পাপৰ ভাগী হওঁ। এতেক কিয় মই ভাল পাওঁ
কব নোৱাৰোঁ। আপোনালোকে কোৱা শুনিছো বোলে
মানুহে কাৰণ নোহোৱাকৈয়ে ভাল পায়। এওঁক মই এনে
ভাল পাওঁ যে যদি ভীষণ যমদূতে হাতত গদা লৈ কলেহেঁতেন
তোমালোকৰ ভিতৰত এজন মৰিব লাগে—নমৰিলেই নহয়—
তেনেহলে মই ততালিকে কলোঁহেঁতেন—আমাৰ এজনকে
নিয়ক, অমিয়ৰ গাত যেন হাত নিদিয়ে।

বিক্রম—[স্বগত] কেনে উদাৰ ভাব! কেনে নির্ভীক! সিংহৰ
গর্ভতহে সিংহৰ জন্ম, শিয়ালীৰ গর্ভত নহয়। বাৰু মইতো
ইহঁতৰ পিতাক নহওঁ। কিন্তু এই ডেকাজন কোন?
ইহঁতে ইয়াক মোতকৈও বেছি ভাল পায়! [প্রকাশ্যে]
বেলি হল।

বিজয়—ভাই, তেনেহলে আমি মৃগয়ালৈ যাওঁ।

তাৰা—ভাল, আপোনালোকে যেন ডাঙৰ চাই পহু এটা আনিব
পাৰে মই তাকে ঈশ্বৰৰ ওচৰত খাটোঁ। (স্বগত) ৰাজ-
পুৰীত থাকোঁতে শুনিছিলো যে ৰাজধানীৰ বাহিৰত থকা
সকলো অসভ্য বর্ব্বৰ। কিন্তু নিজ চকুৰে দেখিলোঁ সেইবোৰ
মিছা কথা। ভয় লগা সাগৰতহে ভয় লগা জন্তুবোৰৰ জন্ম
হয়, কিন্তু সৰু নদীত কেনে সুন্দৰ সুন্দৰ মাছবোৰে জন্ম
ধৰে। মোৰ গাটো বৰ অসুখ কৰিছে। চন্দনে দিয়া
ঔষধ পালিকে খাওঁ কিজানি অসুখ গুচে।

বিক্রম—আহা বোপাইত, বনলৈ যাওঁ। অমিয়, তুমি অলপ শোৱাগৈ।

বিজয়—যোৱা ভাই, আমি সোণকালে আহিম ।

[ তাৰা গহ্বৰৰ ভিতৰলৈ যায় । ]

বিক্রম—যদিও লৰাজন বিপদত পৰিছে, তথাপি কথাই কথাই যি বুজিলোঁ ইয়াৰ জন্ম উচ্চ বংশত। মুখখন যদিও গম্ভীৰ, তথাপি হাঁহিটি ডাৱৰে আবৰা আকাশৰ মাজত বিজুলীৰ দৰে মনোমোহা। আহাঁ বনলৈ যাওঁগৈ । সেইটো আকৌ কোন এই ফালে আহিছে। [ ৰঘুপতিৰ প্রবেশ । ]

ৰঘু—পালৰীয়াহঁতক এতিয়াও লগ নাপালোঁ। চন্দনে মোক ফাকি দিলে নেকি? বৰ ভাগৰ লাগিছে।

বিক্রম—ই আমাকেই পলৰীয়া বুলিছে নেকি? ইয়াক চিনো চিনো যেন পাওঁ, মুখখন দেখা দেখা মনত পৰিছে—চাওঁ ভালকৈ, ই নিশ্চয় ৰাণীৰ ভায়েক ৰঘুপতি। আমাক সকলোৱে ডকাইত বুলি ভাবে। ই নিশ্চয় সৈন্য লৈ আমাক ধৰিবলৈ আহিছে। আহাঁ পলাওঁ।

জয়—ই অকলে আমাক কি কৰিব? বিজয়ক লগত লৈ গৈ ইফালে সিফালে চাওক—ইয়াৰ লগত কোনোবা অনুচৰ আছেনে? লাগিলে মই ইয়াক অকলে পাৰিম ।

[ বিক্রম আৰু বিজয়ৰ প্রস্থান ]

ৰঘু—সাৱধান, থিয় দে, নপলাবি। কোন তই? মানুহৰ মুখত শুনিছো—ইয়াত ভীলদস্যুবোৰ থাকে। থিয় দে ভীল।

বিজয়—এনেকুৱা ভদ্র মানুহক মই চৰ আৰু লাঠিৰেহে উত্তৰ দিওঁ।

ৰঘু—তই ডকাইত—অস্ত্র এৰ।

বিজয়—কাৰ ওচৰত অস্ত্র এৰিম? তই কোন? তোৰ দৰে ময়ো এজন মানুহ। অৱশ্যে তোৰ কথাবোৰ ডাঙৰ। আগধৰি তয়ে উত্তৰ দে। কোন তই?

ৰঘু—অসভ্য ভীল, মোৰ কাপোৰ-কানি দেখি চিনি পোৱা নাইনে?

জয়—চিনি পাইছোঁ। তোৰ বাপেৰ দৰ্জ্জী আছিল। সিয়েই তোক এইবোৰ কৰি দিছে।

ৰঘু—মোৰ পিতাই এইবোৰ কৰা নাই।

জয়—তেনেহলে যি তোক দয়া কৰি এইবোৰ দিছে, তাৰ ভৰিত দীঘল দি পৰি এইবোৰ ওলোটাই দে গৈ। তই কোনোবা মূৰ্খ, তোক মাৰিবলৈও ঘিণ লাগে।

ৰঘু—তেন্তে মোৰ নাম শুন।

যয়—তোৰ নামটোনো কি বাৰু?

ৰঘু—মোৰ নাম ৰঘুপতি।

জয়—দুষ্ট, তোৰ নাম ৰঘুপতিয়েই হওক বা লঘুপতিয়েই হওক, তাত ভয়ৰ কাৰণ কি? তাতকৈ সাপ বেং কিবা এটা হোৱা হলেই অলপ ভয়ৰ কাৰণ আছিল।

ৰঘু—কি! তই মোক এলাপেচা মানুহ বুলি ভাবিছ নেকি? শুন তেন্তে, মই ৰজাৰ খুলশালিয়েক, মোৰ বাইদেউ এই ৰাজাৰ মহাৰাণী। মোক সাধাৰণ পুৰুষ বুলি নাভাবিবি একা।

জয়—শুনি বৰ দুখ পালোঁ, তই তোৰ বংশৰ উপযুক্ত নহলি।

ৰঘু—কি! তই মোক ভয় কৰা নাই?

জয়—মই কেৱল জ্ঞানী মানুহকহে ভয় আৰু ভক্তি কৰোঁ। মূৰ্খবোৰক ঘিণ কৰোঁ আৰু এই তীৰেৰে সিহঁতক শিক্ষা দিওঁ।

ৰঘু—কি! তোৰ ইমান সাহ? এই ঠাইতে তোক মাৰি তোৰ সেই পলৰীয়াবোৰক হত্যা কৰি শিয়াল শগুনক ভোজ দিম।

[ দুইজনৰে যুদ্ধ কৰি কৰি প্ৰস্থান। বিক্ৰমজিৎ আৰু বিজয়ৰ প্ৰবেশ। ]

বিক্ৰম—এইফালে হলে কোনো জনপ্ৰাণী নাই। তুমি কাকো লগ নাপালা ?

বিজয়—কাকো নাই পোৱা। আপুনি তাক ৰঘুপতি বুলি ভয় কৰিছে।

বিক্ৰম—অসম্ভৱ! যদিও তাক বহুত দিন দেখা পোৱা নাই তথাপি মই নিশ্চয় কব পাৰোঁ ই ৰঘুপতি। মুখৰ আকৃতি প্ৰকৃতি, ভাৱ-ভঙ্গী, কথা-বতৰাই ঠিক ৰঘুপতি। ই নিশ্চয় ৰঘুপতি।

বিজয়—এই ঠাইতে আমি ইমানক এৰি গৈছোঁ। দাদাৰ যেন একো অমঙ্গল হোৱা নাই! আপুনি কৈছে ই বৰ নিৰ্দ্দয়—

[ ৰঘুপতিৰ কটা মূৰ লৈ জয়ৰ প্ৰবেশ। ]

জয়—সি ৰঘুপতি এটা গাধ। ই নিচেই ডালদৰিদ্ৰৰ ঘৰৰ লৰা। স্বয়ং ভীমেও ইয়াৰ মূৰৰ পৰা অলপো মগজু বাহিৰ কৰিব নোৱাৰিলেহেতেন।

বিক্ৰম সৰ্ব্বনাশ কৰিলি।

জয়—বৰ ভাল কাম কৰিছোঁ। সেইবাবে মই নিজকে নিজে প্ৰশংসা কৰোঁ। সি বোলে মহাৰাণীৰ ভায়েক। সি কুকুৰে মোক বি পায় তাকে গালি পাৰিছে।

বিক্ৰম—সৰ্ব্বনাশ হল। ইয়াৰ ফল মৃত্যু।

জয়—কিয় পিতা, ভয়ৰ কাৰণ কি? সকলোৱে আমাক ডকাইত বুলি ভাবে। চোবাংচোৱাই ধৰিব পাৰিলে আমাৰ নিস্তাৰ নাই। তেনেহলে আমাক অপমান কৰাৰ বাবে এজন মূৰ্খক কিয় শাস্তি নিদিয়াকৈ এৰি দিম? সি মহাৰাণীৰ ভায়েকেই হ'ক বা খুৰাকেই হ'ক তাত আমাৰ কি? বাটত কাৰোবাক লগ পালেনে?

বিক্ৰম—এটি প্ৰাণীকো লগ নাপালোঁ। কিন্তু তাৰ লগত নিশ্চয় অনুচৰ আছিছে।

বিজয়—যি হয় হওক, কিন্তু দাদাই হলে ক'মটো বৰ ভাল কৰিছে।

বিক্ৰম—আজি আৰু মৃগয়া কৰিবলৈ মন নাই। এতিয়া অমিয়ৰ ওচৰলৈ যাওঁ আহাঁ।

জয়—তৰোৱাল ঘূৰাই ঘূৰাই সি মোক ধমক দিছিল। মই তাৰ তৰোৱালখন কাঢ়ি লৈ একে ঘাপে তাক কাটি পেলালোঁ। এতিয়া ইয়াৰ মূৰটো নি নিজৰাত পেলাই দিওঁগৈ। তাৰ পৰা লাহে লাহে সাগৰলৈ গৈ সাগৰৰ মাছবোৰক জনাওক যে ই ৰজাৰ খুলশালীয়েক। [ প্ৰস্থান। ]

বিক্ৰম—যি হবলগীয়া আছিল হৈ গল। আজি আৰু আমি পহু নামাৰো। গহ্বৰলৈ গৈ তুমি অমিয়াক শুশ্ৰূষা কৰা। মই হয়তো জয়ৰ নিমিত্তে অলপ অপেক্ষা কৰোঁ।

বিজয়—অমিয়! এনে শত সহস্ৰ ৰঘুপতিক বধ কৰিও যদি তোমাৰ মুখত হাঁহি এটি দেখা পালোঁহেঁতেন। [ প্ৰস্থান। ]

বিক্ৰম—প্ৰকৃতি! তোমাৰ কেনে আচৰিত মহিমা। এই ৰাজপুত্ৰ দুজনত কেনে আচৰিত ভাবে তাৰ প্ৰভাব বিস্তাৰ কৰিছে। স্বভাৱতে ইহঁত মলয়া বতাহৰ দৰে শান্ত, ধীৰ, কিন্তু যেতিয়া খং উঠে তেতিয়া বজ্ৰতকৈও কঠোৰ। যি ধুমুহাই শত সহস্ৰ শাল গছকো বগৰাই পেলায় সেই ধুমুহাতকৈও ভীষণ। স্বভাৱতে ৰজাৰ দৰে উচ্চমনা, মহান আৰু মাৰ্জ্জিত। [ অলপ ভাবি ] কিন্তু ৰঘুপতিৰ আগমন বৰ শুভ লক্ষণ নহয়। [ জয়সিংহৰ প্ৰবেশ। ]

জয়—বিজয় কলৈ গল? ৰঘুপতিৰ মূৰটোকে তাৰ বায়েকৰ ওচৰলৈ বাতৰি দিবলৈ পঠালোঁ।

বিক্রম—কোনে কান্দিব লাগিছে? বিজয়ৰ কণ্ঠস্বৰ নহয়নে? তোমালোকৰ মাতৃদেৱী ঢুকাবৰ পৰা এনে বিননি শুনা নাই। সি পগলা হল নেকি?

জয়—বোধকৰোঁ অমিয় আৰু এই সংসাৰত নাই। সৌৱা অমিয়ক কান্ধত লৈ পগলাৰ দৰে কান্দি কান্দি বিজয় এই ফাললৈকে আহিব লাগিছে।

[ বিজয়সিংহই কান্ধত অমিয়ৰ মৃতদেহলৈ কান্দি কান্দি আহে। ]

বিজয়—যাক ইমান মৰম কৰিছিলো সেই মৰমৰ পখিটিয়ে আমাক ফাকি দি পলাই গল। মোৰ প্ৰাণ দিও যদি তাক ঘূৰাই আনিব পাৰিলোঁহেঁতেন।

জয়—পিতা, চাওকচোন বিজয়ৰ বুকুৰ ওপৰত পদুমফুলৰ দৰে অমিয়ই কেনে শোভা পাইছে।

বিক্রম—শোক মানুহৰ ওচৰলৈ কেতিয়া কেনেকৈ আহে তাক কোনে জানে? বিজয়, তালৈ গৈ অমিয়ক কেনে দেখিছিলা?

বিজয়—ঠিক এনে ভাবে লৰচৰ নকৰা কৰি। টোপনি অহা যেন পাই জগাবৰ ভয়ত হাতৰ সাৰে ভৰিৰ সাৰে গৈ দেখিলোঁ মজিয়াতে গাৰুটোৰ ওপৰত মূৰ থৈ হাত দুখনি মেলি যেন শুই আছে। মাতিলোঁ, মাত নাপালোঁ। লাৰি চাৰি চাই বুজিব পাৰিলোঁ দেহৰ পৰা প্ৰাণ পখী উৰি গৈছে। তেতিয়া কান্দিব ধৰিলোঁ।

বিক্রম—বিজয়! তিৰোতা মানুহৰ নিচিনাকৈ কান্দিলে কি হব? সকলো বিধিৰ বিধান। যদি কান্দি পালোঁহেতেন মযো মাটিত বাগৰি বাগৰি কান্দিলোহেতেন। আহাঁ এতিয়া পুতি থওঁগৈ।

বিজয়—কত পুতিম?

জয় – পুতি থম ? এনে সুন্দৰ দেহ বাৰু কোন মতে পুতি থম ! বাৰু বিজয়, সেই নিজৰাৰ পাৰৰ ঠাই ডুখৰিত—যত অমিয়ৰ মুখৰ দৰে ৰূপহ ফুলবোৰ ফুলি আছে, যত অমিয়ৰ গীতৰ দৰে পখীবোৰে সদায় প্ৰাণবিমোহিনী গান গাই থাকে, আহাঁ তাতে গৈ এই সুন্দৰ দেহটো ফুলেৰে সজাই থওঁগৈ ।

বিজয়—আহাঁ দাদা, তেওঁৰ আত্মাৰ মঙ্গলৰ অৰ্থে গীত গাই গাই সেই ঠাই ডুখৰিতে শুৱাই থওঁগৈ ।

বিজয়—

## —গীত—

### সুৰ—ভৈৰবী মিশ্ৰ

অমিয় ! অমিয় ! প্ৰাণৰ ! অমিয় কেনি যোৱা এনে বেশেৰে ।
অত ভাল পোৱা প্ৰাণৰ হেপাহ এৰিলা কোনটো মতেৰে ।
ধুনীয়া শৰীৰ, ৰূপৰ মাধুৰী দেখি মোৰ মন সদা বিয়াকুল ।
সোণৰ প্ৰতিমা দেখোঁতে দেখোঁতে, কালৰ সোঁতত পৰি তল গল ॥
ফুলৰ দেশৰ, ফুলৰ কোঁৱৰ, ফুলৰ নিচিনা কোমল হৃদয় ।
ফুলৰ মাজত থম যতনেৰে দেহটি তোমাৰ কৰি ফুলময় ॥
স্বৰগ ৰাজ্যৰ পাৰিজাত ফুল, দুদিনীয়া দেহ মৰহিল আজি ।
আটো ঈশ্বৰক স্বৰগত যেন লভা চিৰ-সুখ লভা চিৰ-শান্তি ॥

[ ৺কৰ্ম্মবীৰ বৰদলৈ ]

বিক্ৰম—এইবোৰ ফুল লোৱা, কালি ৰাতিপুৱাই আৰু ফুল ফুলি সূৰ্য্যৰ কিৰণত উজ্জল হব । তুমি এই ফুলা ফুলবোৰৰ দৰে আছিলা, এতিয়া শুকালা । তোমাৰ ওপৰত দিয়া ফুলবোৰ জঁয় পৰি যাব । এতিয়া তুমি সংসাৰৰ সুখ দুখৰ অতীত ।

ঈশ্বৰে তোমাৰ আত্মাৰ মঙ্গল কৰক। আহাঁ এতিয়া যাওঁগৈ।

[ সকলোৰে প্ৰস্থান। ]

অমিয় –( কিছুপৰৰ পাছত সাৰ পাই ) হয় ডাঙৰীয়া, মই ৰাজগড়লৈ যাম। কোনটো বাট ? সেই পিনে ? আৰুনো কিমান যাম ? ইয়াত অকলে অকলে শুই থাকোঁ, লগৰীয়াতো কোনো নাই। মই সপোন দেখিছোঁ নে সাৰে আছোঁ ? সপোনত দেখিছিলো যে মই কেইজন মান মানুহৰ লগত আছোঁ ! কতা ? ইয়াত দেখোন কোনো নাই ? মই দেখোন অকলে ? ই মোৰ মূৰৰ বিকাৰ ! উস, হৰি ! কি সপোন দেখিলোঁ ? [উঠি] এতিয়া ভয়তে গোটেই গাটো কঁপিব লাগিছে। মৌবোৰ কোন ? এই ফালে আহিব লাগিছে।

[ ৰামসিংহ, দিলীৰ খাঁ আৰু সৈন্যসকলৰ প্ৰবেশ। ]

দিলীৰ খাঁ– জয়পুৰৰ ৰজাই কৰ নিদিব বুলি ভাবি আপুনি অহাৰ পাছতে মোগল বাদশ্বাহে মোৰ অধীনত এদল ফৌজ পঠাই দিছে। জয়পুৰৰ সীমাত আমি আপোনালৈ অপেক্ষা কৰি আছিলোঁ। বাদশ্বাহৰ আদেশ-–সেনাপতি হৈ আপুনি সেই সৈন্য চালনা কৰিব, আৰু মই আপোনাৰ সহকাৰী হৈ থাকিম।

ৰামসিংহ--তেনেহলে দোণকালে আমি যুদ্ধযাত্ৰা কৰা উচিত। এই জন কোন ? [ অলপ আগুৱাই ] যুৱক ! তুমি মোক নিৰ্ভয়ে পৰিচয় দিয়া।

অমিয়—ডাঙৰীয়া, মোৰ কপালৰ কথা কি কম ? মই দিল্লীলৈ যাওঁ বুলি আহিছিলোঁ, ইয়াতে বাট হেৰুৱাইছোঁ।

ৰামসিংহ—তোমাৰ নাম ?

তাৰা—মোৰ নাম অমিয় ।

ৰাম—নামটি যেনে কথাবোৰো তেনে—যেন কাণত অমৃতহে বৰষে। তুমি মোৰ অধীনত কাম কৰিবানে ? মোৰ লগতে দিল্লীলৈ যাব পাৰিবা । মই তোমাক বৰ মৰম কৰিম ।

তাৰা—তেনেহলে আপোনাৰ লগুৱা হোৱাত মোৰ একো আপত্তি নাই ।

ৰাম—আহাঁ আমাৰ লগতে আহাঁ । [ দিলীৰক ] তেনেহলে সৈন্য-বোৰক এতিয়াই জয়পুৰ আক্ৰমণৰ বাবে প্ৰস্তুত কৰাগৈ ।

দিলীৰ—যি আদেশ । [ সকলোৰে প্ৰস্থান ]

## তৃতীয় দৰ্শন

### ৰাজকক্ষ

[ ৰজা, মন্ত্ৰী আৰু চন্দন। ]

ৰজা—ভায়েক ৰঘুপতিৰ বাতৰি নাপাই ৰাণী মৃত্যু-শয্যাত । বিপদ পকৰাৰ লাগিৰ দৰে। মোৰ এক মাত্ৰ সন্তান তাৰা—তাইৰো খবৰ নাই। শত্ৰুৱে ৰাজ্য আক্ৰমণ কৰিছে। ৰাণী মৃত্যুৰ মুখত। এতিয়া নিজৰ প্ৰাণলৈও সঙ্কট । এনে বিপদৰ সময়ত যি মোৰ সোঁ হাত স্বৰূপ হব বুলি আশা কৰিছিলো, সেই ৰঘুপতিও নিৰুদ্দেশ। এইবোৰ ভাবি ভাবিয়েই মই উন্মাদ হবৰ উপক্ৰম হৈছোঁ । চন্দন, তই যদিও একো নাজানো বুলি ফাকি দিছ, তথাপি মই জানো—তাৰাৰ নিৰুদ্দেশৰ মূলত তয়ে । তোক গললৈ মাটিত পুতি থৈ কুকুৰ লগাই দি কামোৰাম, কাটি কাটি

তোৰ গাত লোণ খাৰনিৰ ছিটা দিম। চাওঁচোন তই কিমান মিছা কথা কব পাৰ।

চন্দন—মহাৰাজ, মোৰ জীৱন আপোনাৰ হাতৰ মুঠিত। মাৰিলেও মাৰিব পাৰে, ৰাখিলেও ৰাখিব পাৰে। কিন্তু আইদেউৰ বিষয়ে হলে মই একো নাজানো। কলৈ গল, কেতিয়া আহিব তাৰ একো ভু নাপাওঁ।

মন্ত্ৰী—যিদিনা তাৰা আইদেউ ঘৰৰ পৰা নোহোৱা হয় সেইদিনা ইয়াক দেখা দেখা যেন মনত পৰে। ই বোধকৰো ফাকি দিয়া নাই সঁচাকেই কৈছে।

ৰজা—বৰ বিপদৰ সময়। সেই বাবে এতিয়া তোক শাস্তি নিদিওঁ। কিন্তু জানিবি চন্দন! তোৰ ওপৰত মোৰ খং আছে। মন্ত্ৰী, আহাঁ এতিয়া এবাৰ সৈন্য পৰিদৰ্শন কৰোগৈ।

[ ৰজা আৰু মন্ত্ৰীৰ প্ৰস্থান। ]

চন্দন· এজনৰ ওচৰত বিশ্বাসী হলে আনৰ ওচৰত অবিশ্বাসী হব লাগে মই আইদেউৰ ওচৰত বিশ্বাসী, কিন্তু ৰঘুপতি আৰু ৰজাৰ ওচৰত অবিশ্বাসী। আইদেউক হত্যা কৰাৰ বাতৰি দিয়াৰ পৰা পালিতৰ একো সংবাদ নাই। ৰঘুপতিৰো বাতৰি নাপাওঁ, ইপিনে আইদেউৰ পৰাও চিঠি নাপালোঁ। কিজানি কিবা বিপদতে পৰিছে। এবাৰ দিল্লীলৈ গলে কিবা খবৰ পাব পাৰোঁ। কিন্তু ৰাজ্যৰ চাৰিওফালে মোগল সৈন্য। বাহিৰ হোৱা অসম্ভৱ। তেনেহলে উপায়? আমাৰ নিচিনা মানুহে ভাবি চিন্তিয়েই বা কি কৰিম? ঈশ্বৰৰ যি ইচ্ছা সেয়ে হওক।

[ প্ৰস্থান। ]

# চতুৰ্থ দৰ্শন

## বিক্ৰমজিতৰ গহ্বৰৰ সম্মুখ

[ জয়, বিক্ৰম আৰু বিজয়সিংহ। ]

জয়—চাৰিওফালে হুলস্থুল। ঘোৰাৰ চেঁহেঁহনি, হাতীৰ নাকী মাৰাৰ শব্দ, জয়ী সৈন্যৰ আনন্দৰ কিৰিলি পৰাজিতৰ বিননি।

বিক্ৰম—আহাঁ ইয়াৰ পৰা পলাই যাওঁগৈ।

বিজয়—পিতা, যদি বীৰত্ব আৰু সাহসৰ কামৰ পৰাই পলাব লাগে তেন্তেনো এই জীৱনৰ মূল্য কি?

জয়—ইয়াত লুকাই থাকিলেই হব বা কি? যদি মোগল সৈন্যই আমাক পায়, সিহঁতে আমাক জয়পুৰৰ প্ৰজা বুলি হত্যা কৰিব। আনফালে যদি ৰাজসৈন্যৰ হাতত পৰোঁ তেনেহলে অসভ্য ভীল দস্যু বুলি তহঁতলিকে হত্যা কৰিব। এফালে জুই—আনফালে বানপানী। যদি মৃত্যুই ধ্ৰুৱ তেনেহলে আহক, জন্মভূমিৰ স্বাধীনতা ৰক্ষাতেই প্ৰাণ উছৰ্গা কৰোঁ।

বিক্ৰম—বাছাহঁত, আহাঁ আমি সৌ পৰ্ব্বতৰ টিঙলৈ গৈ লুকাই থাকোঁ। তাত আমাক কোনোৱে লগ নাপায়। ৰাজ-সৈন্যৰ লগত আমি লগ হব নোৱাৰোঁ কাৰণ আমিয়েই ৰঘুপতিক হত্যা কৰিছোঁ বুলি জানিব পাৰিলে মৃত্যু নিশ্চয়।

বিজয়—সেইটো কেতিয়াও সম্ভৱ নহয়। যেতিয়া সকলো ৰাজপুত বীৰে শত্ৰুৰ হাতৰ পৰা নিজৰ স্বাধীনতা ৰক্ষা কৰাত ব্যস্ত থাকিব তেতিয়া আমি কোন, আমিয়েই ৰঘুপতিক হত্যা কৰিছোনে নাই এইবোৰ অনুসন্ধান কৰি কোনে সময় কটাব?

বিশেষতঃ ৰজাৰ ফালে বহুত ভীল সৈন্য আছে, সিহঁতৰ লগত মিলিলে আমাৰ কোনো ভয় নাই।

বিক্রম—সৈন্যবোৰৰ ভিতৰত বহুতে ভালকৈ মোক চিনি পায়। চোৰা ইমান দিন হল তথাপি ৰঘুপতিক মই পাহৰা নাই। মোক কেনেকৈ সৈন্যবোৰে পাহৰিব? মই নির্ব্বাসিত, চিনি পালেই মোৰ মৃত্যু নিশ্চয়।

জয়—ইয়াত কাপুৰুষৰ দৰে লুকাই থকাতকৈ মোৰ মনেৰে মৃত্যু শত গুণে ভাল। আহক পিতা, যাওঁগৈ। আমা দুজনক কোনেও চিনি নাপায়—আপোনাৰো ডাড়ি চুলি পকিছে আৰু বিশেষতঃ আপোনাৰ কথা কোনেও ভাবি থকা নাই যে তৎক্ষণাৎ আপোনাক চিনি পাব। অথবা আপুনি ইয়াতে থাকক, আমি দুয়ো ৰণলৈ যাওঁ। জীয়াই থাকিলে পুনৰায় আহিম। পিতা, বিদায় দিয়ক।

বিজয়—আহক পিতা আৰু লুকাই থাকিব নোৱাৰোঁ। কেতিয়াও ৰণ দেখা নাই, তাৰ কথা আপোনাৰ মুখতহে শুনিছো, এই বাৰ নিজ চকুৰে চাম।

জয়—পিতা, আদেশ দিয়ক আমি ৰণলৈ যাওঁ। আপুনি নির্ব্বাসিত বিশেষতঃ দুর্ব্বল বৃদ্ধ, ইয়াতে থাকক। আমি যুৱক, যুদ্ধ কৰাত পোত। যদিও ইয়াত অসভ্য ভীলৰ দৰে আছোঁ তথাপি আমাৰ জন্ম জয়পুৰত। এই বিপদত মাতৃভূমিৰ স্বাধীনতা ৰক্ষা কৰাই আমাৰ কর্ত্তব্য। পিতা, বিদায় দিয়ক।

বিক্রম—বাৰু সেয়ে হওক। কিন্তু তোমালোকৰ লগতে ময়ো যাম। তোমালোকৰ সুখেই মোৰ সুখ। যদিও বুঢ়া হৈছোঁ তথাপি শৰীৰত শক্তি যথেষ্ট আছে, বলা আগবাঢ়া। [সকলোৰে প্রস্থান।]

ঐক্যতান

# পঞ্চম অঙ্ক

RARY
13 AUG. 1945
GAU

## প্ৰথম দৰ্শন

মোগল-শিবিৰৰ একাংশ

[ পালিত। ]

পালিত—ৰাঙলী কাপোৰ ! তোক মই যতনকৈ ৰাখিম। মোৰ ইচ্ছা অনুসৰি তই তাৰাৰ তেজেৰে ৰঞ্জিত হৈছ। বিবাহিত প্ৰত্যেক মানুহেই যদি মোৰ দৃষ্টান্ত অনুকৰণ কৰে তেন্তে তেওঁ আন সাধাৰণ শতগুণে শ্ৰেষ্ঠ কত তিৰোতাক অতি সামান্য দোষতে হত্যা কৰিব। চন্দন ! তই প্ৰভু ভক্ত ; কিন্তু সকলো প্ৰভুভক্ত ভৃত্যইতো প্ৰভুৰ সকলো আদেশ পালন নকৰে ! তেন্তে তই কিয় মোৰ এই অন্যায় আদেশ পালন কৰিলি ? তোকেই বা দোষ দিম কি ? সকলো মোৰ দোষ, পূৰ্ব্বজন্মৰ সঞ্চিত পাপৰ ফল। যদি দিলীৰ খাঁৰ কথা শুনিয়েই তাৰাক হত্যা কৰিববলৈ উন্মত্তৰ দৰে আদেশ নিদিলোঁহেঁতেন তেন্তে এতিয়া অনুতপ্ত হব নালাগিলহেঁতেন। এতিয়া বুজিছোঁ। দিলীৰ খাঁ কেনে ভয়নাক মানুহ। মোৰ মনৰ দৃঢ় বিশ্বাস হৈছে যে তাৰা নিৰ্দ্দোষী ; সকলো দিলীৰ খাঁৰ চক্ৰান্ত। হে ঈশ্বৰ ! যদি মোৰ পাপৰ নিমিত্তে মোক উপযুক্ত শাস্তি দিলাহেঁতেন তেনেহলে তাৰাৰ মৃত্যুৰ কাৰণ হবলৈ জীয়াই নাথাকিলোহেঁতেন। বিধাতা, তোমাৰ বিচাৰ অতি ৰহস্যপূৰ্ণ,

অতি কঠোৰ। তাৰা তোমাৰ অনুগ্ৰহৰ পাত্ৰী, সেই বাবে সোণকালে এই পাপ-পূৰ্ণ সংসাৰৰ পৰা আঁতৰাই নিলা। এই কলঙ্কিত পৃথিবী তেনেকুৱা জনৰ উপযুক্ত ঠাই নহয়। [অলপ মনে মনে থাকি] মই জয়পুৰ ৰাজ্যৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আহিছোঁ।; কিন্তু জয়পুৰ! তোমাৰ ভাবী পটেশ্বৰীক হত্যা কৰিয়েই তোমাৰ বুকুত কঠোৰ শেল হানিছো। তুনাই তোমাৰ সন্তানসকলক হত্যা কৰি আৰু তোমাক আঘাত নিদিওঁ। [অলপ মনে মনে থাকি] এই মোগল সৈনিকৰ সাজ থৈ সামান্য ৰাজপুত সৈনিকৰ সাজ লৈ মোগলৰ বিৰুদ্ধে যুদ্ধ কৰিম। তাৰা! হৃদয়েশ্বৰী! তোমাৰ কাৰণেই এই প্ৰাণ বিসৰ্জ্জন দিম। তোমাৰ হত্যাৰ কথা ভাবি ভাবিয়েই মোৰ জীৱন মৃতপ্ৰায়, তথাপি তোমাৰ কাৰণেই যুদ্ধ কৰি প্ৰাণ ত্যাগ কৰিম। এনে যুদ্ধ কৰিম যে ৰাজপুত বীৰসকলে মোক সন্মান নকৰিলেও ঘৃণা কৰিব নোৱাৰে। আই ভৱানী! পূৰ্ব্বপুৰুষসকলৰ শক্তি যেন আজি মোৰ বাহুত আবিৰ্ভূত হয়।

[প্ৰস্থান।]

## দ্বিতীয় দৰ্শন

### যুদ্ধক্ষেত্ৰ

[ৰণ কৰি কৰি দিলীৰ খাঁ আৰু পালিতৰ প্ৰবেশ। দিলীৰৰ তৰোৱাল কাঢ়ি লৈ পালিত গুচি যায়।]

দিলীৰ—মোৰ পাপেই মোক দুৰ্ব্বল কৰিছে, নহলে এই সামান্য ৰাজপুত সৈন্যৰ হাতত পৰাজিত হওঁনে? এই দেশৰ

বতাহেও মোক শক্তিহীন কৰিছে। কিমান যুদ্ধত জয়ী হৈ মোগল সম্রাটৰ পৰা কিমান সন্মান, কিমান জায়গীৰ লাভ কৰিলোঁ, কিন্তু আজি সেই সকলোৰে অপমান হল। যদি এজন ৰাজপুত সৈনিকৰ ইমান বল, ইমান সাহ, তেনেহলে নিশ্চয় হইত দেৱতা, আৰু আমি পশুতকৈও অধম। [ প্ৰস্থান। অজয়সিংহ আৰু ৰামসিংহই যুদ্ধ কৰি কৰি যায়। বেগেৰে বিক্ৰমজিৎ, জয় আৰু বিজয়সিংহৰ প্ৰবেশ। ]

বিক্ৰমজিৎ—ৰাজপুত বীৰসকল! নপলাবা। প্ৰাণ মানতকৈ শ্ৰেষ্ঠ নহয়। পৰাজয়ৰ শঙ্কা নাই। গিৰিশঙ্কট সুৰক্ষিত, আমি সহায় কৰিম।

জয়ওবিজয়—নপলাবা, নপলাবা, কাপুৰুষৰ দৰে নপলাবা। আমি তোমালোকক সহায় কৰিম। [ সকলোৰে প্ৰস্থান। ৰামসিংহ দিলীৰ খাঁ, তাৰা আৰু কেইজনমান মোগল সৈন্যৰ প্ৰবেশ। ]

ৰাম—যুৱক! সময় থাকোঁতেই সৈন্য এৰি পলাই যোৱা। নিজৰ প্ৰাণ ৰক্ষা কৰা। এই সময়ত শত্ৰু মিত্ৰৰ চিনাকি নাই। মানুহৰ ভাগ্য কেনে পৰিবৰ্ত্তনশীল! ৰাজপুত ৰজাও বন্দী হল, সৈন্যই পিঠি দিলে, জয়পুৰ প্ৰায় আমাৰ হাতৰ মুঠিত। এনেতে কৰপৰা কোন আহি আমাক পৰাজয় কৰিলে!

দিলীৰ—এইবোৰ বোধকৰোঁ ৰাজপুত দুৰ্গৰক্ষী সৈন্য?

ৰাম—আহাঁ, সময় থাকোঁতেই উপকাৰ কৰোঁ। হয় নতুন ব্যূহ ৰচনা কৰি সাহেৰে যুজি জয়লাভ কৰো অথবা বীৰ-শয্যা লাভ কৰি অনন্ত সুখ ভোগ কৰোঁ।

## তৃতীয় দৰ্শন

### যুদ্ধক্ষেত্ৰৰ একাংশ

[ পালিত আৰু এজন ৰাজপুত সৈন্যাধ্যক্ষৰ প্ৰবেশ । ]

সৈন্যাধঃ— যত যুদ্ধ হৈছিল আপুনি তাৰ পৰা আহিছিল নেকি ?

পালিত—হয় ডাঙৰীয়া, পিছে আপুনি যুদ্ধক্ষেত্ৰত নাছিল নেকি ?

সৈন্যা—আমি মোগল সৈন্যৰ হেচাত সুশৃঙ্খল ভাবে পাছ হুঁহকি এইখিনি পালোঁহি ।

পালিত—আপোনাৰ গাত একো দোষ নাই । ৰাজপুতৰ পৰাজয় প্ৰায় নিশ্চিত হৈছিল । শৰীৰৰক্ষী আৰু অনুচৰবোৰ পলাই যোৱাত মোগলে ৰজাক বন্দী কৰিলে । তেতিয়া জয়ী মোগলৰ আগত ৰাজপুত সৈন্যই কুকুৰ মেকুৰীৰ দৰে পলাবলৈ ধৰিলে । তেতিয়া এজন বুঢ়া ভীলে লগত ৩জন ডেকাক লৈ পলৰীয়া ৰাজপুত সৈন্য আৰু জয়ী মোগলৰ মাজত থিয় দি চিঞৰি চিঞৰি কলে—ৰাজপুত বীৰসকল ! শত্ৰুৰ হাতত মাতৃভূমি এৰি দি শিয়ালৰ দৰে পলাই নাযাবা, আমি তোমালোকক সহায় কৰিম । চোৱা এই গিৰিশঙ্কট কেনে সুৰক্ষিত । মোগল সৈন্য কোনোমতে বাজ হৈ যাব নোৱাৰে । ইয়াকে কৈ মোগলৰ ওপৰত সিংহৰ দৰে জপিয়াই পৰিল । এই আকস্মিক আক্ৰমণত মোগল সৈন্য বিবুদ্ধি হৈ পলাবলৈ ধৰিলে । সেই সময়ত বুকুত সাহ বান্ধি আন আন লগৰীয়া ৰাজপুতসকলে যুদ্ধত যোগ দিলে । মুহূৰ্ত্ততে মোগলৰ সৈন্য ছেদেলি ভেদেলি হৈ গল ।

সৈঃধ্যঃ—বৰ আচৰিত কথা ! এটি সঙ্কীৰ্ণ বাটত এজন বুঢ়া মানুহে আৰু দুজন লৰাই জয়পুৰৰ স্বাধীনতা ৰক্ষা কৰিলে—আচৰিত কথা !

পালিত—আচৰিত নহব। আপোনাৰ গাত কি দোষ? দোষ বিধাতাৰ। আপোনালোকক আচৰিত হবলৈ সৃজন কৰিছে

সৈঃধ্যঃ—ডাঙৰীয়া, খং নকৰিব।

পালিত—কিয় খং কৰিম? খং কৰিলে কি হব?

সৈঃধ্যঃ—আপোনাৰ খং উঠিছে। বাৰু মই বিদায় হওঁ। [প্ৰস্থান।]

পালিত—কেনে সম্ভ্ৰান্ত বীৰ, ৰণ কৰিবলৈ আহি সোধে ৰণৰ বাতৰি কি? এনেকুৱা কত ৰাজপুতে আজি এই নশ্বৰ দেহাটো ৰক্ষা কৰিবলৈ নিজৰ মান সম্ভ্ৰম সকলোকে বিসৰ্জ্জন দিলেহেতেন। কিন্তু মন্ত্ৰপূত শৰীৰৰ দৰে মোৰ ওচৰৰ পৰা হলে মৃত্যু পলাই যায়। ই কি জটিল ৰহস্য! যি, মৃত্যুক বিচাৰে তাৰ ওচৰৰ পৰা হলে মৃত্যু পলাই যায় কিন্তু যাৰ মৰিবলৈ তিল মাত্ৰও ইচ্ছা নাই তাৰ প্ৰাণ হঠাৎ হৰণ কৰে। বাৰু মৃত্যু! মোৰ ওপৰৰ পৰা কিমান আঁতৰত থাকা এবাৰ দেখিম। তোমাক লগ ধৰিমেই ধৰিম। এতিয়া মই আকৌ মোগল সৈন্যৰ মাজত সোমাওঁগৈ। (সাজ পৰিবৰ্ত্তন কৰে) কোনো এজন ৰাজপুত সৈন্যক লগ পালেই আত্মসমৰ্পণ কৰিম। তেতিয়া আৰু মৃত্যুৰ ভাৱনা কি? মৃত্যু! তেতিয়া তুমি মোক আলিঙ্গন কৰিবই লাগিব। তাৰা! তোমাৰ হত্যাৰ প্ৰায়শ্চিত্ত এনেকৈ কৰিম।

[দুজন ৰাজপুত সৈন্যাধ্যক্ষ্য আৰু সৈন্যবোৰৰ প্ৰবেশ।]

১ম সৈঃধ্যঃ—ভৱানীৰ কৃপাত ৰামসিংহ বন্দী হল। সেই লৰা দুজন আৰু বুঢ়া মানুহজনক যেন ঈশ্বৰে আমাক সহায় কৰিবলৈহে পঠাইছিল।

২য় সৈঃধ্যঃ—আৰু এজন ৰাজপুত বেশী মানুহে তেওঁলোকক সহায় কৰিছিল।

১ম সৈঃধ্যঃ—এৰা, ৰণৰ পাছত হলে তেওঁক বিচাৰি বিচাৰি কতো নাপালোঁ। সাৱধান, থিয় দে। কোন তই ?

পালিত—মই এজন মোগল সৈনিক।

সৈঃধ্যঃ—সৈন্যসকল, বন্দী কৰ। তইঁতৰ পৰাজয় বাতৰি যেন মোগল বাদশ্বাহক দিবলৈ কোনো বাকী নাথাকে। কালিলৈ ৰজাৰ বিচাৰত নিশ্চয় তোৰ প্ৰাণ দণ্ড হব।

পালিত—সেইবাবেই ধৰা দিলোঁ। [ সকলোৰে প্ৰস্থান। ]

## চতুৰ্থ দৰ্শন

### কাৰাগাৰ

[ বন্দী পালিত। ]

পালিত—লৌহ শৃঙ্খল! তই মোৰ বৰ হেপাহৰ বস্তু। যুদ্ধ কৰিও যি মৃত্যুক ইমান দিনে বিচাৰি নাপালোঁ, সেই চিৰ অভিলষিত মৃত্যু তয়েই দিবি। সেই সুখকৰ মৃত্যুই আহি মোক সোণ-কালে সকলো যন্ত্ৰণাৰ পৰা মুক্তি দিব। মোৰ বিবেক এই শৃঙ্খলিত বাহুতকৈও বেছি শৃঙ্খলিত। দয়ালু ঈশ্বৰ! সেই শৃঙ্খলিত বিবেকে যেন মোক আৰু বেি কষ্ট দিবলৈ নোৱাৰে। অনুতাপেই মোক মুক্তি দিব। মৃত্যু! তই দয়ালু মানুহতকৈও দয়ালু। এতিয়া তাৰাৰ মৃত্যুত কাতৰ হৈ থকা মোৰ এই দুখ আৰু শোকে জুৰুলা কৰা জীৱটোক মুক্তি দে। তাৰা

এই নশ্বৰ শৰীৰ বিনাশ হলে অমৰধামলৈ গৈ ক্ষমা ভিক্ষা খুজি তোমাৰ লগত কথা হয়।

[ কাৰাৰক্ষীৰ প্ৰবেশ। ]

কাঃ ৰঃ--মোগল! মৃত্যুৰ বাবে সাজুনে?

পালিত—প্ৰস্তুত।

কাঃ ৰঃ—মৃত্যু বৰ ভাল, সাজু নহবনো কিয়? ইয়াত বৰ দুখ। পাওনাদাৰে আৰু আপোনাক পহিলা তাৰিখে আহি ধাৰ সাধি বিৰক্ত নকৰে। কানি, ভাং, ফটিকা আদিত আৰু ধন খৰছ কৰিবলৈ নালাগে। ফটিকাৰ দোকানলৈ গৈ ফটিকা খাই অলপ সময় স্বৰ্গ-সুখ উপভোগ কৰক। ক'ত আছে? আকাশত নে পাতালত, ময়লা গৰখাৱৈত নে সোণৰ পালেঙত—তাৰ একো থা-ঠিকনা নাই। পাছে যেতিয়া স্বৰ্গসুখ অলপ অলপ কমে, দেখে যে মূৰটো অলপ গধূৰ গধূৰ, কিন্তু চোলাৰ মোনাখনি যেন পাতল পাতল। এডালি সামান্য জৰী লাহেকৈ আপোনাৰ গলত মালাৰ দৰে পিন্ধাই দিম। দি এটি টান মাৰিম; তাৰ পাছতে আপুনি স্বৰ্গত। এক মুহূৰ্ত্ততে আপোনাক সংসাৰৰ সকলো দুখ, সকলো ভাৱনাৰ পৰা উদ্ধাৰ কৰিম। জৰীডালৰ হলে মূল্য এটি পয়ছা। মানুহে তাৰ শীতল কোলাত আশ্ৰয় নলৈ সুখৰ বাবে বহুত ধন ভাঙে, কিন্তু সুখ হলে নাপায়।

পালিত—জীৱনত তোৰ যিমান আগ্ৰহ, মৰণত মোৰ তাতকৈও বেছি।

কাৰা ঠিক কথা। শুই থকা মানুহে জানো দাঁতৰ বিষৰ গম পায়? কিন্তু সাৰ পাই উঠিলেহে বিষত চাটিফুটি কৰে। কিন্তু আপোনাৰ নিচিনা কোনোবাই এনে অবস্থাত এনেকৈ শুব

পাৰিলেহেঁতেন নে—যাক আহি কাৰৰক্ষীয়ে জগাব লগাত পৰিলহেতেন ; তেতিয়া তাৰ অৱস্থা এনে সুখৰ হল হয় যে পাৰিলে স্বয়ং কাৰাৰক্ষীয়েও এনে বন্দীৰ লগত অৱস্থাৰ সালসলনি কৰিলেহেঁতেন।

পালিত—নিশ্চয় বৰ সুখৰ অৱস্থা।

কাঃ ৰাঃ—তেনেহলে দুখৰ কথা এইটোৱেই যে যি বাটেৰে আপোনাক পঠাম সেই বাটেৰে আৰু দুনাই আহিব নালাগে। আহিলে সেই বাটটোনো কেনে আমিও গম পালোঁহেঁতেন। কাৰণ সেই বাটেৰে যদিও আমি বহুত পথিকক পঠাওঁ তথাপি সেই বাটটো হলে আমাৰ সম্পূৰ্ণ অপৰিচিত। বন্দী, আন আন মোগল বন্দীৰ লগত মহাৰাজৰ ওচৰত তোমাৰ বিচাৰ হব।

পালিত—বৰ সুখৰ কথা, কাৰণ অভিলষিত স্বাধীনতা পাবলৈ আৰু মোৰ বেছি সময় নাই।

কাঃ ৰঃ—পালিত, ৰজাই নিশ্চয় তোমাক বাঞ্ছিত স্বাধীনতা দিব।

পালিত—তেনেহলে মই তোমাৰ দাস হম।

[ কাৰাৰক্ষীৰ প্ৰস্থান। ]

## পঞ্চম দৰ্শন

### অজয়সিংহৰ শিবিৰ

[ ৰজা, জয়, বিজয়, বিক্ৰমজিৎ, বিষয়াসকল আৰু অনুচৰবিলাক। ]

ৰজা—তোমালোক মোৰ ওচৰত থিয় হোৱা। তোমালোকক ঈশ্বৰে জয়পুৰৰ ৰক্ষাকৰ্তা কৰি পঠাইছে। মোৰ দুৰ্কপাল যে এই

আনন্দৰ দিনত সেই সাধাৰণ সৈনিক জন অনুপস্থিত যি অসীম সাহসেৰে কাৰ্ত্তিকৰ দৰে যুজি শ্ৰেষ্ঠ যোদ্ধাসকলকো লাজ দিছে তেওঁ ক'ত আছে কোনেও কব পাৰিবে উপযুক্ত পুৰস্কাৰ পাব।

বিক্ৰম—মানুহৰ এনেকুৱা সাহ আৰু বিক্ৰম মই হলে আজিলৈ কতো দেখা নাই [ চন্দনৰ প্ৰবেশ। ]

ৰজা—সেই সৈনিক জনৰ কিবা সংবাদ পালানে ?

চন্দন—সকলো ঠাইতে তেওঁক বিচৰা হৈছে কিন্তু কোনো বাতৰি নাই।

ৰজা—মোৰ অদৃষ্টৰ দোষ। নহলে এনেকুৱা উপকাৰী মানুহক কৃতজ্ঞতা দেখুৱাবলৈ সুবিধা নেহেরুৱালোঁহেঁতেন। [বিক্ৰম আদিৰ ফালে চাই] এতিয়া তোমালোকৰ পৰিচয় দিয়াৰ সময় উপস্থিত। যদিও তোমালোকে ভীলৰ দৰে বেশ পিন্ধিছা তথাপি মোৰ বিশ্বাস তোমালোক ভীল নোহোৱা, পৰিচয় দিয়া।

বিক্ৰম—আমাৰ জন্ম ৰাজগড়ৰ ওচৰৰ ভীল গাঁৱত। বিশেষ পৰিচয় কি দিম? ইয়াকে কওঁ যে আমি অসভ্য বৰ্ব্বৰ নহওঁ।

ৰজা—তোমালোকক মই মোৰ শৰীৰ ৰক্ষী নিযুক্ত কৰিলোঁ। তোমালোকেই এই সন্মানৰ উপযুক্ত। [ বৈদ্যৰ প্ৰবেশ। ] কি সংবাদ বৈদ্য? তোমাৰ মুখ এনে গম্ভীৰ কিয়? মুখ দেখিলে অনুমান হয় তুমি বিজয়ী ৰাজপুত নোহোৱা, পৰাজিত মোগলহে।

বৈদ্য—মহাৰাজ, এই আনন্দৰ সময়ত শোক সংবাদ দিয়াৰ বাবে ক্ষমা কৰক। ৰাণী আৰু এই সংসাৰত নাই।

ৰজা—শোক কৰিলে কি হব? হায় অদৃষ্ট! আমি জানো ঔষধ দি মানুহৰ জীৱন বচাব পাৰোঁ? তেওঁৰ মৃত্যু কেনেকৈ হল?

বৈদ্য—বৰ ভয়ানক মৃত্যু। সেই মৃত্যু সময়ৰ দৃশ্য ভাবিলে এতিয়াও মোৰ গা শিয়ঁৰি উঠে। আপোনাৰ আদেশ পালে তেওঁ মৰিবৰ সময়ত কি কলে কব পাৰোঁ।

ৰজা—কোৱা।

বৈদ্য—প্ৰথমে তেওঁ স্বীকাৰ কৰিলে যে কেতিয়াও তেওঁ আপোনাক ভাল পোৱা নাছিল।

ৰজা—এই কথা তেওঁ অকলে জানিছিল। মৰিবৰ সময়ত নে কোৱা হলে মই কেতিয়াও বিশ্বাস কৰিব নোৱাৰিলোহেঁতেন। তাৰ পাছত?

বৈদ্য—তেওঁ আৰু কলে যে তাৰা আইদেউ তেওঁৰ চকুৰ চুল আছিল। নপলোৱা হলে বিহ খুৱাই তেওঁৰ প্ৰাণ নষ্ট কৰিলেহেঁতেন।

ৰজা—আহ! পিশাচিনী, তোৰ ৰূপেই মোক ভুলাইছিলি। তিৰোতাৰ চৰিত্ৰ অতি ৰহস্যপূৰ্ণ, কোনে জানিব পাৰে? আৰু কিবা কবলৈ আছেনে?

বৈদ্য—মহাৰাজ! ইয়াতকৈও অপ্ৰিয় সংবাদ শুনিবলৈ প্ৰস্তুত হওক। তেওঁ কলে, তেওঁৰ হাতত এটা বিষাক্ত দ্ৰব্য আছিল, তাক খালে মানুহৰ জীৱন তিল তিল কৰি নষ্ট হয়। সেইটো আপোনাক খুৱাব খুজিছিল। খুৱাই আপোনাক শুশ্ৰূষা কৰি, আপোনাৰ মৰম বঢ়াই অৱশেষত ৰঘুপতিক ৰাজপাটত বহুৱাবলৈ সঙ্কল্প কৰিছিল। ৰঘুপতিৰ খবৰ নাপাই তেওঁ উন্মাদৰ দৰে হল। মৰিবৰ সময়ত ইয়াকে তেওঁ দুখ কৰিলে যে তেওঁৰ মনোবাঞ্ছা পূৰ্ণ নহল।

ৰজা—ঈশ্বৰে মোক কাল সৰ্পিণীৰ হাতৰপৰা ভাল ৰক্ষা কৰিলে। কিন্তু তাৰা কত? তাৰা! সেই পিশাচিনীৰ দোষতে তোক

মই হেৰুৱালোঁ। শিশুতে তোৰ ভায়েৰ দুজনক হেৰুৱাইছো। এতিয়া ভাবিলে কি হব ? বি বিষবৃক্ষ ৰোপণ কৰিছিলো তাৰ ফল ভোগ কৰিবই লাগিছোঁ।

[প্ৰহৰী পৰিবেষ্টিত ৰামসিংহ, দিলীৰ খাঁ আৰু আন আন মোগল বন্দীৰ লগত পালিত আৰু পুৰুষবেশী তাৰাৰ প্ৰবেশ।]

ৰজা—ৰামসিংহ, তুমি অবধ্য দূত নোহোৱা। তুমি এতিয়া বন্দী সেনাপতি—তোমাৰ মৃত্যু নিশ্চয়। সেই নিমিত্তে আন আন মোগল বন্দীৰ লগত মৃত্যুৰ কাৰণে প্ৰস্তুত হোৱা।

ৰাম—মহাৰাজ, যুদ্ধত জয় পৰাজয় অনিশ্চিত। মনত ৰাখিব আপোনালোকৰ জয় দৈবক্ৰমে হৈছে। যদিও যুদ্ধক্ষেত্ৰত হৃদয়হীন ৰাক্ষসৰ দৰে শত্ৰুক হত্যা কৰো তথাপি পৰাজিত বন্দীক শান্ত অৱস্থাত এনেকৈ অপমান নকৰোঁ। ৰণত দেখিছে, মই কাপুৰুষ নহওঁ। এতিয়া মৰিবৰ সময়তো বীৰৰ দৰে অম্লান বদনে মৃত্যুক আলিঙ্গন কৰিম। আন আন মোগলবীৰসকলো মৃত্যুৰ নিমিত্তে ভীত নহয়। কিন্তু মহাৰাজ, মৃত্যুৰ সময়ত এটি অনুৰোধ কৰোঁ। [তাৰালৈ আঙুলিয়াই] মোৰ এই অনুচৰজনক মুক্তি দিয়ক। যদিও মোগল সেনাপতিৰ অনুচৰ তথাপি ইয়াৰ জন্ম জয়পুৰ ৰাজ্যত। বিশেষতঃ ই যুদ্ধত যোগ দিয়া নাই।

জা—মই ইয়াক আগতে কৰবাত দেখা দেখিছিলো যেন পাওঁ। যুবক, তোমাক মই মুক্তি দিলোঁ। কিন্তু মোক এৰি আৰু যাব নোৱাৰা, পুত্ৰৰ তুল্য তোমাক পালন কৰিম। কিয় কব নোৱাৰোঁ। তোমাক বুকত সাৱটি ধৰি চুমা খাবলৈহে মন

গৈছে। কোৱা, তোমাক কি লাগে ? তোমাৰ মনোবাঞ্ছা মই পূৰণ কৰিম ; যদি কোনোবা বন্দীৰ মুক্তি প্ৰাৰ্থনা কৰা তাক ততালিকে মুক্তি দিম।

তাৰা—মহাৰাজৰ অনুগ্ৰহে মোক কৃতাৰ্থ কৰিলে।

ৰাম—যুৱক, মোৰ জীৱন ভিক্ষা কৰিবলৈ মই তোমাক নকওঁ তথাপি মই নিশ্চয় জানো যে তুমি মোৰ মুক্তি প্ৰাৰ্থনা কৰিবা।

তাৰা—নহয়। মোৰ হাতত আন কাম আছে [ স্বগত ] মাৰ মৃত্যুতকৈও কষ্টদায়ক এটি বস্তু দেখিছোঁ [ প্ৰকাশ্যে ] আপোনাৰ জীৱন নিজ বাহুবলেৰে ৰক্ষা কৰক [ তাৰাই দিলীৰ খাঁৰ ফালে একে থিৰে চাই থাকে। ]

ৰাম—[ স্বগত ] ই মোক অৱজ্ঞা কৰিছে। মই ইয়াৰ বাবে ইমান কৰিলোঁ তথাপি ই মোৰ মুক্তি প্ৰাৰ্থনা নকৰে। লৰাছোৱালীৰ ওপৰত আশা কৰাই বৃথা। ইয়াৰ কি হল ? দিলীৰ খাঁৰফালে এনেকৈ চাইছে কিয় ?

ৰজা—যুৱক, তোমাৰ কি ইচ্ছা ? যিমানেই তোমাক চাওঁ সিমানেই মোৰ মৰম বাঢ়ে। ভালকৈ ভাবি চিন্তি কোৱা তোমাৰ কি আৱশ্যক।

তাৰা—[ দিলীৰ খাঁৰ ফালে চাই থাকে। ]

ৰজা—তুমি সেই বন্দীজনৰ ফালে একেথৰে চাই আছা কিয় ? সি তোমাৰ কোনোবা বন্ধু-বান্ধৱ নেকি ? যদি হয় কোৱা, মই তাক মুক্তি দিম।

তাৰা—সি হৈছে মোগল আৰু মই ৰাজপুত। সি মোৰ কোনো নহয়। তাতকৈ মহাৰাজেহে মোৰ আপোন মানুহ, কাৰণ আপোনাৰ ৰাজ্যত মোৰ জন্ম।

ৰজা--তেনেহলে তাৰ ফালে কিয় এনেকৈ চাইছা ?

তাৰা--মহাৰাজ, আপুনি যদি অনুগ্ৰহ কৰি এই বন্দীজনক এই হীৰা খটোৱা আঙঠিটো কত পালে সোধে তেনেহলে মই আপোনাৰ ওচৰত চিৰঋণী হম ।

পালিত--[স্বগত] ইয়াত তোমাৰ লাভ কি ?

ৰজা--বন্দী, এইদিনে আগুৱাই আহ । এই হীৰা-খটোৱা আঙঠিটো কত পালি ? কিন্তু যদি মিছা কথা কৱ তেনেহলে নিশ্চয় জানিবি, কঠোৰ যাতনা দি তোৰ মুখৰ পৰা সেই কথা বাহিৰ কৰিম ।

দিলীৰ--যি কথা শুনাবলৈ মহাৰাজে মোক ইমান ভয় দেখুৱাইছে সেই কথা শুনিলে মহাৰাজৰ বুকুত শেলে বিন্ধা দিব ।

ৰজা--কি মোক ?

দিলীৰ--হয় আপোনাক । উস্ অনুতাপে মোৰ হৃদয় দহিব লাগিছে । এইটো আঙঠি ছলনাৰে মই লাভ কৰিছোঁ । আপুনি নিৰ্ব্বাসন দণ্ড দিয়া পালিতৰ এইটো আঙঠি । মহাৰাজ আৰু কমনে ?

ৰজা--এই আঙঠি সম্বন্ধে সকলো কথা ক ।

দিলীৰ--মোৰ অন্যায় কৰিলোঁ। সেই পাপৰ কথা মনত পৰিলেও মোৰ গা কঁপি উঠে । অপেক্ষা কৰক মই বৰ কাতৰ হৈছোঁ । বুকুত শৰীৰ জৰ্জ্জৰিত । আপোনাৰ কন্যা তাৰা—

অজয় সিংহ--মোৰ কন্যা তাৰা ? তেওঁৰ বিষয়ে কি জান সোণকালে ক ।

দিলীৰ--আপোনাৰ কন্যাৰ সতীত্বই সকলো অনৰ্থৰ মূল । পালিতে কলে, সতীত্বত তেওঁ সাবিত্ৰীৰ তুল্য । সেই সময়ত মই হাজাৰ টকাৰ পণ ৰাখি কলোঁ—যদি তেওঁৰ পত্নীৰ সতীত্ব হৰণ কৰিব পাৰোঁ তেনেহলে তেওঁৰ হাতত থকা এই আঙঠিটো মোৰ । যদি ব্যৰ্থমনোৰথ হওঁ তেন্তে তেওঁৰ । পালিত

সন্মত হল। মষো সেই ঘৃণিত উদ্দেশ্য সাধিবৰ বাবে আপোনা-সকলৰ ৰাজধানীত উপস্থিত হলোঁ। বহু পুৰুষার্থ কৰিও তেওঁৰ সতীত্ব হৰণ কৰিব নোৱাৰিলোঁ। শেষত পালিতক কপটেৰে প্ৰমাণ দিলোঁ। তাৰাৰ এই হাৰডালি চুৰ কৰি নি কলোঁ যে এইডালি তেওঁ মোক প্ৰেমচিহ্ন স্বৰূপে দিছে। পালিতৰ বিশ্বাস হল তেওঁৰ প্ৰণয়িনী ভ্ৰষ্টা। [পালিতক দেখুৱাই] এৱেঁই নহয়নে ?

পালিত—[আগুৱাই গৈ] ধূৰ্ত্ত মোগল ! মষেই তেওঁ। মই কি মূৰ্খ, এই পিশাচৰ কথা বিশ্বাস কৰিছিলা। মই ডকাইত, মই চোৰ, মই নাৰী-হন্তা, পত্নী-হন্তা। আজিলৈকে যিমান পাপৰ অনুষ্ঠান হৈছে মই সেই সকলো পাপীতকৈ অধম। আঃ! মোক বিহ দিয়ক। মহাৰাজ, মষে আপোনাৰ কন্যা-হন্তা। মোৰ ওপৰত নতুন ৰকমৰ তীব্ৰ শাস্তি বিহিবৰ উপায় কৰক। তেওঁ সতী সাবিত্ৰী। তাৰা! হৃদয়েশ্বৰী! মই তোমাক বিনা দোষত হত্যা কৰিলোঁ। [তলমূৰ কৰে।]

তাৰা—ডাঙৰীয়া, অধীৰ নহব। আৰু কি কবলগীয়া আছে শুনক !

পালিত—তোৰ সেই কথাৰ আৱশ্যক কি ? তয়ে এইবোৰ অনৰ্থৰ মূল—এই ল তোৰ পুৰস্কাৰ। [লাঠি মাৰে আৰু তাৰা বাগৰি পৰে। সেই সময়ত পুৰুষ বেশ খহি পৰে।]

চন্দন—ডাঙৰীয়া সকল, সহায় কৰক। পালিত প্ৰভু ! এৱেঁই তাৰা।

ৰজা—পৃথিবীখন ঘূৰিব লাগিছে নেকি ?

পালিত—ই ডিঠকনে সপোন ?

চন্দন—আইদেউ, উঠক।

তাৰা—মোৰ ওচৰৰ পৰা আঁতৰ হ। তয়ে মোক বিহ দিছিলি নহয়নে?

চন্দন—স্বৰ্গদেউ, যদি ভাল ঔষধ বুলি সেই টেমাটো দিয়া নাছিলোঁ, তেন্তে নৰকতো যেন মই ঠাই নাপাওঁ। মোক সেইটো ৰাণীয়ে দিছিল।

ৰজা—আৰু নতুন কথা।

তাৰা—মই তাকে খাই মৰাৰ দৰে হৈছিলোঁ।

বৈদ্য—মহাৰাজ, মৃত্যুৰ সময়ত ৰাণীয়ে কোৱা এটি কথা মই পাহৰিছো। তেওঁ কৈছিল যদি মই দিয়া ঔষধ পালি চন্দনে তাৰাক দিছে তেনেহলে মোৰ প্ৰতিহিংসা নিশ্চয় পূৰণ হৈছে।

ৰজা—কি বৈদ্য ?

বৈদ্য—মহাৰাজ, ৰাণীয়ে সদায় কুকুধ মেকুৰীৰ ওপৰত পৰীক্ষা কৰিবৰ নিমিত্তে মোক তীব্ৰ বিহ খুজিছিল। তেওঁক বিশ্বাস নকৰি মই এনে এটি বস্তু দিছিলোঁ যি খালে মানুহ এপৰমান মাথোন অচেতন হৈ থাকে।

তাৰা—বোধকৰোঁ মই সেইটোকে খাইছিলো।

বিক্ৰম—বোপাইত, আমি এইখিনিতে ভুল কৰিছিলো।

জয়—ই নিশ্চয় অমিয়

ৰজা—তাৰা, নিৰ্দ্দয় পিতাৰাক এবাৰ নামাতানে?

তাৰা—[ আঠুকাঢ়ি ] পিতা! আশীৰ্ব্বাদ কৰক।

বিক্ৰম—[ জয় আৰু বিজয়ক ] তোমালোকে ইয়াক ভাল পোৱাৰ বাবে মই দোষ নিদিওঁ তাৰ এটি কাৰণ আছে।

ৰজা—মোৰ যি চকুৰ পানী তোমাৰ ওপৰত পৰিছে সি পবিত্ৰ গঙ্গা জলৰ দৰে তোমাক মঙ্গল কৰক। তাৰা, তোমাৰ মাহীআয়েৰা আৰু এই সংসাৰত নাই।

তাৰা—শুনি বৰ দুখ পালোঁ।

ৰজা—পিশাচীৰ বাবে দুখ নকৰিবা। তাইৰ দোষতে আমাৰ আচৰিত বিচ্ছেদ। কিন্তু পৰমেশ্বৰৰ ইচ্ছাত আকৌ মিলন হল। কিন্তু ৰঘুপতিৰ বাতৰি এতিয়াও নাই।

চন্দন—মহাৰাজ, মই এতিয়া সঁচা কথা কম। আইদেউ যেতিয়া নিৰুদ্দেশ হয় তেতিয়া ৰঘুপতিয়ে খঙত বিতত হৈ চকু পকাই তৰোৱাল ঘূৰাই মোক সুধিলে, তাৰা ক'ত আছে ক, নহলে তোৰ আজি নিস্তাৰ নাই। দৈবাৎ মোৰ হাতত এখন পালিতৰ জাল চিঠি আছিল। সেই চিঠি পাই মোক খুজি পালিতৰ এযোৰ সাজ লৈ আইদেউক পাম বুলি ৰাজনগৰৰ ফাললৈ গৈছে। তাৰ পৰা কি হল কব নোৱাৰোঁ।

জয়—ময়ে কথাটো শেষ কৰোঁ। তাতে মই তেওঁক হত্যা কৰিছোঁ।

ৰজা—ডেকা, ইমান উপকাৰ কৰাৰ পাছত কেনেকৈ তোমাক শাস্তি দিম? এতিয়াও অস্বীকাৰ কৰা। কোৱা, তুমি তাক হত্যা কৰা নাই।

জয়—মই বি কৈছোঁ তাকে কৰিছোঁ। মিছা কথা কব নাজানো।

ৰজা—তথাপি তেওঁ এজন ৰাজকৰ্ম্মচাৰী আছিল।

জয়—মহাৰাজ, সি অতি নীচ। মোক ক্ষমা কৰিব। সি মোক বিবোৰ গালি পাৰি অপমান কৰিছিল, সেইবোৰ বৰ্ব্বৰ মানুহৰহে লক্ষণ। তাৰ দৰে গালি পৰা হলে মই উচ্চ পৰ্ব্বতৰ গাতো লাঠি মাৰিলোঁহেঁতেন।

ৰজা—তুমি তোমাৰ দোষ স্বীকাৰ কৰিছা। ইয়াৰ শাস্তি মৃত্যু। প্ৰহৰী! দোষীক বন্দী কৰি কাৰাগাৰলৈ লৈ যা। কালি পুৱাই ইয়াক বধ কৰিবি। [ প্ৰহৰী আগুৱাই আহে। ]

বিক্ৰম—শান্ত হওক মহাৰাজ, এওঁৰো আপোনাৰ দৰে উচ্চ কুলত জন্ম।

এওঁ সহস্ৰ ৰঘুপতিতকৈও শ্ৰেষ্ঠ। [ প্ৰহৰীৰ ফাললৈ চাই ]
সাৱধান প্ৰহৰী! গাত হাত নিদিবি। বন্দী হবলৈ এওঁৰ
জন্ম হোৱা নাই—বন্দী কৰিবলৈহে।

ৰজা—কি সৈনিক? মোক উপকাৰ কৰিবলৈ গৈ এতিয়া আকৌ
খণ্ডত পুৰি মৰিব খুজিছ নেকি? কেনেকৈ মোৰ নিচিনা
উচ্চ কুলত জন্ম?

বিজয়—পিতাই অৰণ্যে অলপ বঢ়াই কৈছে।

ৰজা—সেইবাবে তাৰ মৃত্যু—প্ৰহৰী!

বিক্ৰম—আমি তিনিও একেলগে মৰিম। বোপাইঁত, মই এতিয়া
মোৰ পক্ষে এট বিপদজনক কথা কম, কিন্তু সৌভাগ্যক্ৰমে
সি তোমালোকৰ মঙ্গলৰ কাৰণেহে।

বিজয়—আপোনাৰ বিপদেই আমাৰ বিপদ।

জয়— আপোনাৰ মঙ্গলেই আমাৰ মঙ্গল।

বিক্ৰম—মহাৰাজ, আপোনাৰ এজন বিক্ৰমজিং বুলি সেনাপতি আছিল,
মনত পৰেনে?

ৰাজ—অ সেই বিশ্বাসঘাতকটো, সি এতিয়া নিৰ্ব্বাসিত।

বিক্ৰম—সেই বিশ্বাসঘাতকেই আজি এই অৱস্থা পাইছে। নিৰ্ব্বাসিত
সচাঁ কিন্তু বিশ্বাসঘাতক কিৰূপে হলোঁ কব নোৱাৰোঁ।

ৰজা—প্ৰহৰী, ইয়াক বন্দী কৰ। তোৰ নিস্তাৰ নাই। [ প্ৰহৰী
আগুৱাই আহে। ]

বিক্ৰম—ইমান সোণকালে নহয়—নাহে, নাহে। প্ৰথমে আপোনাৰ লৰা
দুজনক তুলি তালি ডাঙৰ দীঘল কৰাৰ পুৰস্কাৰ দিয়ক। মই
সেই বানছ পালেই নিৰ্ব্বাসিতৰ সম্পত্তি বুলি বাজেয়াপ্ত কৰিব।

ৰজা—মোৰ লৰাক তুলি তালি ডাঙৰ দীঘল কৰাৰ বাবেনে?

বিক্রম—হয় মহাৰাজ, আপোনাৰ আগত আঠু লৈছোঁ। উঠাৰ আগেয়ে মোৰ লৰা দুজনক আপোনাৰ হাতত সমৰ্পন কৰিম। তাৰ পাছে আৰু ফলফুল ছিঙি নিয়া গছৰ দৰে বুঢ়া বাপেকক ৰক্ষা কৰিবৰ প্ৰয়োজন নাই। যদিও আজিলৈকে ইহঁতে মোকেই পিতা বুলি জানে তথাপি ইহঁত আপোনাৰহে ঔৰষজাত পুত্ৰ। মই পালক মাথোন।

ৰজা—মোৰ ঔৰষজাত পুত্ৰ! ৰহস্য কৰিবৰ সময় নহয়। ভাঙি কোৱা।

বিক্রম—আপুনি যেনেকৈ মৃত মহাৰাজৰ ঔৰষৰ পুত্ৰ, তেনেকৈ ইহঁতো আপোনাৰ, সি ধুৰুপ। এই বুঢ়া ভীলেই আপোনাৰ নিৰ্ব্বাসিত সেনাপতি বিক্রমজিৎ। এই কুৰি বছৰ ধৰি মই ৰাজপুত্ৰ দুজনক উপযুক্ত শিক্ষা দিছোঁ। মোক নিৰ্ব্বাসিত কৰাৰ পাছত মোৰ কথাতে ইহঁতৰ ধাত্ৰী ইন্দিৰাই ইহঁতক চুৰ কৰি নিয়ে। সেই বাবে মই তাইক বিয়া কৰাওঁ। ৰাজভক্তিৰ বাবে শাস্তি পাই ৰাজদ্ৰোহী হলোঁ। ইহঁতেই আপোনাৰ যুগল কুমাৰ।

ৰজা—ইহঁতেই যদি মোৰ পুত্ৰ তেনেহলে ইহঁততকৈ গুণীপুত্ৰ মই ইচ্ছা নকৰোঁ। ঠিক তুমিয়েই জয়সিংহ। কপালৰ দাগটোৱে তাৰ প্ৰমাণ।

বিক্রম—সেয়েহে বিধাতাই এই দাগটো দিছিল।

ৰজা—(জয় আৰু বিজয়ক আঁকোৱালি ধৰি) মোৰ আজি কি আনন্দ! একেলগে দুজন লৰা আৰু এজনী ছোৱালীৰ বাপেক হলোঁ। মাকে প্ৰথমতে নিজৰ পেটৰ লৰা দেখিও ইমান আনন্দ নাপায়। বিক্রম, তোমাৰ সকলো অপৰাধ মাৰ্জ্জনা কৰিলোঁ। তাৰা, তুমি আজি এখন ৰাজ্য হেৰুৱালা।

ৰা—নহয় পিতা, মই দুখন পৃথিৱী পালোঁ। দাদা, আপোনালোকৰ লগত আজি কি পুণ্যৰ ফলত এনেকৈ পূৰ্ণ মিলন ঘটিল।

গা—সেই সামান্য সৈনিকজনক পোৱা হলে ত.ক উপযুক্ত পুৰস্কাৰ দি সুখী কৰিলোঁহেঁতেন।

লিত—মহাৰাজ, ময়ে সেই সামান্য সৈনিক। দিলীৰ, ঠিক কথা ক। ময়ে তোক নিৰস্ত্ৰ কৰিছিলো নহয়নে?

লীৰ—(আঠুকাঢ়ি) মই আকৌ আঠু ললোঁ। যুদ্ধক্ষেত্ৰত তুমি মোক পৰাভৱ কৰিছিলা। এতিয়া মোৰ প্ৰাণ লোৱা। তোমাৰ এই আঙঠি আৰু সতী ৰাজকন্যাৰ গলৰ এই হাৰ।

লিত—মোৰ ওচৰত আঠু ললে কি হব? তোমাৰ খোদাৰ ওচৰত ক্ষমা ভিক্ষা কৰা। মই তোমাক ক্ষমা কৰিলোঁ।

গা—মোৰ আদেশ মতে দিলীৰ খাঁ মুক্ত। আজি এই আনন্দৰ দিনত সকলো সুখী হওক। ৰামসিংহ! তোমালোক সকলোকে মুক্তি দিলোঁ। পালিত! তোমাৰ বীৰত্বৰ এই পুৰস্কাৰ লোৱা। (পালিতৰ হাতত তাৰাৰ হাত দি) তোমাক এইটো বহুমূলীয়া ৰত্ন দিলোঁ। জয়সিংহ, কালি তোমাক যুৱৰাজ পদত অভিষিক্ত কৰিম। ঈশ্বৰে তোমালোকৰ মঙ্গল কৰক।

[ সখীসকলৰ প্ৰৱেশ। ]

সখীসকল— —গীত—

ৰই ৰই আনন্দৰ
লহৰ খেলি
মলয় দোলে ধীৰে
কাদম্বৰী পি ;—
নয়ন ৰঞ্জন আলোকিত প্ৰাঙ্গন
ধূপ-দীপ-চন্দনে শুভ লগনে
উৎসৱ অভিনৱ দশোদিশি।

যত পূৰ অঙ্গনা—
উল্লাস উন্মনা—
মৃদঙ্গ গগনা—
বাজে কিঙ্কিনী ;
সুন্দৰ মধু নিশা উজ্জল দীপ শিখা—
মঙ্গল আনন্দৰ উৰুলি দি
আকাশত থেৰি হেনে দেৱ-কিন্নৰী।

## —আঁৰ কাপোৰ—